www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কৰো বুলি কোনেও প্ৰতিভাৰ সৃষ্টি কৰিব নোৱাৰে। ইয়াক কেৱল সঠিক পথেৰে আগুৱাই নিবহে পাৰি। — এইছ জি ৱেইলছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১১৮ | দেওবাৰ | ১ ফেব্ৰুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 118 | Sunday | 1st February, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ কেবিনেটৰ অনুমোদনৰ পিছতে দিনৰ ১১ বজাত সদনত দাখিল কৰিব বাজেট ■

# আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে দাখিল কৰিব বাজেট

### ৯ বজাত বাজেটৰ প্ৰতিলিপি প্ৰেৰণ কৰা হ'ব ৰাষ্ট্ৰপতিলৈ
### ১০.৩০ বজাত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাব বাজেটত

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ ফেব্ৰুৱাৰী ঃ** আজি সংসদত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উপস্থাপন কৰিবলৈ সাজু হৈছে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ। এইখনেই হ'ব তেওঁৰ একেৰাহে নৱমখন বাজেট, যিয়ে স্বাধীন ভাৰতৰ ইতিহাসত নতুন অভিলেখ সৃষ্টি কৰিব। ১৯৫৯ৰ পৰা ১৯৬৯ চনৰ ভিতৰত দুটা কাৰ্যকালত মুঠ ১০খন বাজেট দাখিল কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ অভিলেখক চাপি যোৱাৰ সম্ভাৱনা আছে। পূৰ্বৰ বিত্তমন্ত্ৰী পি. চিদাম্বৰম আৰু প্ৰণৱ মুখাৰ্জীয়ে ক্ৰমে ৯খন আৰু ৮খন বাজেট দাখিল কৰিছিল। ২০১৯ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিতীয় কাৰ্যকালত প্ৰথমবাৰৰ বাবে পূৰ্ণকালীন মহিলা বিত্তমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰা সীতাৰমণে ২০২৪ চনতো তৃতীয় কাৰ্যকালত একেই বিভাগৰ দায়িত্ব ৬ পৃষ্ঠাত





ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ ৫০তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

### প্ৰধানমন্ত্ৰী মোদীৰ প্ৰশংসা; সামুদ্ৰিক সুৰক্ষাৰ অটল প্ৰহৰী বুলি অভিহিত

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় উপকূল সুৰক্ষা বাহিনীৰ ৫০সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বিষয়া, জোৱান আৰু তেওঁলোকৰ পৰিয়াললৈ আন্তৰিক ৬ পৃষ্ঠাত

### আজি বাজেটৰ বাবে খোলা থাকিব শ্বেয়াৰ বজাৰ



### আজিৰে পৰা ভকত-বৈষ্ণৱৰ বাবে মুকলি হ'ব বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ক্ষেত্ৰ

কঠোৰ নিয়ম-শৃংখলা আৰু জৰিমনাৰ বিধানৰে দৰ্শনাৰ্থীক আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱা থানৰ নৱনিৰ্মিত শ্ৰীমন্ত শংকৰদেৱ ৬ পৃষ্ঠাত

ৰাজ্যখনৰ প্ৰথমগৰাকী মহিলা উপ-মুখ্যমন্ত্ৰী হিচাপে শপত লৈ ৰচিলে ইতিহাস

## মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ অজিত পাৱাৰৰ পত্নী সুনেত্ৰা পাৱাৰৰৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** প্ৰয়াত অজিত পাৱাৰৰ পত্নী সুনেত্ৰা অজিত পাৱাৰে শনিবাৰে মহাৰাষ্ট্ৰৰ প্ৰথমগৰাকী মহিলা উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰি ইতিহাস সৃষ্টি কৰিছে। মুম্বাইৰ লোকভৱনত অনুষ্ঠিত এই শপত গ্ৰহণ অনুষ্ঠানত অতি আৱেগিক আৰু উৎসাহময় পৰিৱেশৰ সৃষ্টি হৈছিল। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ৬ পৃষ্ঠাত

অন্তিম টি-20ত ৪৬ ৰাণৰ জয়; অৰ্শদ্বীপ সিংৰ ৫ উইকেট আৰু অক্ষৰ পেটেলৰ ৩ উইকেটৰ দাপট; বলিঙত ভাৰতৰ অসাধাৰণ প্ৰদৰ্শন

## ধৰাশায়ী নিউজীলেণ্ড! T-20 শৃংখলা দখল টীম ইণ্ডিয়াৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** দেওবাৰে টীম ইণ্ডিয়াই নিউজিলেণ্ডৰ বিৰুদ্ধে অন্তিম টি-২০ মেচত ৪৬ ৰাণৰ বিশাল জয় লাভ কৰি পাঁচ মেচৰ টি-২০ শৃংখলা ৪-১ ব্যৱধানত নিজৰ দখলত লৈ ল'লে। বলিং বিভাগৰ অসাধাৰণ ৬ পৃষ্ঠাত



খুমটাইত মৃণাল শইকীয়াৰ প্ৰাৰ্থিত্ব নিশ্চিত, দেৰগাঁৱত বিজেপিয়ে দিব প্ৰাৰ্থী

## মিঞা ভোটক লৈ পাগল হৈ আছে গৌৰৱ গগৈ!



**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩১ জানুৱাৰী ঃ** খুমটাই সমষ্টিত অনুষ্ঠিত একাধিক চৰকাৰী কাৰ্যসূচীত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত ৬ পৃষ্ঠাত

## বাংলাদেশী বহিষ্কাৰৰ প্ৰতিশ্ৰুতিক নিৰ্বাচনী 'জুমলা' আখ্যা অজাপৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** অসম জাতীয় পৰিষদ (অজাপ)ৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ৬ পৃষ্ঠাত

গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে নিৰ্বাচনী আলোচনা সম্পন্ন

## দুবছৰ ধৰি নাওবৈচাৰ এমএলএ ক'ত আছে কোনেও নাজানে, বিজেপিয়ে ভাল প্ৰাৰ্থী দিব

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে স্পষ্ট কৰিছে যে শুকুৰবাৰে সন্ধিয়া গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে হোৱা দুঘণ্টীয়া আলোচনাত ২০২৬ৰ ৬ পৃষ্ঠাত

'নতুন বৰ অসম' শ্ল'গানক লৈ মুখ্যমন্ত্ৰীৰ কটাক্ষৰ প্ৰত্যুত্তৰত কংগ্ৰেছ সভাপতিৰ প্ৰতিক্ৰিয়া

## হিমন্ত বিশ্ব শৰ্মাই কেৱল গৰু ছিণ্ডিকেটৰ কথা জানে, বৰ অসমৰ কথা নাজানে ঃ গৌৰৱ গগৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। 'নতুন বৰ অসম' ধাৰণাক লৈ মুখ্যমন্ত্ৰীৰ কটাক্ষৰ প্ৰত্যুত্তৰত গৌৰৱ গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰ্মাই কেৱল গৰু ছিণ্ডিকেটৰ কথা জানে, বৰ অসম বা নতুন অসমৰ কথা বুজি নাপায়। ৬ পৃষ্ঠাত



পেলেষ্টাইনৰ প্ৰতি সমৰ্থন, গাজাৰ শান্তি প্ৰচেষ্টাক আদৰণি

## প্ৰধানমন্ত্ৰী মোদীৰ সৈতে দ্বিতীয় ভাৰত-আৰব বিদেশ মন্ত্ৰী বৈঠকত মিলিত হ'ল আৰব লীগৰ নেতৃত্ব

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে আৰব ৰাষ্ট্ৰসমূহৰ ৬ পৃষ্ঠাত



৪ যুৱকৰ ঢকুৱাখনা, লখিমপুৰৰ বাসগৃহত শোকাকুল পৰিৱেশ; আৰক্ষীক ঘটনাৰ তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## বহিঃৰাজ্যলৈ কৰ্মৰ সন্ধানত যোৱা ৪জন যুৱকৰ নিথৰ দেহ উদ্ধাৰ হ'ল একেটা কোঠাতে



**ষ্টাফ ৰিপ'ৰ্টাৰ, লখিমপুৰ, ৩১ জানুৱাৰী ঃ** কৰ্মৰ সন্ধানত বেংগালুৰুলৈ গৈ থকা অসমৰ চাৰিজন যুৱকৰ ৰহস্যজনক মৃত্যুৱে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। বেংগালুৰুৰ চুলিবেলে আৰক্ষী থানাৰ অধীনস্থ মুটছান্দ্ৰা গাঁৱৰ এটা ভাৰাঘৰৰ বন্ধ কোঠাৰ পৰা শনিবাৰে পুৱা ৬ পৃষ্ঠাত

চ্যুকাফা ক্ষেত্ৰৰ উন্নয়নৰ বাবে ২ কোটি টকাৰ আৰ্থিক সাহায্য ঘোষণা

## স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাৰ প্ৰতিমূৰ্তি উন্মোচন মুখ্যমন্ত্ৰীৰ

চ্যু-কা-ফাৰ একতা আৰু সু-শাসনৰ আদৰ্শই আজিও অসমক পথ প্ৰদৰ্শন কৰি আছে



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** টাই আহোম সম্প্ৰদায়ৰ পৱিত্ৰ উৎসৱ মে-ডাম-মে-ফীৰ দিনা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ নটবমাত স্বৰ্গদেউ চাওলুং চ্যু-কা- ৬ পৃষ্ঠাত

বিৰোধী মিত্ৰতা হ'লে মধ্য অসমত ৰবি মাৰ যাব পাৰে এ আই ইউ ডি এফৰ

## কংগ্ৰেছৰ টিকট কেন্দ্ৰীক বিসংবাদেই ধিং সমষ্টিত ২০ বছৰে উৰাইছে এআইইউডিএফৰ বিজয় ধ্বজা

'২৬ত ধিংত এ আই ইউ ডি এফক ৰোধিবলৈ বিৰোধী মিত্ৰৰ একমাত্ৰ বিকল্প ৰাইজৰ দল

**অসম বাৰ্তা, ভূৰাগাঁও, ৩১ জানুৱাৰী ঃ** যোৱা ২০টা বছৰে মধ্য অসমৰ ৰাজনীতিত ধিং বিধান সভা সমষ্টি টোৱে এ আই ইউ ডি এফক অ'জিন প্ৰদান কৰি আহিছে। ২০ বছৰে ধিং সমষ্টিটো নিজৰ দখলত ৰাখিবলৈ সক্ষম হৈছে এ আই ইউ ডি এফ। দলটোৱে এইবৰ্ষতো কঁকালত টঙালি বান্ধিছে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ। সমষ্টিটো এইবাৰ ২৫টা পঞ্চায়ত লৈ নতুনকৈ গঠন কৰাৰ পাছত ভোটাৰৰ ৬ পৃষ্ঠাত





কেৱল শ্লোগানত নহয়, কৰ্মসংস্কৃতিৰ মাজেৰেহে অসমীয়া জাতি জীয়াই থাকিব ঃ ড° শশীকান্ত শইকীয়া

# ডুমডুমা জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩১ জানুৱাৰী ঃ** "নিজৰ জাতীয় চৰিত্ৰ হেৰুৱাই পেলোৱাৰ বাবে বিশ্বৰ বহুকেইটা জাতি আজি নিঃশেষ হৈ গ'ল। এটা জাতি জীয়াই থাকিবলৈ জাতিটোৱে নিজৰ মাতৃভাষাক শ্ৰদ্ধা কৰিবই লাগিব। আজি বিশ্বৰ বহুকেইখন দেশে নিজৰ মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰিয়েই বিশ্বৰ অগ্ৰণী উন্নত দেশত পৰিণত হৈছে। বৰ্তমান অসমৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা জাতীয় বিদ্যালয়সমূহে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি ৰক্ষা কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা গৈছে।" – এই মন্তব্য ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ (স্বায়ত্তশাসিত) মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, কৰ্মসূৰ্য ডঃ শশীকান্ত শইকীয়াৰ। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ডুমডুমা জাতীয় বিদ্যালয়ৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ আজি দুপৰীয়া অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ড° শইকীয়াই এই মন্তব্য কৰে। "কেৱল শ্লোগানত নহয়, কৰ্মসংস্কৃতিৰ মাজেৰেহে এটা জাতি জীয়াই থাকিব পাৰে। অসমীয়া জাতিয়েও কথাৰে নহয়, কামেৰেহে আগবাঢ়িব পাৰিব" বুলি কৈ ড° শইকীয়াই এই ক্ষেত্ৰত ডুমডুমা জাতীয় বিদ্যালয়ক বাটকটীয়াৰ ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাতেই ড° শশীকান্ত শইকীয়াই ৰূপালী জয়ন্তী উপলক্ষে দেবেন ডেকাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'ৰূপতীৰ্থ' উন্মোচন কৰে। ডুমডুমা জাতীয় বিদ্যালয়ৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক তথা পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক অভিজিৎ খাটনিয়াৰে আঁত ধৰা মুকলি সভাত তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সোমেশ্বৰ মৰাণ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজিত মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগেও বক্তব্য ৰাখে। অসম জাতীয় বিদ্যালয়ৰ সংগীতেৰে আৰম্ভ হোৱা সভাখনৰ আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষা তথা উদযাপন সমিতিৰ সম্পাদিকা সুৰভি মৰাণে আদৰণি ভাষণ প্ৰদান কৰে। সভাত ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা সীমা চৌধুৰী, ডুমডুমাৰ জৱাহৰ হিন্দী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিৰলা চৌধুৰী, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়নজ্যোতি শইকীয়া, তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক ভুগিল নেওগ, তিনিচুকীয়াৰ পৰমানন্দ জাতীয় বিদ্যালয়ৰ সঞ্চালক মানস প্ৰতিম শৰ্মা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক পাপু মৰাণ, সাংগঠনিক সম্পাদক মনোজ মৰাণ আৰু অমৃত পাল সিং, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল, ডুমডুমা জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকা, সদস্য অনুজ কলিতা, বীৰেন শৰ্মা, মনোজ দত্তসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। সভাত বিদ্যালয়খনৰ কণমানি ছাত্ৰী দিক্ষিতা হাজৰিকাই এটি গীত পৰিৱেশন কৰে। সভাত বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক শিক্ষয়িত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়। পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকাই শলাগ জ্ঞাপন কৰাৰ পাছতেই 'অসম সংগীত' পৰিৱেশনেৰে সভা ভংগ কৰা হয়। বিয়লি অনুষ্ঠিত গীত মাতৰ অনুষ্ঠানটি উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনে। ইপিনে আগবেলা উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাটি উদ্বোধন কৰে ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰন্ধৰাই। উল্লেখযোগ্য যে ডুমডুমাৰ কেইগৰাকীমান সাংবাদিক, শিক্ষাবিদ আৰু জাতীয় চেতনা সমৃদ্ধ ব্যক্তিৰ উদ্যোগত গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত ২০০১ চনৰ পহিলা জানুৱাৰীত স্থাপন কৰা ডুমডুমা জাতীয় বিদ্যালয়ে ইয়াৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। ২০২৫ চনৰ পহিলা জানুৱাৰীৰ পৰা আৰম্ভ হোৱা ৰূপালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে বিছাজানত অৱস্থিত বিদ্যালয়খনত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰথম দিনা পুৱা পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱাই। সমান্তৰালভাৱে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে ২৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে ৰূপালী জয়ন্তীৰ ২৫খন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে বিদ্যালয়খনৰ অধ্যক্ষা সুৰভী মৰাণ আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্জল বড়া সোণোৱালে। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰয়াত সদস্যসকলৰ লগতে প্ৰয়াত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে ডুমডুমা জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক অনুজ কলিতা আৰু প্ৰয়াতসকলৰ পৰিয়ালৰ সদস্যসকলে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ক্ৰমে অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সম্পাদক ধীৰেন ডেকা আৰু ডুমডুমা জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকাই। এই অনুষ্ঠানতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰী নৱনীতা কলিতাক সম্বৰ্ধনা জনোৱা হয়। এই সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়খনৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক তথা পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক অভিজিৎ খাটনিয়াৰে। ইয়াৰ পাছতেই বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তথা ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা শতাব্দী দত্তৰ সঞ্চালনাত বিদ্যালয়খনৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত বিগত ২৫ বছৰত বিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হৈ ওলাই যোৱা দুই শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ সৈতে থকা তেওঁলোকৰ সোণসেৰীয়া স্মৃতি ৰোমন্থন কৰে। তেওঁলোকৰ একাংশই গীত মাত পৰিবেশন কৰি অনুষ্ঠানটো সজীৱ কৰি তোলে। শেষত বিদ্যালয়খনৰ অধ্যক্ষা সুৰভি মৰাণে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# মুকালমুৱাৰ বৰুৱাপুটাত ত্ৰয়োদশ বাৰ্ষিক শনি পূজাৰ আয়োজন

**অসম বাৰ্তা, মুকালমুৱা, ৩১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ বৰুৱাপুটাৰ শনি মন্দিৰত বিগত বছৰসমূহৰ দৰে এইবেলিও শনি পূজা মহোৎসৱৰ বৰ্ণাঢ্য আয়োজন চলাইছে। হাজো-দৌলাশাল ঘাইপথৰ বৰুৱাপুটাৰ দাঁতিত থকা শনি মন্দিৰত পূৰ্বৰ দৰে এইবেলিও ধৰ্মীয়, আধ্যাত্মিক, পৰম্পৰা আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অহা ২১ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে ত্ৰয়োদশ বাৰ্ষিক শনি পূজা মহোৎসৱৰ বৰ্ণাঢ্য আয়োজন চলাইছে। কাৰ্যসূচী অনুসৰি পুৱা শনি পূজা মহোৎসৱৰ ধৰ্মধ্বজ্জা উত্তোলন কৰিব শনি পূজা উদ্‌যাপন সমিতিৰ সভাপতি কুলদ্বীপ মেধিয়ে। শনি পূজা মহোৎসৱৰ লগত সংগতি ৰাখি জাতিৰ হৃদপিণ্ডস্বৰূপ প্ৰয়াত গণশিল্পী জুবিন গাৰ্গৰ স্মৃতি জীয়াই ৰখাৰ মহৎ উদ্দেশ্যৰে চাৰিটাকৈ নাহৰ পুলি ৰোপণ কৰিব ক্ৰমে অৱসৰী শিক্ষক দীনেশ চন্দ্ৰ কলিতা, সমাজহিতৈষী কৈলাস মেধি, জলসম্পদ বিভাগৰ অৱসৰী কৰ্মচাৰী প্ৰকাশ ডেকা আৰু যুৱ সমাজকৰ্মী বিমল কাকতিয়ে। পুৱা ৯ বজাৰ পৰা পুৰোহিতৰ মন্ত্ৰোচ্ছাৰণেৰে আৰম্ভ হ'ব শনি পূজা। দুপৰীয়া পাঁচ সহস্ৰাধিক ভক্তৰ সমাগমত অনুষ্ঠিত হ'ব ৰাজহুৱা হোমযজ্ঞ অনুষ্ঠান। পূজা সমাপনৰ পাছতেই প্ৰায় ৭ সহস্ৰাধিক ভক্তই ৰাজহুৱা ভোগ গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে উদযাপন সমিতিৰ সম্পাদক মনমোহন কাকতিয়ে। সন্ধিয়া পৰিৱেশন কৰিব হ'ব নাগাৰা নাম। অসমৰ দুটাকৈ জনপ্ৰিয় নাগাৰা নামদলে পৰিৱেশন কৰিব হৰিনাম। নাম উদ্বোধন কৰিব গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই। নাম পৰিৱেশন কৰিব কামৰূপ জিলাৰ পাইকানাৰ সত্যব্ৰত ডেকা আৰু বেজেৰাৰ ৰাজীৱ ডেকাসহ সংগীবৃন্দই। শনি পূজা মহোৎসৱৰ প্ৰতিটো কাৰ্যসূচীতে ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি অন্তঃকৰণেৰে বিচাৰিছে উদযাপন সমিতিৰ প্ৰচাৰ সম্পাদকত্ৰয় বিতুপন কাকতি, বনজিৎ কাকতি আৰু মিনাল কাকতিয়ে। প্ৰবাদ অনুসৰি বৰুৱাপুটাৰ এই জাগ্ৰত শনি মন্দিৰলৈ আহি যি যেনেকৈ শনিদেৱক আৰাধনা কৰে ঠিক তেনেকৈয়ে শনিদেৱে ফলপ্ৰসূ কৰি আহিছে বুলি জনবিশ্বাস চলি আহিছে।

# অৰুণাচল প্ৰদেশৰ পৰা উদ্ধাৰ মানৱ সৰবৰাহৰ বলি হোৱা শিশু

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩১ জানুৱাৰী ঃ** মানৱ সৰবৰাহৰ বলি হোৱা ১২ বছৰীয়া এটি শিশুক অৰুণাচল প্ৰদেশৰ পৰা সাত বছৰৰ পিছত সফলভাৱে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে ওদালগুৰি আৰক্ষী প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান ওদালগুৰি খণ্ড আৰু জিলা শিশু সুৰক্ষা সমিতিৰ একক প্ৰচেষ্টাত। ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডৰ ১ নম্বৰ বটাবাৰী গাঁৱৰ নিবাসী পিতৃ শিভু হেমৰম আৰু মাতৃ লক্ষ্মী মুৰ্মোৰ ৬ বছৰীয়া কন্যা শিশু জনিক ওচৰৰে মঙ্গল মাৰ্দি নামৰ ব্যক্তি এজনে ২০১৯ চনত কামৰ উদ্দেশ্যে সৰবৰাহৰ কৰা বুলি পৰিয়াল লোকে অভিযোগ কৰে। উল্লখযে সন্দেহযুক্ত ব্যক্তিজনৰ অৱস্থানত যোৱা ৯ জানুৱাৰী তাৰিখে স্থানীয় লোকসকলে সন্দেশ কৰি সুধপোচ কৰাত আচল তথ্য পোহৰলৈ আহে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান ওদালগুৰি খণ্ডৰ জেণ্ডাৰ স্পেচিয়েলিষ্ট পঞ্চমী স্বৰ্গীয়াৰীয়ে ঘটনাৰ সন্দৰ্ভ ওদালগুৰি আৰক্ষী থানত ৬/৯/২০২৫ তাৰিখে জিডি নম্বৰ ৪৬ত এজাহাৰ দাখিল কৰে। উক্ত এজাহৰৰ ভিত্তিত ওদালগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, শিশু সুৰক্ষা সমিতি, চাইল্ড লাইন আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান ওদালগুৰি খণ্ড জেণ্ডাৰ স্পেচিয়েলিষ্ট আৰু ৰ'জ শিশু প্ৰতিষ্ঠানৰ এটা সজাতি দলে যোৱা ১১ জানুৱাৰীত অৰুণাচল প্ৰদেশলৈ যাত্ৰা কৰি অভিযান আৰম্ভ কৰে। অৰুণাচল প্ৰদেশ আৰক্ষীৰ সক্ৰিয় সহযোগিতাত অৰুণাচল প্ৰদেশ টাৱাং যাংৰ পেট্ৰুল পাম্পৰ সমীপত সুনাম তেশ্ৰিং বাপুৰ ঘৰৰ পৰা অসমৰ পৰা সৰবৰাহ হোৱা শিশুটি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উক্ত সন্দেহযুক্ত ব্যক্তিজন বৰ্তমান আৰক্ষীৰ জিম্মাত আছে বুলি জানিব পৰা গৈছে।

# চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদায় সম্বৰ্দ্ধনা সম্পন্ন



**অসম বাৰ্তা, গেলেকী, ৩১ জানুৱাৰী ঃ** নাজিৰা সমজিলাৰ অন্যতম শিক্ষানুষ্ঠান চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গণেশ সন্দিকৈৰ চাকৰিৰ পৰা অৱসৰকালীন বিদায় সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ সংগীত পৰিৱেশনৰ শুভাৰম্ভ কৰাৰ পিছতে শিক্ষক উৎপল পাচনীয়ে আঁতধৰা বিষয় শিক্ষয়িত্ৰী তথা গোটৰ সভাপতি যোগদা মহন্তই সভাপতিত্ব কৰা সভাত অধ্যক্ষা ৰেণু গোৱালাৰ আদৰণি ভাষণ আগবঢ়াই। ইয়াৰ পিছতেই বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা সমাজকৰ্মী অসমী গগৈ, বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দেউকণ চাংমাই, প্ৰাক্তন অধ্যক্ষা ৰাণীমা গগৈ, অৱসৰী শিক্ষক মহেন্দ্ৰ বৰগোহাঁই, অৰুণ গগৈ, প্ৰবীণ বৰগোহাঁই, উপেন ৰাইদঙীয়া, যুৱতী বৰা, নাজমি বেগমে, লীনা গগৈ উপস্থিত থাকে লগতে সভাত বৰ্তমানৰ আৰু প্ৰাক্তন শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলে বিদায়ী শিক্ষক গণেশ সন্দিকৈ সম্বৰ্ধনা জ্ঞাপন কৰে আৰু সুস্বাস্থ্য তথা দীৰ্ঘায়ু কামনা কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী গিতালী গগৈ, ছাত্ৰী প্ৰাপ্তি বৰগোহাঁই, উদেষ্ণা ৰাজোৱাৰে গীত পৰিৱেশন, প্ৰত্যুষ বৰগোঁহায়ে কবিতা আবৃত্তি কৰি উক্ত অনুষ্ঠানটি জীপাল কৰি তুলে।

# দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সামৰণী অনুষ্ঠাৰ সফল পৰিসমাপ্তি




**অসম বাৰ্তা, দেৰগাঁও, ৩১ জানুৱাৰী ঃ** বৃহত্তৰ দেৰগাঁও অঞ্চলৰ শিক্ষানুৰাগী বিশিষ্ট ব্যক্তিসকলৰ অশেষ ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলশ্ৰুতিত প্ৰতিষ্ঠিত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তীৰ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সামৰণী অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। উজনি অসমৰ অন্যতম মহাবিদ্যালয়খনত সৃষ্টি হোৱা উখল-মাখল পৰিৱেশৰ আজি অন্ত পৰিল। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈয়ে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ পাছতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বিপুল চন্দ্ৰ ভূঞাই মূল পতাকা উত্তোলন কৰাৰ লগতে ষাঠিগৰাকী বিশিষ্ট ব্যক্তিয়ে যাঠিখন পতাকা উত্তোলন কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা বীণা ঠাকুৰ বেজবৰুৱাই স্মৃতি তৰ্পণ কৰাৰ পাছতে ত্ৰিমূৰ্তিত মাল্যাৰ্পণ কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক প্ৰতাপ কন্দলী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভোলা হাজৰিকা, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দাতা সদস্য প্ৰখ্যাত দুৱৰাই। ইয়াৰ পাছতে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিবৰ্তন গোস্বামীয়ে শ্বহীদ তৰ্পণ, দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীয়ে হীৰক জয়ন্তীৰ স্মাৰক উন্মোচন কৰে। অনুষ্ঠানসমূহৰ আঁত ধৰে ড° বঞ্জন বৰঠাকুৰে। ইয়াৰ পাছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দেৰগাঁও সম-জিলাৰ আয়ুক্ত সক্ষমাই গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰাৰ পাছতে বিজ্ঞান প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অৱসৰপ্ৰাপ্ত বিশিষ্ট বিজ্ঞানী তথা লেখক ড° চৌধুৰীনাথ শইকীয়াই। বক্তৃতা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভাত ড° চণ্ডীচৰণ গোস্বামীৰ সম্পাদনাৰে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'কহিনুৰ' উন্মোচন কৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ মাগুলীক সঞ্চালক ড° অনিল চন্দ্ৰ বৰাই। সভাত ডিকেডিয়ানৰ নিৰ্বাচিত গল্প সংকলন উন্মোচন কৰে বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য ড° হেমকান্ত হাজৰিকাই আৰু এখন কাব্য সংকলন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰকাশ কন্দলীয়ে। গ্ৰন্থাগাৰিক ড° জ্ঞানদীপ শইকীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰত্যাশ প্ৰশান্ত তামোলীয়ে আঁতধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈ আৰু অসম কলেজ শিক্ষক সন্থাৰ সভাপতি তুলসী শইকীয়া উপস্থিত থাকে। 'উচ্চ শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগঃ প্ৰত্যাশা আৰু প্ৰত্যাহ্বান' শীৰ্ষক বক্তৃতা প্ৰদান কৰি গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অধ্যাপক ড° মানস কমল ভূঞাই কৃত্ৰিম বুদ্ধিমত্তাৰ সফলতা আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানতে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। প্ৰথম দিনা নিশাৰ ভাগৰ সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা 'গান্ধাৰীৰ অভিশাপ' ভাওনা প্ৰদৰ্শনেৰে প্ৰথম দিনা কাৰ্যসূচী সামৰণি পৰে। দ্বিতীয় দিনা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন মনোমোহা কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাত বিশেষ ভাৱে উপস্থিত থাকে হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী, অতুল বৰা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি বহু গণ্য মান্য ব্যক্তি। তৃতীয় দিনা অৰ্থাৎ অনুষ্ঠানৰ শেষৰ দিনা পুৱাৰ ভাগত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় আৰু দেৰগাঁৱৰ বিভিন্ন শিক্ষানুষ্ঠান, অনুষ্ঠানে হীৰক জয়ন্তীৰ উপলক্ষে অনুষ্ঠিত কৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত ভাগ লোৱা দেখা যায়। শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে সাংস্কৃতিক শোভাযাত্ৰা সামৰণি পৰে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা মুকলি সভাত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাটৰ উপাচাৰ্য, অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় পৰিদৰ্শক, ড° ৰূপম শইকীয়া, অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক পৰাগজ্যোতি মহন্ত, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনকে ধৰি বহু গণ্য মান্য ব্যক্তিয়ে বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে। হীৰক জয়ন্তী অনুষ্ঠানৰ শেষৰ কাৰ্যসূচী হিচাপে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ৰাজ্যৰ জ্যেষ্ঠ অভিনেতা অৰুণ হাজৰিকাই উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানটোত বিশিষ্ট কণ্ঠশিল্পী নয়ন অসম কলীয়াবৰীয়া, লোক-সংস্কৃতিৰ সাধক হীৰক জ্যোতি শৰ্মা আৰু প্ৰিয়ংকা ভৰালীৰ সংগীত সন্ধিয়াই অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে।

চামগুৰিত অগপৰ ভেঁটি নাই; লাওগাঁৱত দলৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

# চামগুৰি সমষ্টিত বিজেপিৰ দলীয় প্ৰাৰ্থী প্ৰদান কৰক

**অসম বাৰ্তা, নগাঁও, ৩১ জানুৱাৰী ঃ** মধ্য অসমৰ চামগুৰি সমষ্টিৰ ৰাজনৈতিক দৃশ্যপট ক্ৰমে আকৰ্ষণীয় হৈ পৰা দেখা গৈছে। চামগুৰি সমষ্টিৰ গড়াজান মণ্ডল আৰু চামগুৰি মণ্ডলৰ অন্তৰ্গত পছিশখন গাঁও পঞ্চায়তৰ প্ৰতিনিধি আৰু দলীয় কাৰ্যকৰ্তাই ২০২৬ত বিজেপি দলৰ প্ৰাৰ্থী প্ৰদান কৰিবলৈ উৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে। আজি সমষ্টিটোৰ লাও গাওঁ হাই স্কুল প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা গড়াজান মণ্ডল বিজেপিৰ সাংগাঁঠনিক সভাত উপস্থিত থকা সকলো বুথ কমিটি, মৰ্চা কমিটি আৰু মণ্ডল কমিটিৰ বিষয়ববীয়া সকলে সজোৰে এই দাবী উত্থাপন কৰিছে। উল্লেখযোগ্য যে, চামগুৰিত কংগ্ৰেছৰ পছিশ বছৰীয়া শাসনৰ অন্ত পেলাই ২০২৪ ৰ উপ নিৰ্বাচনত প্ৰায় পছিশ হাজাৰ ভোটৰ ব্যৱধানত শাসনাধিষ্ঠ বিজেপি দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা বিধায়ক হিচাবে নিৰ্বাচিত হৈছিল। তেতিয়া দিপ্লুৰঞ্জন শৰ্মাৰ হাতত প্ৰভাৱশালী কংগ্ৰেছ নেতা ৰকিবুল হুছেইনৰ পুত্ৰ তানঞ্জিল হুছেইন পৰাজয় বৰণ কৰিছিল। বিগত তৰুণ গগৈৰ শাসনকালত মন্ত্ৰী ৰকিবুল হুছেইনে পোন্ধৰটা বছৰে তেওঁক সমৰ্থন নকৰা এচাম লোকক বিভিন্ন ধৰণৰ ভয় ভাবুকি আৰু নিৰ্যাতন কৰাৰ পৰিপ্ৰেক্ষিতত সমষ্টিখনৰ কংগ্ৰেছ বিৰোধী সাধাৰণ জনতাই চকুৰে সৰিয়হৰ ফুল দেখিছিল। যোৱা লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইনে বিধায়ক পদ ত্যাগ কৰি ধুবুৰী লোকসভা সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হয় আৰু তেওঁৰ একমাত্ৰ পুত্ৰ তানঞ্জিল হুছেইনক দলীয় প্ৰাৰ্থীত্ব দি চামগুৰিবাসীৰ মাজলৈ পঠিয়াই দিছিল। তাতেই ক্ষুণ্ণ হৈ ছল চাই কঠীয়া পেলোৱাৰ দৰে হাজাৰ হাজাৰ কংগ্ৰেছ নেতা কৰ্মী দল সলনি কৰি যোগ দিছিল শাসকীয় বিজেপি দলত। বিজেপিত যোগদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বৰ প্ৰতি আকৃষ্ট হৈ দল সলনি কৰা বুলি দাবী কৰিলেও প্ৰকৃতাৰ্থত দলত্যাগী হাজাৰ হাজাৰ কংগ্ৰেছ কৰ্মীসকলে চামগুৰি সমষ্টিত ৰকিবুল হুছেইনৰ পোন্ধৰ বছৰীয়া ক'লা ৰাজনৈতিক অধ্যায়ৰ পৰা পৰিত্ৰাণ পাবলৈহে বিজেপি দলত যোগদান কৰিছিল আৰু দলীয় প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটত জয়ী কৰাইছিল। প্ৰণিধানযোগ্য যে, ২০২৪ ৰ উপ নিৰ্বাচনৰ আগ মুহূৰ্তলৈকে চামগুৰি সমষ্টিত শাসকীয় মিত্ৰজোঁটৰ কোনো ধৰণৰ সাংগঠনিক ভেটি নাছিল বুলি ক'লেও ভুল কৰা নহ'ব। উপ নিৰ্বাচনত চামগুৰি সমষ্টিৰ অন্তৰ্গত লাওখোৱা ব্লক কংগ্ৰেছৰ নেতা মুজিবুৰ ৰহমানৰ নেতৃত্বত একেদিনাই কেবাহাজাৰ ৰকী পন্থী লোকক লগত লৈ সদল বলে মিত্ৰজোঁটত যোগদান কৰিছিল। গড়াজানৰ নিষ্ঠাবান বিজেপি নেতা বিপ্লৱ তৰফদাৰ, চামগুৰিৰ আৰিফুল কালামকে আদি কৰি সমষ্টিৰ প্ৰায় বিছ খনৰো অধিক পঞ্চায়তৰ বাঘা বাঘা নেতা কৰ্মীৰ নিৰ্ভীক আৰু কঠোৰ পৰিশ্ৰমৰ বিনিময়ত কংগ্ৰেছৰ প্ৰাৰ্থী তানঞ্জিল হুছেইনক হৰুৱাই পছিশ বছৰৰ অন্তত চামগুৰি সমষ্টিৰ বিধায়ক হিচাবে দিপ্লুৰঞ্জন শৰ্মা বিজয়ৰ মালা পিন্ধিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনতো চামগুৰি সমষ্টিৰ মুঠ পছিশখন গাঁও পঞ্চায়তৰ ভিতৰত বিছখন পঞ্চায়ত শাসকীয় মিত্ৰজোঁটৰ দখললৈ আনিবলৈ সক্ষম হোৱা দেখা যায়। তদুপৰি নিকা আৰু নিজৰ কৰ্মদক্ষতাৰ বাবেই সম্প্ৰতি বিধায়ক দিপ্লুৰঞ্জন শৰ্মা সমষ্টিটোৰ এজন জনপ্ৰিয় বিধায়ক হিচাবে ইতিমধ্যে জনাজাত হৈ পৰা দেখা গৈছে। কেউফালৰ পৰা লক্ষ্য কৰিলে শাসকীয় বিজেপিৰ বাহিৰে চামগুৰি সমষ্টিত আন দলৰ সাংগাঁথনিক ভেটি তেনেই থৰক বৰক। অৱশ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰধান অংশীদাৰ হিচাপে অসম গণ পৰিষদে ২০২৬ ৰ বাবে মধ্য অসমত চামগুৰিকে আদি কৰি মুঠ তিনিটা সমষ্টি দাবী কৰিছে যদিও চামগুৰি সমষ্টিৰ অন্তৰ্গত দুখন কৈ বিজেপিৰ মণ্ডল কমিটিৰ উপৰিও মহিলা মৰ্চা, যুৱ মৰ্চা, কৃষাণ মৰ্চা, সামাজিক মাধ্যম, আই টি চেলৰ লগতে সংখ্যালঘু মৰ্চাৰ কমিটি বোৰে অসম গণ পৰিষদৰ এই দাবী কোনো পধ্যেই মানি লব পৰা নাই। অসম গণ পৰিষদৰ নগাঁও জিলাৰ সভাপতি মণি মাধৱ মহন্তৰ এই দাবীত স্তমভিত হৈ পৰিছে বিজেপিৰ জিলা আৰু সমষ্টি কমিটিৰ বহু নিষ্ঠাবান নেতা আৰু কাৰ্যকৰ্তা সকল। নগাঁও জিলা বিজেপিৰ সম্পাদক জিতু বৰাৰ উপস্থিতিত আজি অনুষ্ঠিত হোৱা বিশাল বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত সকলোৱে এক মুখে চামগুৰি সমষ্টিত বিজেপিৰ দলৰ দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক অনুৰোধ জনাইছে।

# মোৰাঝাৰত হবিব মোহাম্মদ চৌধুৰীৰ বৃহৎ ৰেলী

**অসম বাৰ্তা, ডবকা, ৩১ জানুৱাৰী ঃ** এসময়ৰ আজমলৰ দূৰ্গখ্যাত যমুনামুখ সমষ্টি বৰ্তমানৰ বিন্নাকান্দি সমষ্টিৰ মোৰাঝাৰত হবিব মোহাম্মদ চৌধুৰীয়ে বৃহৎ ৰেলীৰ আয়োজন কৰি আজি এক নিৰ্বাচনী প্ৰচাৰ চলায়। মোৰাঝাৰ খেল পথাৰৰ পৰা এক বৃহৎ ৰেলীৰে পৰিবৰ্তনৰ যাত্ৰা উন্নয়নৰ দিশে এই কাৰ্যসূচীৰ পঞ্চমখন ৰেলী ৰূপায়ণ কৰে নেতা গৰাকীয়ে। প্ৰায় দুই শতাধিক গাড়ীৰে এই ৰেলীৰে মোৰাঝাৰ, বুৰুঙাতলি চাৰিং হৈ চৌধুৰী বজাৰ চামৰালি লৈকে হয় এই ৰেলী। এই প্ৰচাৰ অভিযানত ঠায়ে ঠায়ে ৰাইজে ব্যাপক সমৰ্থন দিয়া পৰিলক্ষিত হয়। এই ৰেলীৰ অন্তত বিজেপি সংখ্যালঘু নেতা হবিব মোহাম্মদ চৌধুৰীয়ে সাংবাদিকৰ মুখামুখিত কয় সংখ্যালঘু ৰাইজে এটাও ভোট নিদিলে বিজেপি চৰকাৰ হব। দিল্লীতো বিজেপি চৰকাৰ অসমতো ২৬ত আকৌ বিজেপি চৰকাৰ হব। সংখ্যালঘু ৰাইজৰো চৰকাৰৰ দৰকাৰ আছে। সুখ দুখৰ কথা কোৱাৰ মানুহৰ প্ৰয়োজন আছে। সেয়ে ডবল ইঞ্জিন চৰকাৰক উন্নয়নৰ স্বাৰ্থত সংখ্যালঘু ৰাইজে ২৬ ত বিজেপিত ভোট দিয়াৰ আহ্বান জনায়। লগতে বিজেপিৰ প্ৰাৰ্থীত্ব সন্দৰ্ভত কয় মিত্ৰদল তিনিবাৰ হাৰিছে সেয়ে দলীয় নেতৃত্বই এইবাৰ বিজেপিক দিব বিন্নাকান্দি সমষ্টি। ইপিনে আজমলৰ দূৰ্গখ্যাত সমষ্টিৰ প্ৰাৰ্থীত্ব সম্পৰ্কে সাংবাদিকে কৰা প্ৰশ্ন উত্তৰত কয় যোৱা তিনি বছৰে ঘূৰি দেখিছোঁ এআইইউডিএফৰ কোনো জনপ্ৰিয়তা নাই, ৰাইজে ভোট দি শুদ্ধ কৰিছে কিন্তু আজমলে ভুল কৰিলে। আমাক ভোট দি ভুল কৰক আমি শুদ্ধ কৰিম বুলি গুৰুত্বপূৰ্ণ মন্তব্য দিয়ে।

মুকলি কৰে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাচনীয়ে

# বকোত নতুনকৈ স্থানান্তৰ জিতু ইলেকট্ৰনিক আৰু ম'বাইল দোকান

**অসম বাৰ্তা, বকো, ৩১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ চাৰিআলি কাষতে লাগি থকা পুৰনা পঞ্জাৱ বেংক প্ৰথম মহলাত মুকলি হ'ল জিতু ইলেকট্ৰনিক আৰু মবাইল দোকান। ৰঙা ফিতা কাটি শুভ উদ্বোধন কৰে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাচনিয়ে। বকো বাসীৰ বাবে এক সুখবৰ। বকো চাৰি আলীৰ কাষতে লাগি থকা নতুনকৈ স্থান্তৰ কৰা হল জিতু ইলেকট্ৰনিক আৰু মবাইল ষ্টোৰ। বকো বাসীৰ লগতে বিভিন্ন অঞ্চলৰ পৰা সহজে লাভ কৰিব মবাইল ফোনৰ লগতে ইলেক্ট্ৰনিক সামগ্ৰী।

উপস্থিত অগপৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাস

# ধমধমাৰ পশ্চিম মহিনাত ৮৪ সংখ্যক শ্ৰীশ্ৰী ভীষ্ম একাদশী মহোৎসৱ সম্পন্ন

**অসম বাৰ্তা, ধমধমা, ৩১ জানুৱাৰী ঃ** সমাগত ২৬ ৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। যাৰ অংশ হিচাপে অসম গণ পৰিষদ দলেও ব্যাপক তৎপৰতা অৱলম্বন কৰিছে। ধমধমা নিকটৱৰ্তী পশ্চিম মহিনাত ভীষ্ম একাদশী মহোৎসৱত বৃহস্পতিবাৰে উপস্থিত হয় অসম গণ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাস। অগপ নেতা গৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ ৰাজনৈতিক মন্তব্য কৰে পশ্চিম মহিনাৰ ৮৪ সংখ্যক শ্ৰীশ্ৰী ভীষ্ম একাদশী মহোৎসৱথলীত। নলবাৰী, বৰক্ষেত্ৰী আৰু টিহুকে ধৰি তিনিটা সমষ্টিৰ ভিতৰত যিকোনো এটা সমষ্টি অগপক দিলে আপত্তি কৰিবলগীয়া নাই। আমি সাংগঠনিকভাৱে নলবাৰী সমষ্টিত শক্তিশালী। দিপীল কুমাৰ দাসে কয় যে দলে যি দায়িত্ব দিয়ে আমি দায়িত্ব লবলৈ সাজু আছোঁ। আগন্তুক বিধানসভা নিৰ্বাচনত নলবাৰী জিলাৰ তিনিটা সমষ্টিৰ ভিতৰত অসম গণ পৰিষদক এটা সমষ্টি লাগিবই বুলি তেওঁ দৃঢ়তাৰে মন্তব্য কৰে।

আঘাতপ্ৰাপ্তৰ উন্নত চিকিৎসা, ক্ষতিপূৰণ, দিনৰ ভাগত অইলৰ গাড়ী বন্ধ ৰখাৰ দাবীত বাঘজান আৰক্ষী থানা ঘেৰাও কাৰ্যসূচী

# অইলৰ গাড়ীৰ দৌৰাত্মত অষ্টম শ্ৰেণীৰ ছাত্ৰৰ আহত; সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ৩১ জানুৱাৰী ঃ** অইল ইণ্ডিয়া লিমিটেডে তিনিচুকীয়া জিলাৰ বাঘজান, দীঘলটৰং অঞ্চলত দীৰ্ঘদিন ধৰি তৈল খনন আৰু উৎপাদন কৰি আহিছে। তাৰ মাজতে অইল ইণ্ডিয়াৰ কিছুমান থলুৱা বিৰোধী নীতি আৰু প্ৰকৃতি ধ্বংসৰ কাৰক হিচাপে থিয় দিয়াৰ বাবে অইল ইণ্ডিয়াই তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হৈ আহিছে। উল্লেখ্য যে, শেহতীয়াকৈ যোৱা ২৯ জানুৱাৰী তাৰিখে দীঘলটৰং চাহ বাগিচাত বৰ্তমান তৈল খনন কৰি থকা তৈল কূপলৈ সামগ্ৰী কঢ়িওৱা ট্ৰেলাৰ গাড়ীয়ে (গাড়ীৰ নং MH-46BU-4877) বাগিচাৰ অষ্টম শ্ৰেণীত পঢ়ি থকা এজন শিশুক মহতিয়াই নিয়ে। ফলত শিশুগৰাকীৰ দুয়োটা ভৰি গুৰুতৰ আঘাত পোৱাৰ লগতে শৰীৰৰ বিভিন্ন অংগত আঘাতপ্ৰাপ্ত হয়। ঘটনাৰ খবৰ অনুসৰি মন্ত্ৰী ৰূপেশ গোৱালাৰ অনুষ্ঠান উপভোগ কৰি ঘৰলৈ উভতি পুনৰ দোকানলৈ বুলি তিনিআলিফালে ওলাই গৈছিল শিশু বিনয় ভূমিজে। তেনেসময়তে দীঘলটৰং চাহ বাগিচাত কুইপ' কোম্পানীয়ে খনন কৰি থকা তৈল কূপলৈ যোৱা চালাম বজাৰৰ ট্ৰেলাৰে সংঘটিত কৰে ভয়ংকৰ পথ দুৰ্ঘটনা। ঘটনাৰ পাছতে ততাতৈয়াকৈ শিশুগৰাকীক তিনিচুকীয়াৰ এছ কে দে হস্পিতালত ভৰ্তি কৰে। স্মৰ্তব্য যে, এনেধৰণৰ ঘটনা এই অঞ্চলটোৰ বাবে কোনো নতুন নহয়, বিগত সময়ত এনেধৰণৰ বহুকেইটা ঘটনা সংঘটিত হৈ আহিছে। ২০২২ চনত বাঘজান গাঁৱৰ এজন তেজাল যুৱকক অইলৰ ঠিকাদাৰী প্ৰতিষ্ঠান এম আৰ ডি কোম্পানীৰ এখন বলেৰ' বাহনে দুৰ্ঘটনা সংঘটিত কৰি মৃত্যু মুখলৈ ঠেলি দিছিল। পৰৱৰ্তী ২০২৫ চনৰ শিৱৰাত্ৰিৰ দিনা আন দুগৰাকী শিশু এখন ট্ৰেলাৰৰ সৈতে সংঘটিত হয় শোকাবহ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত মৃত্যু হয় ১৪ বছৰীয়া এটি শিশুৰ। পুনৰ শুক্ৰবাৰে আবেলি প্ৰায় ৪ বজাত সংঘটিত এনে ঘটনাৰ পিছতে তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হৈছে অইল ইণ্ডিয়া লিমিটেডে। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত শিশু বিনয় ভূমিজ ক্ৰীড়া ক্ষেত্ৰখনত আছে সুন্দৰ প্ৰতিভা। ইতিমধ্যে ফুটবল, এথলেটিক আদি বিভিন্ন খেলৰ জৰিয়তে পাৰদৰ্শিতা দেখুৱাই অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, বিনয় ভূমিজৰ মাতৃও কিছুদিনৰ পূৰ্বে এক পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈ বৰ্তমানেও চিকিৎসা সেৱা আগঢ়াই থাকিব লগীয়া হৈছে। তাৰ মাজতে পুত্ৰৰ এই ঘটনাৰ বাবে দুখত ভাগি পৰিছে মাতৃগৰাকীয়ে। বিনয় ভূমিজৰ উন্নত চিকিৎসা, পৰিয়ালটিক ক্ষতিপূৰণ প্ৰদান কৰা, শিশুটিৰ ভৱিষ্যত নিৰাপত্তা আৰু নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবীত শুক্ৰবাৰে দীঘলটৰং চাহ বাগিচাৰ কেইবা শতাধিক ৰাইজে বাঘজান আৰক্ষী থানা ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ কৰে। লগতে চাহ জনজাতি ছাত্ৰ সন্থা বাঘজান দীঘলটৰং উপ শাখা সমিতিৰ তৰফৰ অইল ইণ্ডিয়াৰ এনে কাণ্ডৰ বাবে তীব্ৰ ভাষাৰে জনায় আৰু অনাগত দিনত দিনৰ ভাগত অইলৰ কোনো ধৰণৰ গাড়ী চলাচল বন্ধ ৰাখিবলৈ দাবী জনায়। প্ৰতিবাদস্থলীত প্ৰশাসন আৰু বিভাগীয় কৰ্তৃপক্ষ উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে উন্নত চিকিৎসা সেৱা আৰু এক কালিন সাহায্য প্ৰদানৰ সন্দৰ্ভত আলোচনাত মিলিত হয়।

# আজিৰে পৰা দ্বীপজ্যোতি চাৰণপাৰা ক্লাবৰ গৌৰৱোজ্জ্বল স্বৰ্ণ জয়ন্তী

উদুলি-মুদুলি নৰেশ্বৰ নাথ সোঁৱৰণী ক্ষেত্ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩১ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰণপাৰা গাঁৱত ১৯৭৫ চনতে প্ৰতিষ্ঠা লাভ কৰা দ্বীপজ্যোতি চাৰণপাৰা ক্লাবৰ গৌৰৱোজ্জ্বল স্বৰ্ণ জয়ন্তী উৎসৱটি আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজিত নৰেশ্বৰ নাথ সোঁৱৰণী ক্ষেত্ৰত উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। আজিৰ পৰা ১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া স্বৰ্ণ জয়ন্তী উৎসৱৰ প্ৰথম কাৰ্যসূচী পুৱা পৰিৱেশ নিকাকৰণেৰে শুভাৰম্ভ কৰা পিছতে বন্তি প্ৰজ্বলন কৰে দিবাকৰ শৰ্মাই। ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি ভূপেন্দ্ৰ চন্দ্ৰ নাথে। স্বৰ্ণ জয়ন্তী উদযাপন সমিতিৰ সভাপতি জৌশ্ৰাং বড়োৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা উত্তোলন কৰা হয় স্বৰ্ণ জয়ন্তী উৎসৱৰ ৫০খনকৈ পতাকা। বিশিষ্ট ব্যক্তিৰ দ্বাৰা স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা পিছতে কেবা গৰাকী লোকে ক্লাবৰ চৌহদত নাহৰৰ পুলি ৰোপণ কৰে। ১১-৩০ বজাত ক্লাবৰ মূল তোৰণ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত ভাৰতীয় সৈনিক কমলেশ্বৰ নাথে। ১২ বজাত ৰভা-মঞ্চ উন্মোচন কৰে মৌগাঁও মিলন হাইস্কুলৰ প্ৰধান শিক্ষক হিৰণ শৰ্মাই। দুপৰীয়া অনুষ্ঠিত কাবাডী খেল প্ৰতিযোগিতা টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়াই উদ্বোধন কৰে। আনহাতে আবেলি ৩ বজাত ভূপেন্দ্ৰ সংগীত আৰু বিষ্ণু প্ৰসাদ ৰাভা সংগীতৰ আধাৰত সৃজনীমূলক নৃত্য প্ৰতিযোগিতা আৰু সন্ধিয়া ৫০ গছি বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰে। দ্বিতীয় দিনৰ কাৰ্যসূচী সমূহৰ ভিতৰত থাকিব চিত্ৰাংকন প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। অন্তিম তথা তৃতীয় দিনৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব ৰাতিপুৱা ৮ বজাত। ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰা। দুপৰীয়া ১২-৩০ বজাত জৌশ্ৰাং বড়োৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব মৌগাঁও মিলন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গণেশ শৰণীয়াই। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক উত্তম কলিতাই। মুকলি সভাত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী, কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, জিলা আয়ুক্ত পুলক পাটগিৰি, বিধায়ক দুৰ্গা দাস বড়ো, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব খৈৰাবাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° জ্যোতিমা দেবীয়ে। সন্ধিয়া আমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

# সৰুপথাৰত তাই আহোম ছাত্ৰ সন্থা (আটাছু) সৰুপথাৰ সমজিলা সমিতিৰ উদ্যোগত ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফি অনুষ্ঠিত



**অসম বাৰ্তা, সৰুপথাৰ, ৩১ জানুৱাৰী ঃ** আহোমসকলৰ পৰম্পৰাগত পৱিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি অনুষ্ঠানৰ ৰাজ্যজুৰি আয়োজন। আহোম লোকসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলক স্মৰণ কৰি 'মে-ডাম-মে-ফী'ৰ এই বিশেষ দিনটোতে অনুষ্ঠিত কৰি আহিছে। সৰুপথাৰতো ঠায়ে ঠায়ে 'মে-ডাম-মে-ফী'ৰ আয়োজন। সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু) সৰুপথাৰ সমজিলা সমিতি আৰু সমজিলাবাসী ৰাইজৰ সহযোগত সৰুপথাৰ নগৰৰ ছ্যুকাফা শিশু উদ্যানত অনুষ্ঠিত হৈছে ষষ্ঠ বাৰ্ষিক কেন্দ্ৰীয় মে-ডাম-মে-ফি। সমান্তৰালকৈ সৰুপথাৰৰ নাহৰণিত অৱস্থিত টাই সংস্কৃতি বিকাশ কেন্দ্ৰতো অনুষ্ঠিত হৈছে 'মে-ডাম-মে-ফি'। সৰুপথাৰৰ ছ্যুকাফা শিশু উদ্যানত পতাকা উত্তোলন, মৈডাম তৰ্পণ, মে-ডাম-মে-ফি'ৰ মাংগলিক অনুষ্ঠান, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু ডামচাও ডিম্বেশ্বৰ গগৈৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গছপুলি ৰোপণ কাৰ্যসূচী, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা আৰু মে-ডাম-মে-ফিৰ ওপৰত আলোচনা চক্ৰ ইত্যাদি কে'বাটাও উল্লেখনীয় কাৰ্যসূচী সম্পন্ন হয়। মে-ডাম-মে-ফি অনুষ্ঠানত উপস্থিত আছিল সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, তাই আহোম ছাত্ৰ (আটাছু)ৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, আটাছু কেন্দ্ৰীয় সাংগঠনিক সম্পাদক গৌতম লাহন, সাংস্কৃতিক বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ধৰ্মেশ্বৰ দুৱৰা, গোলাঘাট জিলাৰ পূৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৱনি গগৈ, সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্ত, সৰুপথাৰ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰেমকান্ত বৰা, আটাছু সৰুপথাৰ সমজিলা সমিতিৰ সভাপতি নিপু সন্দিকৈ, সম্পাদক ঋতুৰাজ গগৈ, উদযাপন সমিতিৰ সভাপতি দিলিপ কোঁৱৰ, সম্পাদক মণ্টু গোঁহাই।

# কচুৱাৰ জুৰিৰপাৰ আই. আৰ. ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ বাৰ্ষিক খেল-ধেমালি সমাপ্তি

**অসম বাৰ্তা, কামপুৰ, ৩১ জানুৱাৰী ঃ** নগাঁও জিলাৰ কঠীয়াতলি শিক্ষাখণ্ডৰ অন্তৰ্গত কচুৱাৰ জুৰিৰপাৰস্থিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান আই. আৰ. ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ বাৰ্ষিক খেল-ধেমালি আজি সফল সামৰণি পৰে। বিগত বৰ্ষৰ দৰে এইবাৰো তিনিদিনীয়াকৈ অনুষ্ঠিত হয় বাৰ্ষিক খেল-ধেমালি। বিদ্যালয়খনৰ খেলপথাৰত দৌৰ, টেকেলি ভঙা, লংজাম্প, হাইজাম্প, ফুটবল বল, ৰচী টনা, আদি কৰি বিভিন্ন খেল ধেমালিৰ অন্তত আজি অন্তিম দিনা কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি আৰু বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে। ইয়াৰ পিছত আদৰণি আৰু সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক গুলজাৰ হুছেইনে আঁত ধৰা অনুষ্ঠানত প্ৰধান শিক্ষক ইমদাদুল হুছেইন, হিৰামণি কাকতি, ছাব্বিৰ আহমেদ, পীতিজ দাস, ছাবিনা য়াচমিন, চুনিল চুৱা, ফৌজিয়া পাৰবিনক ফুলাম গামোচা আদৰণি জনায় ছাত্ৰ-ছাত্ৰী সকলে। আনহাতে খেলত জয়ী হোৱা ছাত্ৰ-ছাত্ৰী সকলক কিতাপ, জ্যামিতি, কলম আদিৰে সম্বৰ্দ্ধনা জনোৱা হয়। ভাষণ প্ৰসংগত শিক্ষক সকলে কয় যে খেল ধেমালিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত উপকৃত হয়।

অভয়াপুৰীৰ হিন্দু সন্মিলনত আৰ এছ এছৰ কিশোৰ শিৰমৰ

# "কেৱল এটা দল বা কেৱল যঁতৰ ঘূৰাই ভাৰতে স্বাধীনতা পোৱা নাছিল"

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৩১ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ এশ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজি বঙাইগাঁও জিলা অভয়াপুৰী খণ্ডৰ উদ্যোগত হিন্দু সন্মিলন অনুষ্ঠিত হৈ যায়। অভয়াপুৰী মাৰোৱাৰী সমাজৰ অতিথি শালা প্ৰাংগনত অনুষ্ঠিত হিন্দু সন্মিলনত মুখ্য অতিথি হিচাৱে অংশ গ্ৰহণ কৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ প্ৰচাৰ প্ৰমুখ কিশোৰ শিৰমে ভাষণ প্ৰসংগত কয় যে সেৱক সংঘই ব্যক্তি নিৰ্মাণৰ জৰিয়তে হিন্দু সমাজৰ সৰ্বাংগীণ উন্নতি, হিন্দু সমাজক সংগঠিত কৰাৰ লগতে ভাৰতমাতাক বিশ্ব গুৰুৰ আসনত প্ৰতিষ্ঠা কৰাৰ বাবে বিগত সময়ত কাম কৰি আহিছে। গোপাল চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হিন্দু সন্মিলনত কিশোৰ শিৰমে আকৌ কয় যে কোনো ধৰ্ম-বৰ্ণ বা জাতিক বিৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ স্থাপন হোৱা নাই। প্ৰচাৰ প্ৰমুখ কিশোৰ শিৰমৰ আকৌ কয় যে ভাৰতবৰ্ষ প্ৰাচীন ৰাষ্ট্ৰ, ভাৰতবৰ্ষ হিন্দু ৰাষ্ট্ৰ বুলি আৰ, এছ, এছে স্বীকাৰ কৰি অহা বুলি সদৰি কৰি পুনৰ কয় - অৱশ্যে, ভাৰতবৰ্ষক শত্ৰু জ্ঞান কৰা বা দেশৰ অনিষ্ট কৰিব বিচৰা শক্তি সমূহৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই বিৰোধিতা কৰিবই। আনহাতে, এচামে দাবী কৰা অহাৰ দৰে কেৱল এটা দল বা কেৱল যঁতৰ ঘূৰাই ভাৰতবৰ্ষৰ স্বাধীনতা প্ৰাপ্ত হোৱা নাছিল। সুভাষ বসুৰ আজাদ হিন্দ ফৌজ, মংগল পাণ্ডে, খুদিৰাম বসু, কুশল কোঁৱৰ আদি মহান লোক সকলৰ উমৈহতীয়া প্ৰচেষ্টাৰ ফলতহে দেশ স্বাধীন হৈছিল বুলি প্ৰান্ত প্ৰচাৰ প্ৰমুখ গৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ আকৌ কয় ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উদ্দেশ্যই হ'ল সমাজ সংগঠিত কৰি সমাজ শক্তিশালী কৰা। এই কাৰ্য গতিশীল কৰিবলৈ সংঘই স্বয়ংসেৱক আৰু কাৰ্যকৰ্তা নিৰ্মাণৰ বাবে বিগত এশ বছৰ ধৰি প্ৰয়াস কৰি আহিছে। সনাতন ধৰ্মাৱলম্বী বিভিন্ন পন্থাৰ পন্থাৰ মাজত সমন্বয় আৰু হিন্দু সমাজক স্ব-ধৰ্ম আৰু স্ব-জাতি সন্দৰ্ভত সজাগ কৰাৰ অৰ্থে অনুষ্ঠিত হিন্দু সন্মিলনৰ আৰম্ভণিতে ভাৰত মাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। সন্মিলনৰ আৰম্ভণিতে মহিলাৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শন হয়। আৰ এছ এছৰ কাৰ্যকৰী সদস্য সুবল সাহাই আঁত ধৰা আৰু অৱসৰী শিক্ষয়িত্ৰী মীনা কুমাৰী মণ্ডলে ভাষণ দিয়া সন্মিলনখনত হিন্দুত্ব বিষয়ৰ ওপৰত অৱসৰপ্ৰাপ্ত শিক্ষক অশোক কুমাৰ শৰ্মাই কয় 'আমাৰ পূৰ্বজসকলৰ কঠোৰ সাধনা আৰু ত্যাগৰ মন্ত্ৰেৰে গঢ়ি থৈ যোৱা - ভাৰতবৰ্ষৰ পুৰাতন সনাতনী সমাজখনৰ আজি বিভিন্ন ক্ষেত্ৰত গভীৰ প্ৰত্যাহ্বান আহি পৰিছে। সেয়ে আমি এই সময়ত জাতি, জনগোষ্ঠী, পন্থাৰ ঊৰ্ধৱত গৈ সম্প্ৰীতিৰ এনাজৰীৰে হিন্দু সমাজখন আগুৱাই নিব লাগিব।

# বকোৰ ২ নং বালাপাৰা (নোৱাপাৰা)ত ৫১৬ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন



**অসম বাৰ্তা, বকো, ৩১ জানুৱাৰী ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ শৌৰ্য্য বিৰ্য্যৰ প্ৰতীক বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক বৰ্ষৰ জন্মজয়ন্তী বৰ্ষ বিগত বছৰবোৰৰ দৰে এই বৰ্ষও বকোৰ ২ নং বালাপাৰা (নোৱাপাৰা)ত আয়োজন কৰা হৈছে। উল্লেখ্য যে; বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু স্থানীয় শাখা সমিতিৰ সহযোগত প্ৰতি বছৰে পালন কৰি আহিছে চিলাৰায় দিৱস। ইফালে এই বৰ্ষও সংগঠনটোৱে আঞ্চলিক সমিতিৰ অন্তৰ্গত ২ নং বালাপাৰা (নোৱাপাৰা) গাঁও শাখাৰ সহযোগত তথা আইমাতৃ সকলোৰ প্ৰচেষ্টাত আয়োজন কৰা হৈছে ৫১৬সংখ্যক বৰ্ষৰ চিলাৰায় দিৱস। ইফালে ২ নং বালাপাৰা (নোৱাপাৰা) গাঁৱৰ ৰাজহুৱা খেলপথাৰত আয়োজিত হৈছে চিলাৰায় দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচী। বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস আৰু সম্পাদক অৰবিন্দ দাসে জনোৱা অনুসৰি চিলাৰায় বীৰ জনাৰ জন্মজয়ন্তী বৰ্ষ আজি ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুই দিনীয়াকৈ আয়োজন কৰা হৈছে। ইফালে বিস্তৃত কাৰ্য্যক্ৰমণিকা অনুসৰি ৩১ জানুৱাৰীত পুৱা সমূহীয়া চাফাই অভিযান; গছপুলি ৰোপণ; আৰু বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ আৰু আঞ্চলিক মহিলা সন্মিলনীৰ পৃথকে পৃথকে প্ৰতিনিধি সভা। প্ৰতিনিধি সভাত জনগোষ্ঠীটোৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰা হয়। লগতে জনগোষ্ঠীটোৰ জনজাতিকৰণৰ সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

৫ গৰাকীকৈ যুৱক-যুৱতী বঁটা প্ৰদান

# বিজনীত বিজনী বিধানসভা সমষ্টি ভিত্তিত যুৱ সন্মিলন

**অসমবাৰ্তা, বিজনী, ৩১ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত শুকুৰবাৰে ভাৰতীয় জনতা যুৱ মৰ্চাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত ২০ নং বিজনী বিধানসভা সমষ্টি ভিত্তিত যুৱ সন্মিলন অনুষ্ঠিত হয়। উক্ত সন্মিলনত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মা, ৰাজ্যিক বিজেপি যুৱ মৰ্চাৰ সম্পাদক ৰঞ্জন দাস, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, ৰাজ্যিক বিজেপিৰ অবিচি মৰ্চাৰ প্ৰাক্তন সম্পাদক অৰূপ কুমাৰ নাথ, চিৰাং জিলা বিজেপি যুৱ মৰ্চাৰ সভাপতি কমল চন্দ্ৰ দাস সাধাৰণ সম্পাদক সত্যজিৎ দাসসহ অতিথি বৃন্দ উপস্থিত থাকে। উক্ত সন্মিলনত সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা আগবঢ়োৱা ৫ গৰাকীকৈ যুৱক-যুৱতী ক্ৰমে হিমাক্ষী পাঠক(কণ্ঠ শিল্পী), মনিকুট ৰায়(চিত্ৰকৰ), অনুপম ভৌমিক(কণ্ঠ শিল্পী), ৰাজেশ বসুমতাৰী(ফুটবল খেলুৱৈ)আৰু সনাতন মণ্ডলক(মৃৎ শিল্পী) বঁটা প্ৰদান কৰা হয়।

নলবাৰীৰ যজ্ঞভূমিত ৰাইজৰ প্ৰতিবাদ উত্তাল

# "হিমন্ত বিশ্বই সাংবিধানিক পদত থাকি অসমত জঘন্য সাম্প্ৰদায়িকতা বিয়পাইছে"

**অসম বাৰ্তা, নলবাৰী, ৩১ জানুৱাৰী ঃ** সাম্প্ৰতিক সময়ত আমাৰ ৰাজ্যৰ সাংবিধানিক পদত উপবিষ্ট হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি ধৰণে জনসাধাৰণৰ মাজত জঘন্য সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাইছে ৰাজ্যখনৰ বিবেকবান লোক মাত্ৰেই আশ্চৰ্যান্বিত হৈছে। মুখ্যমন্ত্ৰী সদম্ভে ঘোষণা কৰিছে যে তেওঁৰ নিৰ্দ্দেশতেই ভোটাৰ তালিকা পুনৰীক্ষণৰ সময়ত অভিযোগ দাখিল কৰি উৎপাত কৰিছে। "যি হয় হ্ব হাৰাশাস্তি তো হৈছে" বুলি কবলৈ তেখেতে লজ্জাবোধ কৰা নাই। চি পি আই (এম) ৰ পক্ষৰ পৰা দাবী জনাইছো এয়া জাতিধ্বংস কৰা প্ৰক্ৰিয়া। আমাৰ দাবী এজনো বিদেশীৰ নাম ভোটাৰ তালিকাত যাতে সোমাব নোৱাৰেতখৰ নিশ্চয়তা লাগে ডাবল ইঞ্জিনৰ চৰকাৰৰ পৰা। আনহাতে এজনো দেশৰ নাগৰিকৰ ভোটাধিকাৰ হৰণ কৰা নচলিব। পুৰণা সেই নাটকখনৰ দৃশ্যবোৰৰ অবতাৰণা কৰি জাতি মাটি ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে এতিয়া জাতি মাটি ভেটি ধ্বংস কৰা কদৰ্য কৰ্মত জড়িত হৈ পৰিছে। এম জি এনৰেগা বাতিল কৰি গ্ৰাম্য জনসাধাৰণক বঞ্চনা কৰিব বিচৰা হৈছে। চৰকাৰৰ চক্ৰান্ত ইচ্যু ডাইভাৰ্ট কৰা। কৰ কাটলৰ বোজা, মূল্যবৃদ্ধি ভূমিৰ কেলেংকাৰীৰ পৰা ৰাইজৰ দৃষ্টি আনফালে ঢাল খুৱোৱাৰ স্বাৰ্থতে মিঞা মুছলমান ভীতি সঞ্চাৰিত কৰা হৈছে। আজি নলবাৰীৰ যজ্ঞভূমি চকত সন্ধিয়া শতাধিক লোক সমবেত হোৱা প্ৰতিবাদী জনাকীৰ্ণ পথসভাত ভাষণ ৰাখি এইদৰে কয় চি পি আই (এম)ৰ নলবাৰী জিলা সম্পাদক ৰবীন মিশ্ৰই। সভা আনকেইবাজনেও ভাষণ ৰাখি কয় যে চি পি আই (এম) দলে জিলা প্ৰশাসন, জিলা নিৰ্বাচনী বিষয়া নিষ্ক্ৰিয় হলে নহব। নিষ্ঠাৰে সাংবিধানিক দ্বায়িত্ব পালন কৰাৰ দাবী জনায়। অনিল মহন্ত, মনোৱাৰ হুছেইন, প্ৰদীপ ৰাজবংশী, পঞ্চায়ত সদস্য ৰুবুল আলী, ৰহমান আলী, জালাল আলী, আফজল হুছেইন, ভইনুৰ আলী, ইউনুছ আলী, হাতেম আলী, পহাৰ আলী, কন্দৰ্প শৰ্মা, তপছেৰ আলী, ধৰম আলী, মজনুৰ আলী সহ বহুসংখ্যক লোকৰ নেতৃত্বত হোৱা সভাৰ আদিতে এটি প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰী সকলে ভোটাধিকাৰ হৰণ কৰি ক্ষমতাৰ গাদী খামুচী থকা দুঃস্বপ্ন পৰিত্যাগ কৰক, বিভিন্ন আচঁনিৰ হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত চলা ৰাজনীতিকৰণ বন্ধ কৰক, সকলো দুখীয়া পৰিয়ালকে চৰকাৰী আঁচনি সমূহত সংকীৰ্ণতা পৰিহাৰ কৰি হিতাধিকাৰী নিৰ্বাচন কৰক আদি শ্লোগানেৰে যজ্ঞভূমি চকৰ হাজো নলবাৰী পথ উত্তাল কৰে।

# কামৰূপ জিলা মেলেৰিয়া বিভাগৰ প্ৰশসংনীয় পদক্ষেপ

**অসম বাৰ্তা, কমলপুৰ, ৩১ জানুৱাৰী ঃ** কামৰূপ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই কমলপুৰৰ মেলেৰিয়া পৰিদৰ্শক হাৰেজ আলীক অৰ্পণ কৰে পেঞ্চন তথা আৰ্থিক পাওনা নিষ্পতিৰ সুবিধা। সদৌ অসম মেলেৰিয়া কৰ্মচাৰী সন্থাৰ (AAMEA) তৎপৰতাত কামৰূপ জিলা মেলেৰিয়া বিভাগৰ মুখ্য সহায়ক ভূপেন দাসৰ বিশেষ প্ৰচেষ্টাত এই পদক্ষেপ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে কামৰূপ জিলা মেলেৰিয়া বিভাগৰ প্ৰথমটো উল্লেখনীয় পদক্ষেপ। এদিনো চৰকাৰী কাৰ্যালয়লৈ বাটকুৰি নবোৱাকৈ পেঞ্চনৰ সুবিধা প্ৰদান কৰে মেলেৰিয়া পৰিদৰ্শক হাৰেজ আলীক। এই পদক্ষেপে চৰকাৰী কৰ্মচাৰীৰ মনোবল বৃদ্ধি কৰিব বুলি উল্লেখ কৰে জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই। অৱসৰ গ্ৰহণৰ দিনাই পেঞ্চনৰ সুবিধা লাভ কৰি আনন্দিত হাৰেজ আলী ধন্যবাদ জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। উল্লেখ্য, পেঞ্চনৰ সকলো কাম নিয়াৰিকৈ সম্পাদন কৰাৰ বাবে মেলেৰিয়া বিভাগৰ মুখ্য সহায়ক ভূপেন দাসক ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনাই জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই। অনুষ্ঠানত কামৰূপ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অজিত দাস, জিলা মেলেৰিয়া বিষয়া ঋতুপৰ্ণা ৰাজকুমাৰ, কামৰূপ জিলা কোষাগাৰ বিষয়া গৌতম কুমাৰ বৰা, কামৰূপ জিলা স্বাস্থ্য বিভাগৰ প্ৰকল্প বিষয়া স্মিতা শইকীয়া, সদৌ অসম মেলেৰিয়া কৰ্মচাৰী সন্থাৰ সম্পাদক অশ্বিনী কুমাৰ দাস, কামৰূপ জিলা মেলেৰিয়া কৰ্মচাৰী সন্থাৰ সভাপতি অজিত কলিতা, সম্পাদক চন্দন কলিতা, সহ সম্পাদক ৰূপ কুমাৰ বৰ্মনৰ লগতে কামৰূপ জিলা স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

# কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষেধাজ্ঞা, প্ৰতিকাৰ) আইনৰ ওপৰত শিৱসাগৰত প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৩১ জানুৱাৰী ঃ** শিৱসাগৰ জিলা সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰ, শিৱসাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষেধাজ্ঞা, প্ৰতিকাৰ) আইন, ২০১৩ৰ ওপৰত এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। জিলা পৰিষদ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠানত জিলাখনৰ প্ৰায়খিনি বিভাগৰ বিভাগীয় কৰ্তৃপক্ষৰ লগতে সমাজ কল্যাণ বিভাগৰ সমূহ কৰ্মচাৰী উপস্থিত থাকে। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা বিশেষ ন্যায়াধীশ, POCSO, শিৱসাগৰ; অতিৰিক্ত জিলা আয়ুক্ত তথা সমজিলা আয়ুক্ত (ডিমৌ) লুকুমণি বড়া, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) ময়দুল ইছলাম, উপ-আইনী সাহায্য প্ৰতিৰক্ষা অধিবক্তা, সহকাৰী আইনী সাহায্য প্ৰতিৰক্ষা অধিবক্তা। অনুষ্ঠানৰ শেষত সংকল্প মহিলা সবলীকৰণ কেন্দ্ৰৰ লিংগ বিশেষজ্ঞ ৰিজুমনি গগৈয়ে Shebox পৰ্টেলৰ ওপৰত এক প্ৰশিক্ষণ আগবঢ়ায়।

# লাহিং গ্ৰাণ্ট উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত মৰিয়নি সমজিলাৰ ৭৭ সংখ্যক গণতন্ত্ৰ দিৱস উদযাপন

**অসম বাৰ্তা, নকছাৰি, ৩১ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে মৰিয়নি সমষ্টিৰ সম জিলা প্ৰশাসনৰ উদ্যোগত লাহিং গ্ৰাণ্ট হাইস্কুলৰ খেলপথাৰত উলহ মালহেৰে ৭৭ সংখ্যক গণতন্ত্ৰ দিৱস উদযাপন কৰে। আজি গণতন্ত্ৰ দিৱসৰ পতাকা উত্তোলন কৰে মৰিয়নি সম জিলা আয়ুক্ত অভিজিত গগৈয়ে। ভাষণ প্ৰসংগত চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত মৰিয়নিৰ সমষ্টিৰ অগ্ৰগতি, সমষ্টিৰ বিভিন্ন ক্ষেত্ৰত সফলতাৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। পতাকা উত্তোলনৰ সমান্তৰালকৈ স্মৃতি তৰ্পণ, দেশ প্ৰেমমূলক গীত প্ৰচাৰ, মাচমাৰ্চৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সম-জিলা প্ৰশাসনে আয়োজন কৰা চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতাৰ বঁটা সমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰে বিশিষ্ট অতিথিসকলে। উক্ত অনুষ্ঠানত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, সম-জিলাৰ আৰক্ষী অধীক্ষক সৌমাৰজ্যোতি ভুঞা, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়া, সমষ্টিৰ অন্তৰ্গত কেইবাখনো বিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# বান্দৰদেৱা চুকাফা সমন্বয় ক্ষেত্ৰত মে-ডাম-মে-ফি উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ৩১ জানুৱাৰী ঃ** আজি আহোমৰ পবিত্ৰ মে-ডাম-মে-ফি। লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা ডিক্ৰং নদীৰ পাৰত অৱস্থিত চুকাফা সমন্বয় ক্ষেত্ৰত বিগত বৰ্ষৰ দৰে এইবাৰো ৩১ জানুৱাৰী তাৰিখে বান্দৰদেৱাৰ চুকাফা সমন্বয় ক্ষেত্ৰৰ উদ্যোগত আহোম জাতিৰ পুলিন পোথাও সকলক পুজিবৰ উদ্দেশ্যে মে-ডাম-মে-ফি ভাগি আজি পুৱাৰে পৰা উলহ মালহেৰে উদ্‌যাপন কৰে। উল্লেখ্য যে বান্দৰদেৱা অঞ্চলটোৰ বিভিন্ন ধৰ্ম, জাতি-জনগোষ্ঠীক একত্ৰিত কৰি উদযাপন কৰা আজি অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ৰঙানদী সমষ্টিৰ যুৱনেতা ঋষিৰাজ হাজৰিকা, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জিণ্টু হাজৰিকাৰ লগতে অৰুণাচলৰ বান্দৰদেৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকী। তদুপৰি অঞ্চলটোৰ পুৰুষ মহিলাৰ উপৰিও কেইবাজনো গণ্য মান্য ব্যক্তি অনুষ্ঠানটিত উপস্থিত থাকে।

## সম্পাদকীয়

# বিনামূলীয়া চেনিটেৰী নেপকিন ঃ ন্যায়সঙ্গত সমাজৰ দিশত

**ভা**ৰতৰ উচ্চতম ন্যায়ালয়ে শুকুৰবাৰে ছাত্ৰীসকলৰ ঋতুস্ৰাৱ স্বাস্থ্য সন্দৰ্ভত যি যুগান্তকাৰী নিৰ্দেশ দিলে, সেই ৰায়ে এখন অগ্ৰসৰ সমাজৰ মৌলিক প্ৰয়োজনৰ প্ৰতি দৃষ্টিয়েই নহয়, সংবিধানৰ ২১ নং অনুচ্ছেদত সন্নিৱিষ্ট জীৱন, মৰ্যাদা আৰু গোপনীয়তাৰ অধিকাৰৰ এক ব্যাপক ব্যাখ্যা আগবঢ়ালে। সকলো চৰকাৰী, সাহায্যপ্ৰাপ্ত আৰু ব্যক্তিগত বিদ্যালয়ত বিনামূলীয়াকৈ অক্স-বায়'ডিগ্ৰেডেবল চেনিটেৰী নেপকিন যোগান ধৰিবলৈ, ঋতুস্ৰাৱ স্বাস্থ্যক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ এই সিদ্ধান্তে নিঃসন্দেহে এক উদ্যোগী আইনী দৃষ্টিভংগীৰ পৰিচয় দিছে।

এই ৰায়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ দাৰ্শনিক ভিত্তি। ন্যায়ালয়ে স্পষ্টকৈ কৈছে যে ঋতুস্ৰাৱ হৈছে এক স্বাভাৱিক শাৰীৰিক প্ৰক্ৰিয়া, যাৰ সৈতে প্ৰত্যেক গৰাকী ছোৱালীৰে সুস্থ, সক্ৰিয় আৰু মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহ কৰাৰ অধিকাৰ জড়িত হৈ আছে। ইয়াক লুকাই ৰখাৰ, লজ্জাৰ বা উপেক্ষাৰ বিষয় হিচাপে চোৱাৰ দিন যেন এই ৰায়ে সমাপ্তি ঘটালে। এই স্বীকৃতিৰে প্ৰত্যক্ষভাৱে ছাত্ৰীসকলৰ বিদ্যালয়ত নিয়মিত উপস্থিতি, মনোযোগ আৰু শিক্ষাৰ সুযোগ নিশ্চিত কৰাৰ লক্ষ্য আগত ৰখা হৈছে। শৌচালয়ৰ মানদণ্ড নিৰ্ধাৰণ, ঋতুস্ৰাৱ স্বাস্থ্য কৰ্ণাৰ স্থাপন আদিৰ দ্বাৰা ই এখন পূৰ্ণাংগ যত্ন আৰু সহানুভূতিসম্পন্ন শিক্ষা পৰিৱেশ সৃষ্টিৰ বাট মোকলাইছে।

অৱশ্যে, এই অভূতপূৰ্ব নিৰ্দেশৰ সফল ৰূপায়ণত কিছুমান প্ৰকৃত প্ৰত্যাহ্বানো আছে। সাধাৰণ মানুহৰ মনত প্ৰথম আৰু প্ৰধান প্ৰশ্নটো হ'ব— এই বৃহৎ কাৰ্যসূচীৰ বিত্তীয় ভাৰ! চৰকাৰী বিদ্যালয়বোৰত ইয়াৰ খৰচৰ দায়িত্ব ৰাজ্য চৰকাৰে বহন কৰিব নে? ব্যক্তিগত বিদ্যালয়বোৰৰ বাবে এই বাৰ্ষিক খৰচ অতিৰিক্ত বোজা হ'ব নেকি, যাৰ প্ৰভাৱ মাচুললৈ স্থানান্তৰিত হ'ব পাৰে? পৰিৱেশসন্মত নেপকিনৰ সহজলভ্যতা আৰু দীৰ্ঘম্যাদী যোগান ধৰাতো এটা গুৰুত্বপূৰ্ণ চৰ্চাৰ বিষয়।

আনহাতে, সামাজিক দৃষ্টিভংগীও এক বাধা। নেপকিনৰ উপলব্ধতা বাঢ়িলেও ঋতুস্ৰাৱ সম্পৰ্কীয় নীৰৱতা আৰু কুসংস্কাৰ নোহোৱা নহয়। বিদ্যালয়ৰ ঋতুস্ৰাৱ স্বাস্থ্য কৰ্ণাৰবোৰক লৈ হাঁহি-তামাচা বা ভুল ধাৰণাৰ সৃষ্টি নহয়তো? ল'ৰা ছাত্ৰসকলক ইয়াৰ সৈতে জড়িত কৰি এক সচেতন, সংবেদনশীল পৰিৱেশ গঠন কৰাটোও এটা ডাঙৰ কৰ্তব্য। শাস্তিস্বৰূপ স্বীকৃতি বাতিলৰ ভাবুকিয়ে নিৰ্দেশ মানি চলাত সাহায্য কৰিব যদিও, ইয়াতকৈ অধিক প্ৰয়োজন সক্ৰিয় সহযোগিতা আৰু মানসিকতাৰ পৰিৱৰ্তন।

সৰ্বোপৰি, এই ৰায়ে এক গুৰুত্বপূৰ্ণ সাংবিধানিক সত্য স্থাপন কৰিছে— যি সমাজে তাৰ নাৰীসকলৰ মৌলিক শাৰীৰিক প্ৰয়োজন পূৰণত ব্যৰ্থ হয়, সেই সমাজ কেতিয়াও সাম্য আৰু ন্যায়ভিত্তিক হ'ব নোৱাৰে। উচ্চতম ন্যায়ালয়ৰ এই ৰায় কেৱল চেনিটেৰী নেপকিনৰ বিষয়েই নহয়, ই হৈছে শিক্ষাৰ সমান সুযোগ, লিঙ্গ সমতা আৰু নাৰীৰ শৰীৰৰ ওপৰত থকা অধিকাৰৰ এক বলিষ্ঠ ঘোষণা। ইয়াক এখন সামাজিক আন্দোলন হিচাপে গ্ৰহণ কৰি ৰাজ্য চৰকাৰ, বিদ্যালয় প্ৰশাসন, শিক্ষক, পিতৃ-মাতৃ আৰু শিক্ষাৰ্থীসকলৰ একত্ৰিত প্ৰয়াসেহে ইয়াৰ লক্ষ্য সফল কৰিব পাৰিব। এই নিৰ্দেশ যাতে কেৱল কাগজত নাথাকে, তাৰ বাবে সুৰুঙা সুন্দৰ নীতি আৰু তাৰ কাৰ্যকৰী ৰূপায়ণৰ ওপৰতেই নিৰ্ভৰ কৰিব লাভালাভিক শিক্ষা ব্যৱস্থাৰ ভৱিষ্যত।

অসমৰ ইতিহাসৰ পটভূমিত চিলাৰায়ৰ স্থান বিচাৰ কৰিবলৈ গলে আমি দেখোঁ যে তেওঁ আছিল অসমীয়া জাতীয়তাবাদৰ এক আদিম আৰু শক্তিশালী স্বৰূপৰ নিৰ্মাতা। তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এখন শক্তিশালী আৰু সংহত ৰাজ্য গঢ়ি তুলিছিল। তেওঁৰ বিশাল সেনাবাহিনীত কেৱল কোঁচ সৈন্যই নাছিল, বৰঞ্চ কছাৰী, মেচ, ৰাজবংশী, গাৰো, ভূটীয়া আদি বিভিন্ন জনগোষ্ঠীয় লোকৰ অভূতপূৰ্ব সন্মিলন ঘটিছিল। তেওঁ যোগ্যতাৰ ভিত্তিত সকলোকে সমানে মৰ্যাদা দিছিল আৰু ইয়াৰ জৰিয়তে তেওঁ সামাজিক সংহতিৰ এক শক্তিশালী বাৰ্তা দিছিল। আজিৰ সময়ত যেতিয়া আমি বৰ অসমৰ কথা কওঁ বা বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় আৰু সম্প্ৰীতিৰ কথা কওঁ, তেতিয়া চিলাৰায়ৰ আদৰ্শ আমাৰ বাবে ধ্ৰুৱতৰা সদৃশ হৈ পৰে।

# জাতীয় বীৰ চিলাৰায়

**প্ৰা**গজ্যোতিষপুৰ বা কামৰূপৰ পৰা ক্ৰমবিকাশ ঘটি আজিৰ আধুনিক অসমলৈ ৰূপান্তৰিত হোৱা এই ঐতিহাসিক ভূখণ্ডৰ বৰ্ণাঢ্য ইতিহাসত যিগৰাকী মহানুভৱৰ নাম শৌৰ্য, বীৰ্য আৰু পাণ্ডিত্যৰে স্বৰ্ণিল আখৰেৰে খোদিত হৈ আছে, তেওঁ হ'ল কোঁচ ৰাজবংশৰ স্বৰ্ণযুগৰ খনিকৰ শুক্লধ্বজ বা আমাৰ সকলোৰে পৰিচিত বীৰ চিলাৰায়। লুইতৰ দুয়োপাৰৰ সভ্যতা আৰু সংস্কৃতিক এক সুদৃঢ় ৰাজনৈতিক আৰু সামাজিক আধাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত এইগৰাকী মহাবীৰৰ অৱদানৰ তুলনা নাই। ইতিহাসৰ পাতত তেওঁক আমি কেৱল এগৰাকী দিগবিজয়ী সেনাপতি হিচাপে দেখিবলৈ পাওঁ যদিও, তেওঁৰ চৰিত্ৰৰ বিশালতা আৰু গভীৰতা কেৱল যুদ্ধক্ষেত্ৰৰ পৰাক্ৰমৰ মাজতে আৱদ্ধ নাছিল। তেওঁ আছিল একাধাৰে বিচক্ষণ ৰণনীতিবিদ, প্ৰজাহিতৈষী প্ৰশাসক, সাহিত্য-সংস্কৃতিৰ নিস্বাৰ্থ আৰু দূৰদৰ্শী পৃষ্ঠপোষক তথা ভাতৃ-প্ৰেমৰ এক অনুপম নিদৰ্শন।

যোড়শ শতিকাৰ উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট আছিল অত্যন্ত জটিল আৰু সংঘাতপূৰ্ণ। সৰু সৰু ৰাজ্যবোৰৰ মাজত চলি থকা পাৰস্পৰিক বিবাদ আৰু বহিঃশত্ৰুৰ আক্ৰমণৰ আশংকাই এক অনিশ্চয়তাৰ পৰিৱেশ সৃষ্টি কৰিছিল। ঠিক তেনে এক সন্ধিক্ষণতে কোঁচ ৰাজবংশৰ উত্থান ঘটিছিল বিশ্বসিংহৰ নেতৃত্বত, যি আছিল এক ঐতিহাসিক প্ৰয়োজন। বিশ্বসিংহৰ পুত্ৰ শুক্লধ্বজ বা চিলাৰায় আছিল সেই ৰাজবংশৰ আটাইতকৈ উজ্জ্বল নক্ষত্ৰ, যাৰ পোহৰে কেৱল কোঁচ ৰাজ্যকেই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক আলোকিত কৰিছিল। তেওঁৰ জন্ম আৰু বাল্যকালৰ পৰাই তেওঁৰ চৰিত্ৰত এক ব্যতিক্ৰমী প্ৰতিভাৰ স্ফূৰণ দেখা গৈছিল, যি আছিল গতানুগতিক ৰাজকোঁৱৰসকলতকৈ সম্পূৰ্ণ পৃথক। বাল্যকালতে তেওঁৰ শৰীৰৰ গঠন, বুদ্ধিমত্তা আৰু সাহস দেখি অভিজ্ঞসকলে ভৱিষ্যদ্বাণী কৰিছিল যে এই শিশুৱে এদিন ইতিহাস সলনি কৰিব। তেওঁৰ শিক্ষা জীৱন আছিল তেওঁৰ চৰিত্ৰ গঠনৰ মূল আধাৰ। তেওঁ বাৰাণসীলৈ গৈ উচ্চ শিক্ষা গ্ৰহণ কৰিছিল, যিটো সেই সময়ত এক অতি দুৰূহ আৰু প্ৰত্যাহ্বানমূলক কাৰ্য আছিল। বাৰাণসীত তেওঁ কেৱল অস্ত্ৰ চালনা বা যুদ্ধবিদ্যাতেই পাৰ্গত হৈ উঠা নাছিল; বৰঞ্চ তেওঁ সংস্কৃত সাহিত্য, ব্যাকৰণ, জ্যোতিষ, দৰ্শন আৰু ধৰ্মশাস্ত্ৰতো অগাধ পাণ্ডিত্য অৰ্জন কৰিছিল। শাস্ত্ৰ আৰু শস্ত্ৰ—এই দুয়োবিধ বিদ্যাতে সমান দখল থকা ব্যক্তি ইতিহাসত বিৰল। বাৰাণসীৰ সেই শিক্ষা জীৱন কালছোৱাই চিলাৰায়ৰ মানসিক দিগন্তক এক বিশালতা প্ৰদান কৰিছিল। তেওঁ বুজি উঠিছিল যে কেৱল বাহুবলেৰে এখন ৰাজ্য জয় কৰিব পাৰি, কিন্তু জ্ঞান আৰু সংস্কৃতি অবিহনে সেই ৰাজ্য দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। এই শিক্ষাই তেওঁক পৰৱৰ্তী সময়ত এগৰাকী কেৱল যোদ্ধা নহয়, বৰঞ্চ এগৰাকী চিন্তাশীল ৰাষ্ট্ৰনেতা হিচাপে গঢ়ি তুলিছিল।

মহাৰাজ নৰনাৰায়ণৰ শাসনকালত কোঁচ ৰাজ্যই যি শ্ৰেষ্ঠতাৰ শিখৰত আৰোহণ কৰিছিল, তাৰ মূল চালিকা শক্তি আছিল ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ তথা প্ৰধান সেনাপতি চিলাৰায়ৰ মাজত থকা অটুট বিশ্বাস, পাৰস্পৰিক শ্ৰদ্ধা আৰু বুজাবুজি। বিশ্ব ইতিহাসত ৰাজসিংহাসনৰ বাবে হোৱা ভাতৃঘাতী সংঘাতৰ বহু কৰুণ কাহিনী পোৱা যায়, য'ত ক্ষমতাৰ লোভত তেজৰ সম্পৰ্কও অৰ্থহীন হৈ পৰে। কিন্তু নৰনাৰায়ণ আৰু চিলাৰায়ৰ ক্ষেত্ৰত আমি দেখোঁ ত্যাগত আৰু আনুগত্যৰ এক মহৎ আৰু বিৰল আদৰ্শ। চিলাৰায়ৰ দৰে প্ৰচণ্ড প্ৰতাপী আৰু জনপ্ৰিয় সেনাপতি এগৰাকীয়ে ইচ্ছা কৰিলে যিকোনো মুহূৰ্ততে বিদ্ৰোহ কৰি নিজে ৰজা হ'ব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ মনত ককায়েকৰ প্ৰতি থকা ভক্তি আৰু ৰাজ্যৰ প্ৰতি থকা আনুগত্য ইমান গভীৰ আছিল যে তেওঁ আজীৱন সেনাপতিৰ দায়িত্ব পালন কৰিয়েই সন্তুষ্টি লাভ কৰিছিল। তেওঁ নিজকে ৰজাৰ ছাঁ বুলি গণ্য কৰিছিল আৰু ৰাজ্যৰ সুৰক্ষা তথা সম্প্ৰসাৰণৰ বাবে নিজৰ সৰ্বস্ব উজাৰি দিছিল। এই ভাতৃদ্বয়ৰ সন্মিলিত প্ৰচেষ্টাত কোঁচ ৰাজ্য কেৱল এক ভৌগোলিক ভূখণ্ডতে আৱদ্ধ নাথাকিল, ই এক বিশাল সাম্ৰাজ্যলৈ পৰিণত হ'ল, যাৰ সীমা বিহাৰৰ পৰা অসমৰ সুদূৰ পূব প্ৰান্তলৈ বিস্তৃত আছিল। তেওঁলোকৰ শাসনকালত প্ৰজাই এক সুৰক্ষিত, শান্তিপূৰ্ণ আৰু সমৃদ্ধিৰ জীৱন লাভ কৰিছিল। চিলাৰায়ৰ এই আত্মত্যাগ আৰু ভাতৃপ্ৰেমে অসমীয়া সমাজ জীৱনত পৰিয়াল কেন্দ্ৰিক মূল্যবোধৰ এক শক্তিশালী আৰু চিৰস্থায়ী বাৰ্তা প্ৰেৰণ কৰে, যিটো বৰ্তমানৰ ভাঙনমুখী সমাজ ব্যৱস্থাত অত্যন্ত প্ৰাসংগিক।

চিলাৰায়ৰ সামৰিক প্ৰতিভা আৰু ৰণকৌশল আছিল সময়তকৈ বহু যোজন আগবঢ়া। তেওঁৰ নেতৃত্বত কোঁচ সেনাই যি দৰে দিগবিজয় আৰম্ভ কৰিছিল, সেয়া আছিল সমসাময়িক ভাৰতবৰ্ষৰ ইতিহাসত এক বিস্ময়কৰ অধ্যায়। আহোম ৰাজ্যৰ দৰে শক্তিশালী শক্তিক পৰাস্ত কৰাৰ পৰা আৰম্ভ কৰি কছাৰী, মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, আনকি চিলেট আৰু গৌড় ৰাজ্যলৈকে তেওঁ কোঁচ ৰাজ্যৰ বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হৈছিল। তেওঁৰ যুদ্ধৰ কৌশল গতানুগতিক পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল নাছিল। তেওঁ বুজি পাইছিল যে উত্তৰ-পূবৰ দৰে নদী-পাহাৰ আৰু অৰণ্যৰে ভৰা অঞ্চলত যুদ্ধ কৰিবলৈ হ'লে কেৱল বিশাল সৈন্যবাহিনী থাকিলেই নহয়, বৰঞ্চ ক্ষিপ্ৰতা আৰু আকস্মিকতাইহে জয়ৰ মূল চাবিকাঠি। শত্ৰুপক্ষই সাজু হোৱাৰ পূৰ্বেই, আকাশৰ পৰা ছোঁ মাৰি চিকাৰ ধৰা চিলাৰ দৰেই তেওঁ তীব্ৰ বেগেৰে আক্ৰমণ কৰিছিল। এই অদ্ভুত ক্ষিপ্ৰতা আৰু আক্ৰমণৰ কৌশলৰ বাবে জনমানসত তেওঁ 'চিলাৰায়' নামেৰে অমৰ হৈ ৰ'ল। তেওঁৰ নেতৃত্বত সৈন্যবাহিনীয়ে জলপথ আৰু স্থলপথ—উভয়তে সমানে যুঁজ দিব পৰা ক্ষমতা অৰ্জন কৰিছিল, যিটো সেই যুগৰ বাবে আছিল এক বিপ্লৱাত্মক সামৰিক সাফল্য। তেওঁ শত্ৰুৰ দুৰ্বলতা নিখুঁতভাৱে চিনাক্ত কৰিব পাৰিছিল আৰু সেইমতে নিজৰ ৰণকৌশল সলনি কৰিছিল। তেওঁৰ এই সামৰিক অভিযানসমূহে কেৱল কোঁচ ৰাজ্যৰ সীমা বৃদ্ধি কৰাই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বিভিন্ন সৰু-বৰ ৰাজ্যসমূহক এক ৰাজনৈতিক ছত্ৰছায়ালৈ অনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ ফলত এই অঞ্চলত বাণিজ্যিক আৰু সাংস্কৃতিক আদান-প্ৰদানৰ এক নতুন যুগৰ সূচনা হৈছিল।



### হিমাংশু ৰঞ্জন ভূঞা

যুদ্ধক্ষেত্ৰৰ বাহিৰেও চিলাৰায়ৰ ব্যক্তিত্বৰ আন এক উজ্জ্বল দিশ আছিল তেওঁৰ কূটনৈতিক বিচক্ষণতা। তেওঁ কেৱল ৰাজ্য জয় কৰিয়েই ক্ষান্ত থকা নাছিল; বিজিত ৰাজ্যসমূহৰ সৈতে কেনে ব্যৱহাৰ কৰিব লাগে, সেই বিষয়ে তেওঁৰ এক স্পষ্ট আৰু উদাৰ নীতি আছিল। সাধাৰণতে দেখা যায় যে বিজয়ী সেনাপতিয়ে পৰাজিত ৰাজ্য ধ্বংস কৰে বা লুণ্ঠন চলায়। কিন্তু চিলাৰায় আছিল ব্যতিক্ৰম। তেওঁ যুদ্ধত জয়ী হোৱাৰ পাছত পৰাজিত ৰজাসকলক মৰ্যাদা সহকাৰে পুনৰ নিজ ৰাজ্য শাসন কৰিবলৈ দিছিল, বিনিময়ত কেৱল কোঁচ ৰাজ্যৰ আধিপত্য স্বীকাৰ কৰা আৰু কৰ প্ৰদানৰ চৰ্ত আৰোপ কৰিছিল। তেওঁৰ এই নীতিয়ে তেওঁক এগৰাকী ক্ৰুৰ বিজেতাৰ সলনি এগৰাকী মহান আৰু উদাৰ ৰাজনেতা হিচাপে প্ৰতিষ্ঠা কৰিছিল। এই উদাৰ নীতিৰ বাবেই বিজিত ৰাজ্যসমূহে কোঁচ ৰাজ্যৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল আৰু প্ৰয়োজনৰ সময়ত সামৰিক সাহায্য আগবঢ়াইছিল। চিলাৰায়ৰ এই কূটনৈতিক দূৰদৰ্শিতাৰ বাবেই কোঁচ সাম্ৰাজ্য এক লুণ্ঠনকাৰী শক্তি নহয়, বৰঞ্চ এক সু-সংগঠিত ৰাজনৈতিক ব্যৱস্থা হিচাপে গঢ় লৈ উঠিছিল। তেওঁ বুজি পাইছিল যে বল প্ৰয়োগ কৰি মানুহৰ শৰীৰ জয় কৰিব পাৰি, কিন্তু মন জয় কৰিবলৈ উদাৰতাৰ প্ৰয়োজন।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত আৰু বিশেষকৈ নৱবৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰত চিলাৰায়ৰ ভূমিকা আছিল এক ঐতিহাসিক স্তম্ভস্বৰূপ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে যুগদ্ৰষ্টা পুৰুষক ৰাজকীয় আশ্ৰয় প্ৰদান কৰি চিলাৰায়ে অসমীয়া সংস্কৃতিলৈ যি অৱদান আগবঢ়ালে, সেয়া কেৱল ধৰ্মীয় দৃষ্টিকোণৰ পৰাই নহয়, সামাজিক আৰু বৌদ্ধিক দৃষ্টিকোণৰ পৰাও অত্যন্ত গুৰুত্বপূৰ্ণ। সেই সময়ত যেতিয়া শংকৰদেৱে ধৰ্মীয় গোড়ামি আৰু বিভিন্ন বাধা-বিঘিনিৰ সন্মুখীন হৈ আহোম ৰাজ্য ত্যাগ কৰিবলগীয়া হৈছিল, তেতিয়া চিলাৰায়ে তেওঁক কেৱল সুৰক্ষাই প্ৰদান কৰা নাছিল, বৰঞ্চ গুৰুজনাৰ পাণ্ডিত্য, ব্যক্তিত্ব আৰু দৰ্শনক গভীৰভাৱে শ্ৰদ্ধা কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। চিলাৰায়ৰ পত্নী কমলপ্ৰিয়াৰ জৰিয়তে শংকৰদেৱৰ সৈতে গঢ়ি উঠা আত্মীয়তা আৰু ভক্তিৰ সম্পৰ্কই এক নতুন সাংস্কৃতিক জাগৰণৰ সূচনা কৰিছিল। কোঁচবিহাৰৰ ৰাজসভা শংকৰদেৱৰ সাহিত্য, সংগীত, নাটক আৰু কলা চৰ্চাৰ এক প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। চিলাৰায়ৰ পৃষ্ঠপোষকতাৰ বাবেই শংকৰদেৱে নিৰ্ভয়ে ধৰ্ম প্ৰচাৰ আৰু কালজয়ী সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিব পাৰিছিল। এইদৰে চাবলৈ গলে, আজি আমি যি সত্ৰীয়া সংস্কৃতি, বৰগীত, অংকীয়া নাট বা নামঘৰীয়া পৰম্পৰাৰ গৌৰৱ কৰো, তাৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰত চিলাৰায়ৰ ভূমিকা আছিল অভিভাৱক স্বৰূপ। শংকৰদেৱ আৰু চিলাৰায়ৰ এই মিলন আছিল মণি-কাঞ্চন সংযোগ, যিয়ে অসমীয়া সমাজক এক নতুন মাত্ৰা প্ৰদান কৰিলে।

চিলাৰায় নিজেই আছিল এগৰাকী উচ্চ পৰ্যায়ৰ সংস্কৃত পণ্ডিত আৰু সাহিত্যৰ ৰসগ্ৰাহী। যুদ্ধৰ দামামা আৰু ৰাজ্য শাসনৰ গুৰুদায়িত্বৰ মাজতো তেওঁ সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল, যিটো বিশ্ব ইতিহাসৰ খুব কম সংখ্যক যোদ্ধা বা সেনাপতিৰ ক্ষেত্ৰতহে দেখা যায়। কবি জয়দেৱৰ বিখ্যাত আৰু জটিল গ্ৰন্থ 'গীতগোবিন্দ'ৰ ওপৰত তেওঁ লিখা 'সাৰৱতী' নামৰ টীকাখনি তেওঁৰ অগাধ পাণ্ডিত্য আৰু সংস্কৃত ভাষাৰ ওপৰত থকা দখলৰ এক উজ্জ্বল নিদৰ্শন। এগৰাকী সেনাপতিয়ে তৰোৱাল থৈ কলম হাতত তুলি লৈ ইমান জটিল শাস্ত্ৰৰ টীকা ইমান সৰল আৰু প্ৰাঞ্জল ভাষাত লিখিব পৰাটো সঁচাকৈয়ে এক বিস্ময়কৰ আৰু অনুপ্ৰেৰণাদায়ক ঘটনা। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে তেওঁৰ হৃদয়ত আছিল এক সুকুমাৰ কলাৰ প্ৰতি গভীৰ অনুৰাগ আৰু জ্ঞানৰ প্ৰতি অদম্য পিয়াহ। তেওঁ বিশ্বাস কৰিছিল যে এখন ৰাজ্য কেৱল বাহুবল বা অৰ্থবলেৰে বৰ্তি থাকিব নোৱাৰে; ৰাজ্য এখনৰ আত্মা বৰ্তি থাকে তাৰ জ্ঞান, সাহিত্য, দৰ্শন আৰু সংস্কৃতিৰ চৰ্চাৰ মাজত। সেয়েহে তেওঁ ৰাজসভাত বহুতো পণ্ডিত, কবি আৰু কলা-কুশলীক আদৰ কৰিছিল আৰু তেওঁলোকক সৃষ্টিশীল কামত উৎসাহিত কৰিছিল। অনন্ত কন্দলী, ৰাম সৰস্বতী আদিৰ দৰে কবিয়ে মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাতেই সাহিত্য সৃষ্টিত ব্ৰতী হৈছিল আৰু মহাৰাষ্ট্ৰৰ পৰা আৰম্ভ কৰি উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তৰ পণ্ডিতসকলক আমন্ত্ৰণ জনাই জ্ঞানৰ আদান-প্ৰদান কৰিছিল। অসমীয়া সাহিত্যৰ সেই সময়ছোৱাক যিহেতু এক স্বৰ্ণযুগ বুলি অভিহিত কৰা হয়, সেই স্বৰ্ণযুগ নিৰ্মাণৰ আঁৰৰ খনিকৰসকলৰ ভিতৰত চিলাৰায়ৰ স্থান আগশাৰীত।

ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়ন আৰু জনকল্যাণমূলক কামতো চিলাৰায়ৰ অৱদান শলাগিবলগীয়া আৰু দূৰদৰ্শী। গোহাঁই কমল আলিৰ নিৰ্মাণ তেওঁৰ এক সুদক্ষ পৰিকল্পনাৰ অংশ আছিল। যদিও এই সুদীৰ্ঘ পথ নিৰ্মাণৰ মূল উদ্দেশ্য প্ৰথম অৱস্থাত সামৰিক অভিযানৰ সুবিধা আৰু সৈন্য বাহিনীৰ দ্ৰুত যাতায়াত আছিল, কিন্তু পৰৱৰ্তী সময়ত ই জনসাধাৰণৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ এক প্ৰধান আৰু জীৱনৰেখা সদৃশ মাধ্যম হৈ পৰিল। এই পথটোৱে কোঁচ ৰাজ্যৰ পূব আৰু পশ্চিম প্ৰান্তক সংযোগ কৰিছিল, যাৰ ফলত বেপাৰ-বাণিজ্যৰ প্ৰসাৰ ঘটিছিল আৰু বিভিন্ন অঞ্চলৰ মানুহৰ মাজত সামাজিক যোগাযোগ সুচল হৈছিল। এখন দেশ বা ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰগতিৰ বাবে যে উন্নত যোগাযোগ ব্যৱস্থা অপৰিহাৰ্য, সেই আধুনিক অৰ্থনৈতিক দৰ্শন চিলাৰায়ে সেই মধ্যযুগতে অনুধাৱন কৰিছিল। তেওঁ নদীৰ গতিপথ, দলং নিৰ্মাণ আৰু গড় নিৰ্মাণৰ জৰিয়তে ৰাজ্যৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰিছিল। তেওঁৰ এই উন্নয়নমূলক কামবোৰে প্ৰমাণ কৰে যে তেওঁ কেৱল ৰাজ্য জয়েই কৰা নাছিল, বৰঞ্চ সেই ৰাজ্যৰ নাগৰিকসকলৰ জীৱন যাত্ৰাৰ মান উন্নত কৰাৰ বাবেও অহৰহ চিন্তা কৰিছিল।

অসমৰ ইতিহাসৰ পটভূমিত চিলাৰায়ৰ স্থান বিচাৰ কৰিবলৈ গলে আমি দেখোঁ যে তেওঁ আছিল অসমীয়া জাতীয়তাবাদৰ এক আদিম আৰু শক্তিশালী স্বৰূপৰ নিৰ্মাতা। তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এখন শক্তিশালী আৰু সংহত ৰাজ্য গঢ়ি তুলিছিল। তেওঁৰ বিশাল সেনাবাহিনীত কেৱল কোঁচ সৈন্যই নাছিল, বৰঞ্চ কছাৰী, মেচ, ৰাজবংশী, গাৰো, ভূটীয়া আদি বিভিন্ন জনগোষ্ঠীয় লোকৰ অভূতপূৰ্ব সন্মিলন ঘটিছিল। তেওঁ যোগ্যতাৰ ভিত্তিত সকলোকে সমানে মৰ্যাদা দিছিল আৰু ইয়াৰ জৰিয়তে তেওঁ সামাজিক সংহতিৰ এক শক্তিশালী বাৰ্তা দিছিল। আজিৰ সময়ত যেতিয়া আমি বৰ অসমৰ কথা কওঁ বা বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় আৰু সম্প্ৰীতিৰ কথা কওঁ, তেতিয়া চিলাৰায়ৰ আদৰ্শ আমাৰ বাবে ধ্ৰুৱতৰা সদৃশ হৈ পৰে। তেওঁ হাতে কামে দেখুৱাই দিছিল যে বিভেদ নহয়, বৰঞ্চ ঐক্যবদ্ধ শক্তিৰ দ্বাৰাহে যিকোনো অসাধ্য সাধন কৰিব পাৰি আৰু বহিঃশত্ৰুৰ পৰা দেশক ৰক্ষা কৰিব পাৰি। তেওঁৰ বীৰত্বৰ কাহিনীয়ে আজিও অসমীয়া ডেকাসকলক দেশপ্ৰেম, সাহসিকতা আৰু আত্মবিশ্বাসৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰে। তেওঁৰ নাম স্মৰণ কৰিলে প্ৰতিজন অসমীয়াৰ শিৰত তেজৰ সঞ্চালন দ্ৰুত হয়, মনত এক অদম্য শক্তিৰ জাগৰণ ঘটে।

অতি দুৰ্ভাগ্যৰ বিষয় যে, এই মহান বীৰগৰাকীৰ জীৱন বন্তি অকালতে নিৰ্বাপিত হ'ল। গৌৰ ৰাজ্য আক্ৰমণৰ সময়ত গংগাৰ পাৰত বসন্ত ৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হোৱা বুলি ইতিহাসত পোৱা যায়। তেওঁৰ এই অকাল বিয়োগ কেৱল কোঁচ ৰাজ্যৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ অসম আৰু ভাৰতবৰ্ষৰ ইতিহাসৰ বাবে এক অপূৰণীয় ক্ষতি আছিল। তথাপিও, তেওঁৰ হ্ৰস্বম্যাদী জীৱন কালছোৱাত তেওঁ যি অসাধাৰণ কৰ্মৰাজি কৰি থৈ গ'ল, সেয়া যুগ যুগ ধৰি আমাক অনুপ্ৰাণিত কৰি থাকিব। তেওঁৰ মৃত্যুৱে শৰীৰৰ বিনাশ ঘটাব পাৰে, কিন্তু তেওঁৰ কীৰ্তি, যশস্যা আৰু আদৰ্শ চিৰকাল অমৰ হৈ ৰ'ল। কম সময়ৰ ভিতৰতে তেওঁ যি বিশাল কৰ্মযজ্ঞ সম্পন্ন কৰিলে, সেয়া সাধাৰণ মানুহৰ পক্ষে কল্পনাৰো অগোচৰ।

চিলাৰায় আছিল সাহস আৰু বিনয়ৰ এক অপূৰ্ব আৰু বিৰল সংমিশ্ৰণ। তেওঁ ইমান ক্ষমতাশালী হৈও কেতিয়াও নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰা নাছিল বা অহংকাৰত মত্ত হোৱা নাছিল। বৰঞ্চ তেওঁ সদায় গুৰুজন, জ্যেষ্ঠজন আৰু পণ্ডিতসকলক শ্ৰদ্ধা কৰিছিল। আজিৰ ভোগবাদী আৰু আত্মকেন্দ্ৰিক সমাজত এনে মূল্যবোধৰ অভাৱ বৰকৈ অনুভূত হয়। সেয়েহে চিলাৰায়ৰ জীৱন চৰ্চা আমাৰ বাবে কেৱল ঐতিহাসিক বিলাস নহয়, ই আমাৰ নৈতিক আৰু সামাজিক উত্তৰণৰ এক অত্যাৱশ্যকীয় প্ৰয়োজন। আমি নিঃসন্দেহে ক'ব পাৰো যে তেওঁ আছিল আধুনিক অসমৰ ভেটি গঢ়োতাসকলৰ অন্যতম প্ৰধান খনিকৰ। তেওঁৰ গেৰিলা যুদ্ধ পদ্ধতি বা আকস্মিক আক্ৰমণৰ ৰণকৌশল আজিও সামৰিক বিশেষজ্ঞসকলৰ বাবে গভীৰ গৱেষণাৰ বিষয়। তেওঁৰ সাহিত্যিক অৱদান আৰু সংস্কৃত চৰ্চা আজিও পণ্ডিতসকলৰ বাবে চৰ্চাৰ বিষয়। তেওঁৰ ধৰ্মীয় উদাৰতা আৰু শংকৰদেৱৰ প্ৰতি থকা ভক্তি আজিও আমাৰ বাবে এক মহান আদৰ্শ। কোঁচ-ৰাজবংশী সমাজৰ লগতে সমগ্ৰ অসমীয়া সমাজে তেওঁক 'বীৰ' বুলি সম্বোধন কৰি গৌৰৱ অনুভৱ কৰে। কিন্তু তেওঁক কেৱল এটা নিৰ্দিষ্ট জনগোষ্ঠী বা সম্প্ৰদায়ৰ বীৰ বুলি ভাবিলে বা তেওঁক সংকীৰ্ণ গণ্ডীৰ মাজত আৱদ্ধ কৰি ৰাখিলে তেওঁৰ প্ৰতি চৰম অবিচাৰ কৰা হ'ব; তেওঁ আছিল সমগ্ৰ অসমৰ, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আৰু বৃহত্তৰ ভাৰতবৰ্ষৰ গৌৰৱ। তেওঁৰ দৃষ্টিভংগী আছিল সংকীৰ্ণতা, জাতিভেদ আৰু ধৰ্মীয় বিদ্বেষৰ বহু ঊৰ্ধ্বত। তেওঁৰ চিন্তা আছিল সৰ্বজনীন, মানৱদৰদী আৰু সুদূৰপ্ৰসাৰী।

উপসংহাৰত ক'ব পাৰি, মহাবীৰ চিলাৰায় অসমীয়া জাতিৰ অদম্য সাহসৰ প্ৰতীক, আপোচহীন স্বাভিমানৰ প্ৰতীক আৰু উচ্চস্তৰীয় সাংস্কৃতিক চেতনাৰ প্ৰতীক। তেওঁৰ দৰে মহান পুৰুষৰ জন্ম সঘনে নহয়; শতিকাৰ মূৰতহে এনে একোটা সত্তাৰ আৱিৰ্ভাৱ ঘটে। ইতিহাসৰ সন্ধিক্ষণত যেতিয়া জাতি এটাৰ অস্তিত্বৰ সংকট আহে বা যেতিয়া নতুন দিগন্তৰ উন্মোচনৰ প্ৰয়োজন হয়, তেতিয়াহে নিয়তিয়ে এনে বীৰৰ সৃষ্টি কৰে। তেওঁ দি যোৱা সাহস, তেওঁ দেখুৱাই যোৱা বাট আৰু তেওঁ গঢ়ি যোৱা সাংস্কৃতিক ভেটিৰ ওপৰত থিয় হৈয়ে আজিৰ অসমীয়া জাতিয়ে বিশ্বৰ দৰবাৰত নিজৰ স্বকীয় পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। সেয়েহে, প্ৰতিগৰাকী অসমীয়াই হৃদয়ে হৃদয়ে চিলাৰায়ৰ আদৰ্শ লালন পালন কৰা উচিত আৰু তেওঁৰ জীৱনৰ পৰা শিক্ষা লৈ নিজকে দেশ আৰু জাতিৰ সেৱাত ব্ৰতী কৰা উচিত।

# বীৰ চিলাৰায়

## নিঃস্বাৰ্থ দেশপ্ৰেমিকৰ অন্যতম

### নিবেদিতা হাজৰিকা

**প্ৰা**চীন কিংবদন্তি আৰু অসমৰ ইতিহাসৰ পাতত দেশপ্ৰেম, বীৰত্ব, সাহস, সহিষ্ণুতা আদিৰে জিলিকি থকা বীৰজনেই হ'ল অসমৰ কোচ ৰাজবংশৰ মহান সেনাপতি বীৰ লাচিত বৰফুকন। ৰজা নৰনাৰায়ণৰ এজন সুদক্ষ সেনাপতি এইজনা বীৰ যোদ্ধাই চিলাৰ দৰে যুদ্ধ কৰিব পৰা দক্ষতা অৰ্জন কৰিছিল। সেয়েহে তেওঁক চিলাৰায় আৰু মন্ত্ৰী বা দেৱান কামৰ লগতো জড়িত থকা বাবে 'দেৱান' বুলিও বহুতে সম্বোধন ধৰিছিল। এই দুয়োটা নামেৰে তেওঁ জনাজাত আছিল। এইজনা বীৰৰ প্ৰকৃত নাম যে শুক্লধ্বজ আছিল সেই কথা হয়তো বহুতেই নাজানে। চৰাই চিলা তথা ঘোঁৰাৰ দৰে ক্ষিপ্ৰতাৰে শত্ৰুক বন্দী কৰিব পৰা বীৰজন পাছলৈ বীৰ চিলাৰায় হিচাপে প্ৰসিদ্ধি লাভ হৈছিল আৰু পূৰ্বৰ সেই পোছাকি নামতো লুপ্ত হৈ পৰিছিল।

সমগ্ৰ দেশ তথা দেশৰ জনসাধাৰণৰ মনৰ কোঁহে - কোঁহে সোমাই থকা এইজন ব্যক্তিৰ ব্যক্তিত্ব আছিল সঁচাই অতুলনীয়। এক বিশাল সৈন্যবাহিনীৰ সৰ্বাধিনায়ক বীৰ চিলাৰায় কেৱল এজন বীৰেই নাছিল, তেওঁ আছিল এক আন্দোলন। ইয়াৰ উপৰিও বীৰ চিলাৰায় আছিল সকলোৰে বাবে নিৰাপত্তাৰ প্ৰতীক, আশাৰ প্ৰতীক। সমাজ সংস্কাৰ, ভূমি সংস্কাৰ, শাসন, যুদ্ধক্ষেত্ৰ, ধৰ্মীয় ক্ষেত্ৰ, দেশপ্ৰেম, অসাধাৰণ পাণ্ডিত্য আদিকে এনে এখন ক্ষেত্ৰ নাই নাছিল য'ত তেওঁৰ প্ৰৱেশ ঘটা নাছিল। গুণীৰ গুণ আৰু মূল্য বুজি পোৱা এইজনা বীৰৰ ৰাজকীয় সহায়ৰ বাবেই শঙ্কৰদেৱে এক শৰণ নামধৰ্ম প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সাহসীকতা আৰু বীৰত্বৰ ক্ষেত্ৰত তুলনা বিহীন এই জনা বীৰ পুৰুষে তেওঁৰ জ্যেষ্ঠ ভাতৃ মহাৰাজ নৰনাৰায়ণৰ মহান সাম্ৰাজ্য সম্প্ৰসাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছিল। চিলাৰায় মানৱীয় প্ৰমূল্যবোধৰ বিৰল প্ৰতিভাৰ স্বপ্নদ্ৰষ্টা ও বহুমুখী ব্যক্তিত্ব তথা অনুভৱী বীৰ পুৰুষ আছিল। নিজ বুদ্ধিমত্তাৰ জৰিয়তে বিশ্বৰ আগশাৰীৰ এজন বীৰ যোদ্ধা হিচাপে পৰিচয় দিবলৈ সক্ষম হোৱা প্ৰাচীন কমতাপুৰ ৰাজ্যৰ কোচ বংশৰ বিদগ্ধ পণ্ডিত আৰু বিশ্ব বিখ্যাত যোদ্ধা তথা কোচ সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশ্ব সিংহৰ ওঁঠৰজন পুত্ৰৰ ভিতৰত চিলাৰায় আছিল সকলোতকৈ পৰাক্ৰমী। বুদ্ধি তথা শাৰীৰিক শক্তিও আছিল অপৰিসীম।

ইতিহাসৰ পাত লুটিয়াই চালে নেপোলিয়ন বোনাপাৰ্ট, ছত্ৰপতি শিৱাজী আৰু বিশ্বৰ আন শ্ৰেষ্ঠ বীৰ সকলৰ লগত চিলাৰায়ক একে শাৰীতে থ'ব পাৰি। কিয়নো সেই যোদ্ধা সকলৰ শৌৰ্য -বীৰ্য, বীৰত্ব আদি এইজনা বীৰৰ সম পৰ্যায়ৰ বা বেছি হ'লেও কম নহয়। কিন্তু অতি পৰিতাপৰ বিষয় যে আজি সমগ্ৰ বিশ্বত নেপোলিয়ন, শিৱাজী আদিক জানে তাৰ তুলনাত আজি চিলাৰায়ৰ বীৰত্বৰ বিষয়ে অসমৰ মানুহেই ভালদৰে নাজানে। অথচ বৰ অসম গঢ়াত তথা অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত এইজনা পৰাক্ৰমী বীৰ পুৰুষে বিশেষ দক্ষতাৰে অসমীয়া জাতিৰ মান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। মহাবীৰ চিলাৰায় অসমৰ লগতে ভাৰতবৰ্ষ তথা বিশ্ববাসীৰ মাজত তথা ইতিহাসৰ পাতত সদায়ে জিলিকি থাকিব লাগিছিল কিন্তু দুখৰ বিষয় বীৰ যোদ্ধা জনৰ শৌৰ্য, বীৰ্যৰ কাহিনীয়ে আজিও বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা নাই। যিজন বীৰৰ অনন্য দৃষ্টিভংগীয়ে বৃহত্তৰ অসমৰ স্বপ্ন উজ্জ্বলাই তুলিছিল, যিজন বীৰৰ ফলত বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাট সুগম হৈছিল সেইজন প্ৰবাদমান পুৰুষৰ কীৰ্তিৰ বিষয়ে সকলোৰে জ্ঞাত উচিত। বীৰ জনাই দেখুওৱা বীৰত্ব আৰু আদৰ্শৰ দিশবোৰ অসম আৰু অসমীয়াৰ বাবে আজিও এক অনুপ্ৰেৰণাৰ উৎস। সেয়ে এই সমূহৰ সঠিক মূল্যায়ন হোৱা উচিত। বীৰ জনাৰ যুদ্ধ জয়ৰ বীৰত্বময় আৰু গৌৰৱোজ্জ্বল কাহিনীসমূহ প্ৰতিজন অসমীয়াই জনা উচিত। কিয়নো অসমীয়া জাতিক এই কাহিনী সমূহে চিৰদিন সাহস আৰু অনুপ্ৰেৰণা যোগাই আহিছে। ২০০৫ চনৰ পৰা অসম চৰকাৰে বীৰ চিলাৰায়ৰ জন্মদিনটো (মাঘী পূৰ্ণিমা) বীৰ 'চিলাৰায় দিৱস' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে সেই পদক্ষেপ অতিশয় আদৰণীয়। চৰকাৰৰ এনে পদক্ষেপে উঠি অহা প্ৰজন্মৰ মাজত জাতীয় বীৰ জনক জীয়াই ৰখাত তথা বীৰ জনৰ বীৰত্বৰ বিষয়ে জনাত সহায় কৰিব। নিজ গুণ - গৰিমা তথা বীৰত্বৰে নিজৰ পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হোৱা বিশ্বৰ আগশাৰীৰ এই বীৰ যোদ্ধাজন বিশ্বৰ বুকুত জিলিকি উঠক।



### কংগ্ৰেছত ২৭ জনৰ আবেদন; বিজেপি- এজিপিতো তীব্ৰ প্ৰতিযোগিতা

# ধিং বিধানসভা সমষ্টিত প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ ভিৰ

**অসম বাৰ্তা, টুকটুকী, ৩১ জানুৱাৰী ঃ** আগন্তুক অসম বিধান সভা নিৰ্বাচনৰ দিন যিমানে ওচৰ চাপিছে, সিমানেই নগাঁও জিলাৰ নৱগঠিত ৫৫ নং ধিং বিধানসভা সমষ্টিত প্ৰাক নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ২০০৬ চনৰ পৰা সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফ ৰ দখলত থকা এই সংখ্যালঘু অধ্যুষিত সমষ্টিটোত বিভিন্ন ৰাজনৈতিক দলৰ মাজত প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ ভিৰ দেখা গৈছে। ভাৰতীয় জাতীয় কংগ্ৰেছ দলত পুৰুষ-মহিলা সহ ২৭ গৰাকীৰ আবেদন জমা হোৱাৰ লগতে ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু ৰাইজৰ দলতো সম্ভাব্য প্ৰাৰ্থীৰ নাম চৰ্চাত। সমষ্টিটোৰ মুল জ্বলন্ত সমস্যা যেনে বানপানী, গৰাখহনীয়া আৰু যাতায়তৰ সমাধানক লৈ ভোটাৰসকল সচেতন হৈ উঠিছে। ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পৰা ধিং সমষ্টিত প্ৰাৰ্থীত্ব বিচাৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত আবেদন জমা দিয়া প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ সংখ্যা ২৭লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত বটদ্ৰৱা সমষ্টিৰ বৰ্তমানৰ বিধায়িকা তথা প্ৰাক্তন বিধায়ক প্ৰয়াত কিৰণ বৰাৰ একমাত্ৰ তনয়া শিৰামণি বৰা, লাহৰিঘাট সমষ্টিৰ প্ৰাক্তন বিধায়ক বিধায়ক প্ৰয়াত আবুল কাচেমৰ সুযোগ্য পুত্ৰ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ ভাতৃ সংগঠন এন এছ ইউ আইৰ ৰাষ্ট্ৰীয় সম্পাদক তথা দলৰ মুখপাত্ৰ মহচিন খান, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা নগাঁও জিলা পৰিষদৰ প্ৰাক্তন সভাপতি হাইদৰ আলী, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগম, নগাঁও জিলা কংগ্ৰেছৰ সম্পাদক ৰাইহান উদ্দিন চৌধুৰী, জিয়াউল ইছলাম সদাগৰ, মনোৱাৰ হুছেইন ফাৰুকী, ছৈয়দুৰ ৰহমান ওৰফে পাপু, লহকৰ জিলা পৰিষদৰ সদস্য বাবুল আলী, অসম প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু কোষৰ সাধাৰণ সম্পাদক এমদাদুল্লা আহমেদ, অসম প্ৰদেশ কংগ্ৰেছৰ পি আৰ এছৰ সম্পাদক ছোৰহাব উদ্দিন, অসম প্ৰদেশ কংগ্ৰেছ প্ৰফেচনেল বিভাগৰ সভাপতি তথা ধিং সমজিলা দাবী উন্নয়ন সমিতিৰ সভাপতি ৰিমজিম বৰা, ড° হাৰুণ আহমেদ আৰু ডাঃ আফৰুজা আনচাৰী আদি উল্লেখযোগ্য। কংগ্ৰেছে ধিং সমষ্টিত সংগঠনক শক্তিশালী কৰি ভোটাৰৰ সৈতে যোগাযোগ বঢ়াইছে, য'ত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলে পঞ্চায়ত পৰ্যায়ত প্ৰচাৰ চলাইছে। ভাৰতীয় জনতা পাৰ্টিৰ পৰা ধিং সমষ্টিত প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, ইদ্ৰিছ আলী, অমৰজ্যোতি গোস্বামী, অমৃত চন্দ্ৰ দেউৰী, মোস্তফা কামাল, চাকিল আহমেদ, খাদিম আলী, গোপাল নাথকে আদি কৰি ৯ গৰাকী প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ নাম কৰ্মীসকলৰ মুখত উচ্চাৰিত হৈছে। অসম গণ পৰিষদৰ পৰা পাৰবিনা চুলতানাৰ নাম সমষ্টিৰ ঠায়ে-ঠায়ে চৰ্চাত আছে। বিজেপি আৰু অগপয়ে সংখ্যাগুৰু ভোটাৰ থকা পঞ্চায়ত সমূহত প্ৰাক নিৰ্বাচনী তৎপৰতা চলাইছে, য'ত উন্নয়নক লৈ প্ৰচাৰ কৰা হৈছে। ৰাইজৰ দলৰ সাংগঠনিক ভেটি ধিং সমষ্টিত শক্তিশালী বুলি দলৰ একাংশ কৰ্মীয়ে জানিব দিছে। য'ত প্ৰায় সমষ্টিটোৰ অধিকাংশ পঞ্চায়তে পঞ্চায়তে দলৰ মুখপাত্ৰ মেহবুব মুক্তাৰৰ নাম সবলভাৱে উচ্চাৰিত হৈছে। এ আই ইউ ডি এফৰ কৰ্মীসকলৰ মাজত নগাঁও জিলা সমিতিৰ সভাপতি তথা সংখ্যালঘুৰ বিভিন্ন সমস্যাত দীৰ্ঘদিন ধৰি মাত মাতি অহা মতিউৰ ৰহমানৰ নাম চৰ্চাত আছে যদিও সমষ্টিটোৰ ঠায়ে -ঠায়ে অধিবক্তা বদৰুদ্যোজ্জা চৌধুৰী নাম একাংশ কৰ্মীৰ মুখত উচ্চাৰিত হৈছে। নৱগঠিত ধিং বিধান সভা সমষ্টিটো ৪খন জিলা পৰিষদ, ২৫খন গাঁও পঞ্চায়ত আৰু এখন নগৰ সমিতিৰে গঠিত। সমষ্টিটোত আনুমানিক ২, ২০, ৪৭৭ গৰাকী ভোটাৰ আছে, য'ত অধিকাংশ সংখ্যালঘু সম্প্ৰদায়ৰ। ১৯৫৭ চনত গঠিত এই সমষ্টিত অধিকাংশ সময় কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়ক আছিল যদিও বানপানী, গৰাখহনীয়া আৰু যাতায়ত আদি মুল সমস্যাৰ আজিলৈকে সমাধান হোৱা নাই। ভোটাৰসকলে এইবোৰক লৈ প্ৰাৰ্থীৰ পৰা নিশ্চয়তা বিচাৰিছে। সামগ্ৰিক পৰিস্থিতিত কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু ৰাইজৰ দলে প্ৰাক নিৰ্বাচনী তৎপৰতা চলোৱাৰ বিপৰীতে বিজেপি আৰু অগপৰ কৰ্মীসকল সক্ৰিয় হৈ উঠিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে জানুৱাৰী মাহৰ পৰা ৭৫০খন আবেদন লাভ কৰিছে, য'ত ধিং সমষ্টিত সৰ্বাধিক ২৭খন। সমষ্টিটোত প্ৰতিযোগিতা তীব্ৰ হোৱাৰ লগতে মহিলা আৰু যুৱ প্ৰত্যাশীৰ সংখ্যা বৃদ্ধি পাইছে। ধিং সমষ্টিত নিৰ্বাচনী যুঁজ এইবাৰ অধিক আকৰ্ষণীয় হ'ব বুলি সমষ্টিটোৰ ৰাজনৈতিক পৰ্যবেক্ষক মহলে ধাৰণা কৰিছে।

### মঙলদৈত অনুষ্ঠিত হ'ব সনাতন গৌৰৱ উৎসৱ

# মঙলদৈত বিএপিএছ স্বামীনাৰায়ণ সংস্থাৰ বিশেষ আধ্যাত্মিক-সাংস্কৃতিক কাৰ্যসূচী



**অসম বাৰ্তা, মঙলদৈ, ৩১ জানুৱাৰী ঃ** সমগ্ৰ বিশ্বত সনাতন ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সৰ্বাত্মক আধ্যাত্মিক আন্দোলনৰ সম্প্ৰসাৰণ কৰা সংস্থা বিএপিএছ স্বামিনাৰায়ণ অক্ষৰধাম সংস্থাৰ অসম মণ্ডলৰ উদ্যোগত অহা ৭-৮ ফেব্ৰুৱাৰীত মঙলদৈত এক বিশেষ আধ্যাত্মিক-সাংস্কৃতিক কাৰ্যসূচী সনাতন গৌৰৱ উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে অলপতে স্বামীনাৰায়ণ সংস্থা অসম মণ্ডলৰ তৰফৰ পৰা মঙলদৈ প্ৰেছ ক্লাবত এখন সংবাদ মেল আয়োজন কৰি সনাতন গৌৰৱ উৎসৱৰ সকলো কাৰ্যসূচীৰ বিষয়ে বিতংভাৱে অৱগত কৰে। সংবাদমেলত মণ্ডলৰ সাধাৰণ সম্পাদক কুশল কলিতাই জনোৱা মতে ৭ ফেব্ৰুৱাৰীত মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আবেলি ৩বজাত উৎসৱৰ শুভাৰম্ভ কৰা হ'ব। সনাতন গৌৰৱ উৎসৱৰ শুভাৰম্ভ কৰিবলৈ অসমৰ ৰাজ্যপালক আমন্ত্ৰণ জনোৱাৰ লগতে উপস্থিত থাকিব ভাৰতীয় জনতা পাৰ্টীৰ অসম শাখাৰ সভাপতি তথা দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা উৎসৱৰ মুখ্য পৃষ্ঠপোষক দিলীপ শইকীয়া। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশ্ব বৰেণ্য সংস্কৃত পণ্ডিত তথা নতুন দিল্লীৰ স্বামীনাৰায়ণ অক্ষৰধাম গৱেষণা কেন্দ্ৰৰ মুখ্য ড° ভদ্ৰেশ দাস। তেওঁৰ সৈতে গুজৰাট অক্ষৰধাম আৰু কলিকতা অক্ষৰধাম মন্দিৰৰ পৰা আন কেইবা গৰাকী বিশিষ্ট সন্ত-সাধু উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত মঙলদৈ চহৰৰ আশে-পাশে থকা ৩৫টা মন্দিৰ আৰু দৰঙৰ বিভিন্ন প্ৰান্তৰ পৰা ৫০০ গৰাকী ধৰ্মপ্ৰাণ ব্যক্তিক নিমন্ত্ৰণ জনোৱা হৈছে। একেদিনা সন্ধিয়া অনুষ্ঠিত হ'ব অসমীয়া আধ্যাত্মিক সংস্কৃতিৰ সাংস্কৃতিক কাৰ্যসূচী য'ত ওজাপালি, নাগাৰা নাম, সত্ৰীয়া নৃত্য, জয় ঢোলবাদন, হুচৰি, খোলবাদন আদি অসমীয়া আধ্যাত্মিক সংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। ৮ ফেব্ৰুৱাৰীত আয়োজন কৰা হৈছে আধ্যাত্মিক যুব সন্মিলন। এই যুব সন্মিলনত দৰং আৰু ওদালগুৰি জিলাৰ প্ৰায় ৬০০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিব আৰু এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্তক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হ'ব। একেদৰে এই যুব সন্মিলনত বিশেষ মাৰ্গদৰ্শনৰ বাবে উপস্থিত থাকিব সনাতন গৌৰৱ উৎসৱৰ মুখ্য উপদেষ্টা, অসম গৌৰৱ অনুপম ডেকা। ৮ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৫ বজাৰ পৰা আৰম্ভ হ'ব উৎসৱৰ মূল পৰ্ব আধ্যাত্মিক সনাতন সৎসংগ কাৰ্যসূচী, এই কাৰ্যসূচীত দৰঙৰ বিভিন্ন প্ৰান্তৰ ৫০টা মন্দিৰৰ পৰা প্ৰায় পাঁচশ ধৰ্মপ্ৰাণ ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিব। এই মূল পৰ্বত ড° ভদ্ৰেশ দাসে মূল বক্তব্য প্ৰদান কৰাৰ লগতে বিশিষ্ট অতিথি হিচাপে ৰাষ্ট্ৰীয় স্বয়ংসেবক সংঘৰ অসম প্ৰান্তৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তীক নিমন্ত্ৰণ জনোৱা হৈছে। সংবাদমেল খনত বিএপিএছ স্বামীনাবায়ণ অসম মণ্ডলৰ সভাপতি পৰেশ কুমাৰ শৰ্মা আৰু উপ-সভাপতি ভবেন বৰ্মন, সাংস্কৃতিক সম্পাদক যুগল কুমাৰ মহন্তকে আদি কৰি বিষয়ববীয়াসকল উপস্থিত থাকে। সভাপতি পৰেশ কুমাৰ শৰ্মাই দৰঙৰ ৰাইজক এই সনাতন গৌৰৱ উৎসৱৰ সকলো কাৰ্যসূচীতে সহযোগিতা আগবঢ়ায় উপস্থিত থাকিবলৈ বিনম্ৰতাৱে গোহাৰি জনোৱাৰ বিপৰীতে উপ-সভাপতি ভবেন বৰ্মনে এনে ধৰণৰ অনুষ্ঠান আৰু বিএপিএছ স্বামীনাৰায়ণ সংস্থা সুদূৰ ভৱিষ্যতে দৰং তথা মঙলদৈৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ উঠিব পাৰে বুলি মন্তব্য কৰে। সংবাদমেলত সনাতন গৌৰৱ উৎসৱ, আয়োজক সমিতিৰ সভাপতি পৰেশ কুমাৰ শৰ্মা, কাৰ্যকৰী সভাপতি সঞ্জয় আগৰৱালা, উপ-সভাপতি ভবেন বৰ্মন, সাধাৰণ সম্পাদক কুশল কলিতা উপস্থিত থাকে।

# নগাঁও জিলাৰ উত্তৰ শালিকাটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক বিদায় সম্ভাষণ



**অসম বাৰ্তা, মৈৰাবাৰী, ৩১ জানুৱাৰী ঃ** শিক্ষাগুৰু হৈছে এডাল জ্বলন্ত মমবাতিৰ দৰে, যি নিজে জ্বলি আনক পোহৰ বিলায়। পিতৃ-মাতৃৰ পিছতে শিক্ষাৰ্থীক জ্ঞানৰ পোহৰেৰে আগবঢ়াই নিয়ে শিক্ষাগুৰুৱে। আজি নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষাখণ্ডৰ অন্তৰ্গত উত্তৰ শালিকাটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুৰ ৰহিম চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেখেতে ১৯৮৪ চনত উত্তৰ শালিকাটি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱনৰ আৰম্ভণি কৰে। ৮ বছৰ বিনা বেতনেৰে শিক্ষকতা কৰাৰ পিছত ১৯৯২ চনত উত্তৰ শালিকাটি প্ৰাথমিক বিদ্যালয়খন প্ৰাদেশীকৃত হয়। উক্ত বিদ্যালয়ত ৪২ বছৰ কাল শিক্ষকতা কৰি আজি ৩১ জানুৱাৰী ২০২৬ চনত অৱসৰ গ্ৰহণ কৰে। সুদীৰ্ঘ কাল শিক্ষকতা কৰি বহুতক জ্ঞানৰ পোহৰেৰে আলোকিত কৰা শিক্ষাগুৰুক গুণমুগ্ধই জনালে বিদায় সম্ভাষণ। অতি নিয়মানুবৰ্তীতাৰে শিক্ষা প্ৰদান কৰাৰ লগতে অঞ্চলটোৰ লগত সু-সম্পৰ্ক গঢ়ি তুলা আব্দুৰ ৰহিমৰ অৱসৰ লোৱাত সকলো সতীৰ্থ গুৰুমণ্ডলী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতি আৰু অঞ্চলবাসীয়ে ফুলাম গামোচা, শৰাই, মানপত্ৰ, মমেনটো, ইত্যাদিৰে সম্বৰ্দ্ধনা জনায়। সতীৰ্থ শিক্ষক সকলৰ পৰা সম্বৰ্দ্ধনা গ্ৰহণ কৰি আবেগিক হৈ পৰে শিক্ষক গৰাকী। এই বিশেষ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে, ব্ৰটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড বিষয়া যদুমণি চেতিয়া, অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক আব্দুল কুদ্দুচ, ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক আব্দুল গফুৰ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা ৰেহেনা আহমেদ, মৈৰাবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক মইদুল ইছলাম, নগাঁও উকিল সন্থাৰ প্ৰাক্তন সভাপতি পৰান গোহাঁই, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিফজুৰ ৰহমান খান, এডভোকেট হুমায়ন কবিৰৰ লগতে অন্যান্য ব্যক্তি সকল উপস্থিত আছিল। এই বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানৰ লগত সংগতি ৰাখি এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা চক্ৰৰ বিষয় আছিল শিশুৰ শিক্ষা আৰু বিকাশত পিতৃ আৰু মাতৃৰ ভূমিকাৰ সম্পৰ্কে বহল ভাৱে আলোচনা কৰে মৈৰাবাৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা ৰেহেনা আহমেদে। আব্দুৰ ৰহিমৰ বিদায়ী বেলাত সমগ্ৰ শালিকাটি অঞ্চলত এক আবেগিক পৰিৱেশে বিৰাজ কৰে।

# মাকুমত টাই আহোম কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত একাদশ বাৰ্ষিক মে-ডাম-মে-ফী উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ৩১ জানুৱাৰী ঃ** আজি টাই আহোমসকলৰ ধৰ্মীয় সামাজিক উৎসৱ তথা আহোম সকলৰ পিতৃ পুৰুষৰ পূজা পৱিত্ৰ মে-ডাম-মে-ফী। এই পূজাৰ জৰিয়তে উপৰি-পুৰুষৰ সৈতে অশাৰীৰিক যোগসূত্ৰ স্থাপন কৰি নিজৰ আৰু সমাজৰ তথা দেশৰ মংগলৰ বাবে আশীৰ্বাদ বিচৰা হয়। পৱিত্ৰ মে-ডাম-মে-ফী উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে প্ৰতি বছৰৰ দৰে এইবছৰো মাকুম টাই আহোম কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত তিনিচুকীয়া জিলাৰ মাকুম নগাঁও হাই স্কুলৰ সমীপত চেং ৰৌণৰ প্ৰাঙ্গনত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয় একাদশ বাৰ্ষিক পৱিত্ৰ মে-ডাম-মে-ফী। কাৰ্যসূচী অনুসৰি পুৱা মে-ডাম-মে-ফীৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি চাও ৰত্নেশ্বৰ ফুকনে লগতে সহযোগ কৰে কাৰ্যকৰী সভাপতি চাও গকুলানন্দ বৰুৱাই। সমূহীয়া ভাৱে টাই-আহোম জাতীয় সংগীত "ম' খাম ফান টাই মৌঙ" পৰিৱেশন কৰি মৈদাম তৰ্পণ কৰে মানচাও ৰবীন সন্দিকৈৰ লগতে প্ৰভাত চাংমাইয়ে। তাৰপাছতে "আই ছিঙ লাও" পৰিৱেশন, বিগত বৰ্ষত জাতিটোক শোকৰ ছা দি বিয়োগ হোৱা ব্যক্তি সকললৈ একাজলী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। একাদশ বাৰ্ষিক পৱিত্ৰ মে-ডাম-মে-ফীৰ লগত সংগতি ৰাখি বিগত বৰ্ষ সমূহৰ দৰে বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উদ্‌যাপন সমিতিৰ নৃপেন গগৈয়ে শুভাৰম্ভ কৰা বৃক্ষৰোপণ কাৰ্যসূচীৰ বৃক্ষ ৰোপণ কৰে পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱাই। পৰ্বৱৰ্তী পৰ্যায়ত মূল কাৰ্যসূচী মে-ডাম-ফী আৰম্ভ কৰি বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান সামৰি আয়োজন কৰা প্ৰীতিভোজত সকলোৱে অংশগ্ৰহণ কৰে। আজিৰ এই পৱিত্ৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বৰগোহাঁই প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল।

# প্ৰিমিয়াৰ লিগ চেম্পিয়নশ্বিপ ক্ৰিকেট; মেকীপুৰ চানৰাইজ স্পৰ্টচ ক্লাৱ আৰু নাজিৰা কেন্দ্ৰীয় ক্লাৱ জয়ী

**অসম বাৰ্তা, নামতি, ৩১ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আয়োজিত অষ্টম অসম প্ৰিমিয়াৰ লিগ চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখনি নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত নাজিৰা ক্ৰিকেট একাডেমীৰ সহযোগত অনুষ্ঠিত হোৱা কালিৰ খেলত মেকীপুৰ চানৰাইজ স্পৰ্টচ ক্লাৱৰ দলে নাজিৰা টাউন স্পৰ্টচ ক্লাৱৰ দলক ৩৮ ৰাণত পৰাজিত কৰি পৰৱৰ্তী খেললৈ অগ্ৰসৰ হৈছে। মেকীপুৰ চানৰাইজ স্পৰ্টচ ক্লাৱৰ দলে টচত জিকি প্ৰথমে বেট ধৰি ২৩.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৮ ৰাণ সংগ্ৰহ কৰে। দললৈ ৰমেন নায়কে ৩৬টা বল খেলি ৩৫ ৰাণ আৰু আব্দুল আৰিফে ২৬টা বল খেলি ২২ ৰাণৰ বৰঙণি আগবঢ়ায়। বলিঙত নাজিৰা টাউন স্পৰ্টচ ক্লাৱৰ পাৰ্থপ্ৰতীম গগৈয়ে ৫টা আৰু অবিনাশ সন্দিকৈয়ে ২টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত নাজিৰা টাউন স্পৰ্টচ ক্লাৱৰ দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮০ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। দললৈ প্ৰাণজিৎ মহন্তই ১৯টা বল খেলি ২৩ ৰাণ আৰু সঞ্জীৱ চাহুয়ে ২২টা বল খেলি ১৪ ৰাণৰ বৰঙনি আগবঢ়ায়। বলিঙত মেকীপুৰৰ ৰাচিম আক্ৰাম আনচাৰী, আৰিফ খান আৰু নবাৱ জাহিৰ আহমেদে ৩ টাকৈ উইকেট লাভ কৰে। খেলৰ আম্পায়াৰ আছিল ৰুবুল আলী আৰু ইমতাজ আলী, স্ক'ৰাৰ আজিজুল হক। খেলত মেকীপুৰ চানৰাইজ স্পৰ্টচ ক্লাৱৰ ৰাচিম আক্ৰাম আনচাৰীয়ে মেন অৱ দ্যা মেচ সন্মান লাভ কৰে। আনহাতে আজিৰ খেলত নাজিৰাৰ সেউজ সংঘক ৭ উইকেটত পৰাজিত কৰি নাজিৰা কেন্দ্ৰীয় ক্লাৱ বিজয়ী হয়। টচত জিকি সেউজ সংঘই প্ৰথমে বেট ধৰি ৩০ অভাৰত ৯ উইকেট হেৰুৱাই ১০১ ৰাণ সংগ্ৰহ কৰে। দললৈ প্ৰদীপ শৰ্মাই ৩১টা বল খেলি ২১ ৰাণ আৰু আহমেদ আলীয়ে ১৩টা বল খেলি ১০ ৰাণৰ বৰঙনি আগবঢ়ায়। বলিঙত কেন্দ্ৰীয় ক্লাৱৰ তপন দুৱৰাই ৪টা আৰু ইমৰাণ আহমেদে ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত কেন্দ্ৰীয় ক্লাৱৰ দলে ১৫.৫ অভাৰত ৩টা উইকেট হেৰুৱাই ১০৩ ৰাণ সংগ্ৰহ কৰি বিজয়ী হয়। দললৈ দিপাংকৰ জ্যোতি শৰ্মাই ৩৪টা বল খেলি ৩৫ ৰাণ আৰু গুল মহম্মদ খানে ৯টা বল খেলি ২০ ৰাণৰ বৰঙনি আগবঢ়ায়। বলিঙত সেউজ সংঘৰ প্ৰদীপ শৰ্মাই ৩টা উইকেট লাভ কৰে। আজিৰ খেলৰ আম্পায়াৰ আছিল ৰুবুল আলী আৰু ৰফিক আলী। স্ক'ৰাৰ ইজাজুল হক। খেলত নাজিৰা কেন্দ্ৰীয় ক্লাৱৰ ইমৰাণ আহমেদে মেন অৱ দ্যা মেচ সন্মান লাভ কৰে।

# কৰ্মজীৱনৰ অৱসৰ ঃ কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সুশীল কুমাৰ সৰকাৰক ৰাজহুৱা বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, লেংটিছিঙা, ৩১ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সুশীল কুমাৰ সৰকাৰে আজি অৱসৰ গ্ৰহণ কৰে। সেয়ে বিদ্যালয়খনত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে এক ৰাজহুৱা বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা শিক্ষকগৰাকীক বিদ্যালয়খনৰ সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰী সকলে ঘৰৰ পৰা সন্মানেৰে বিদ্যালয়খনলৈ আদৰি আনে। ইয়াৰ পিছতে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অধিবক্তা মফিদুল ইছলামৰ সভাপতিত্ব অনুষ্ঠিত হয় এখন সম্বৰ্ধনা অনুষ্ঠান। সভাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক জেহেৰুল ইছলামৰ আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে বিদায়ী শিক্ষকগৰাকীৰ কৰ্মজীৱনৰ ওপৰত চমু আলোকপাত কৰে। শিক্ষক জেহেৰুল ইছলামৰ আঁত সম্পৰ্ধনা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক আইনাল হক চৌধুৰী, ইমান আলী, চুলতান মামুদ, ওচমান আলী, আব্দুল ৰেজ্জাক, সমাজকৰ্মী হজৰত আলী, সমাজকৰ্মী ছাইদুল ইছলাম, সাংবাদিক ছাইফুল ইছলাম, শিক্ষক জয়নাল আবেদিন চৌধুৰী, আদি উপস্থিত থাকি বিদায়ী শিক্ষক সুশীল কুমাৰ সৰকাৰৰ কৰ্মজীৱন অতীত সুঁৱৰাৰ লগতে বিদ্যালয়খনৰ উত্তোৰণৰ বাবে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ কথা উল্লেখ কৰি বক্তব্য প্ৰদান কৰে। সভাতে বৃহত্তৰ কাছাৰীপেটী আঞ্চলিক সমিতি ৯৬০ নং ভাদুৰীপাৰা প্ৰাথমিক বিদ্যালয় আৰু লুইত পৰীয়া জাতীয় বিদ্যালয়লৈকে ধৰি বহু কেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, ছাত্ৰ একতা সভা আৰু অলেখ অনুষ্ঠান-প্ৰতিষ্ঠান, শুভাকাংক্ষীয়ে ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, শৰাই, সফুৰা, চেলেং, ফুলৰ থোপা, কিতাপ আদিৰে সুশীল কুমাৰ সৰকাৰক সম্বৰ্ধনা জ্ঞাপন কৰে। সুশীল কুমাৰ সৰকাৰে কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়খনক বঙাইগাঁও জিলাখনৰ ভিতৰতে এখন জাকত-জিলিকা বিদ্যালয় হিচাবে গঢ় দিয়াৰ লগতে বিদ্যালয়খনৰ সকলো দিশ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি অহোপুৰুষাৰ্থ চেষ্টা অব্যাহত ৰাখিছিল সেই ভাষণত বহুজনে প্ৰকাশ কৰে। ১৯৮৬ চনতে শিক্ষকতাৰ চাকৰি জীৱন আৰম্ভ কৰা সুশীল কুমাৰ সৰকাৰে আজি বিদায়ী দিনটোত আবেগিক হৈ পৰা পৰিলক্ষিত হয়। সম্বৰ্ধনা সভাৰ আৰম্ভণিতে কেইবাগৰাকী ছাত্ৰীয়ে এক সমাবেত সংগীত পৰিবেশন কৰে। উল্লেখ্য যে কাছাৰীপেটীৰ এজন বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক সুশীল কুমাৰ সৰকাৰে আজি বিদায় ক্ষণত অঞ্চলটোৰ বহুকেইজন শুভাকাংক্ষী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীও আবেগিক হৈ পৰাৰ কথা জানিবলৈ দিছে।

# মৰাণ ছাত্ৰ নেতা প্ৰশান্ত মৰাণৰ বিয়োগ

**অসম বাৰ্তা, ছৈখোৱা, ৩১ জানুৱাৰী ঃ** উজনি অসমৰ অগ্ৰনী ছাত্ৰ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলাৰ ধলা-শদিয়া আঞ্চলিক সমিতিৰ সভপতি প্ৰশান্ত মৰাণৰ অকাল বিয়োগত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰশান্তই কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল আৰু কালি চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। প্ৰশান্ত মৰাণে সদৌ মৰাণ ছাত্ৰ সন্থাৰ ধলা-শদিয়া আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি থকাৰ উপৰিও তাৰ পূৰ্বে মৰাণ ছাত্ৰ সন্থাৰ তালাপ-কৰ্দৈগুৰী আঞ্চলিক সমিতিৰ আলোচনী সম্পাদক, সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ এই অকাল বিয়োগত মৰাণ জনগোষ্ঠীৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। কালি প্ৰশান্ত মৰাণৰ নশ্বৰ দেহ তিনিচুকীয়াৰ মৰাণ ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় বদৌচা ভৱনলৈ আনি বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তাৰ পিছতে সমদল কৰি আনি কৰ্দৈগুৰী অঞ্চলৰ জুটুলীবাৰীত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আদৰ্শ জাতীয় বিদ্যালয়ৰ লগতে মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ সভা কৰ্দৈগুৰী আঞ্চলিক যুৱক সংঘ, বৃহত্তৰ কৰ্দৈগুৰী যুৱক সংঘ, জকাইচুক নৱজ্যোতি যুৱক সংঘকে ধৰি বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোকাকুল পৰিৱেশত প্ৰশান্ত মৰাণৰ মৃতদেহ সৎকাৰ কৰা হয়। অতি নম্ৰ স্বভাৱৰ প্ৰশান্ত মৰাণৰ অকাল বিয়োগত সমগ্ৰ মৰাণ জনগোষ্ঠী বাবেই এক অপূৰণীয় ক্ষতি বুলি সদৌ মৰাণ ছাত্ৰ সন্থাই অভিহীত কৰিছে।

# পুৱাৰ পৰা নিশালৈকে শ্ৰীশ্ৰী বাসুদেৱ ৰথ যাত্ৰাত অংশ ল'লে শ শ ভক্তৱান লোকে
# হাজোৰ কুলহাটীত দুদিনীয়াকৈ সভা গন্ধ উৎসৱ

**অসম বাৰ্তা, হাজো, ৩১ জানুৱাৰী ঃ** হাজোৰ কুলহাটী ৰাইজ গয়ৰহৰ উদ্যোগত এইবেলিও দুদিনীয়াকৈ অনুষ্ঠিত হৈছে সভা গন্ধ উৎসৱ। শ্ৰীশ্ৰী বাসুদেৱ দেৱালয়ত এই সভা গন্ধ উপলক্ষে পুৱাৰে পৰা শ শ ভক্তই ভিৰ কৰিছে। স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা এই দুদিনীয়া সভা গন্ধ উৎসৱৰ আজি প্ৰথম দিনা পুৱাই উলিওৱা হৈছে প্ৰভু শ্ৰীশ্ৰী বাসুদেৱ দেৱৰ ৰথযাত্ৰা। কুলহাটীৰ বাসুদেৱ দেৱালয়ৰ পৰা আৰম্ভ কৰা এই ৰথ যাত্ৰা কুলহাটী গাঁৱৰ বিভিন্ন চুবুৰী ভ্ৰমণ কৰি নিশাৰ ভাগলৈ পুনৰ উপস্থিত হ'ব বাসুদেৱ দেৱালয়ত। নিশা দেৱালয়ৰ চৌহদতে অনুষ্ঠিত হ'ব নামনি অসমৰ বিখ্যাত যাত্ৰা পাৰ্টী। কাইলৈ অনুষ্ঠিত হ'ব ৰাজহুৱা হোম যজ্ঞ। কুলহাটী গাঁৱৰ সকলোৱে দিনত উপবাসে থাকি এই হোম যজ্ঞত অংশগ্ৰহণ কৰিব। নিশাৰ ভাগলৈ অসমৰ বিখ্যাত নাগাৰা নামৰ দলে নাগাৰা নাম পৰিৱেশন কৰিব বুলি জানিবলৈ দিয়ে পৰিচালনা সমিতিয়ে। উল্লেখ্য যে ইতিহাস প্ৰসিদ্ধ বাসুদেৱ দেৱালয়ৰ সভা গন্ধৰ এক বিশেষ মান্যতা আছে। প্ৰভু শ্ৰীশ্ৰী বাসুদেৱৰ ৰথযাত্ৰাত যিসকল যুৱকে কান্ধত তুলি নগৰ ভ্ৰমণ কৰোৱাই সেই সকলে অতি কম সময়তে কৰ্ম সংস্থাপন লাভ কৰে। এই বিশ্বাস সৰোগত কৰিয়ে অঞ্চলটোৰ সকলো যুৱকে নিশালৈকে এই ৰথ যাত্ৰাত ভাগ লয়। আনকি যি সকল যুৱকে কৰ্তব্যৰ খাটিৰত ৰাজ্যৰ বাহিৰত বাস কৰে তেওঁলোকেও সভা উপলক্ষে এই ৰথ যাত্ৰাত কৰ্তব্যৰ পৰা ছুটী লৈ আহি অংশগ্ৰহণ কৰা দেখা যায়।

# বঙাইগাঁও জিলাৰ কাহিবাৰীত অবৈধ খনন কাৰ্য লৈ ৰাইজৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, লেংটিছিঙা, ৩১ জানুৱাৰী ঃ** বঙাইগাঁৱৰ কাহিবাৰীত আই নৈত অবৈধ খনন। প্ৰতিদিন ১০/১৫খন ট্ৰেক্টৰ, ডাম্পাৰৰে অবৈধ খনন। খনন কাৰ্য বন্ধ কৰিবলৈ জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰিও সুফল নোহোৱাৰ অভিযোগ। খনন কাৰ্য্য বন্ধ কৰিবলৈ ওলাই আহি শশ নৈপৰীয়া ৰাইজৰ প্ৰতিবাদ। বঙাইগাওঁ জিলাৰ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত কাহিবাৰী আই নৈত যোৱা ১৫ দিন ধৰি অবৈধ খনন কাৰ্য অব্যাহত ৰখাত নিদ্ৰা হৰণ কৰিছে নৈপৰীয়া ৰাইজৰ। বাহিৰৰ একাংশ লোকৰ সহযোগত স্থানীয় কিছু লোকে খনন কাৰ্য্য অব্যাহত ৰখাত চিন্তিত হৈ পৰিছে নৈপৰীয়া ৰাইজ। প্ৰতি বছৰ ভয়াবহ হাৰে নৈৰ গৰাখহনীয়া হয়। যাৰ ফলত চিন্তিত হৈ পৰিছে নৈপৰীয়া লোক সকল। কাহিবাৰী-বৰঘোলা সংযোগী পকী দলঙৰ কাষৰ পৰা দিনে নিশাই ১০/১৫ ট্ৰেক্টৰ আৰু ডাম্পাৰৰ সহায়ত অবৈধ ভাবে খনন কৰাৰ বাবে দলঙখনলৈ ভাবুকি অহাৰ সম্ভাৱনা আছে বুলি ব্যক্ত কৰে স্থানীয় লোকসকলে। নৈৰ কাষত বাস কৰা ৯০ শতাংশ লোক কৃষিজীৱী হোৱা বাবে তেওঁলোকে কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱিকা নিৰ্বাহ কৰে। যদি খনন কাৰ্য্য অব্যাহত থাকে তেন্তে বাৰিষাৰ সময়ত ঘৰবাৰীৰ লগতে কৃষিভূমি নৈৰ বুকুত বিলীন হৈ যাব। কালি প্ৰায় ৫ শতাধিক নৈপৰীয়া ৰাইজৰ চহী সাক্ষৰিত এখন স্মাৰক পত্ৰ জিলা আয়ুক্ত আৰু অভয়াপুৰী সমজিলা আয়ুক্তক প্ৰদান কৰিছে যদিও কোনো গুৰুত্ব প্ৰদান নকৰাত আজি শশ লোক ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰেই অবৈধ খনন কাৰ্য্য বন্ধ কৰিবলৈ দাবী জনাইছে অন্যথাই বৃহৎ আন্দোলন গঢ়ি তুলিব বুলি উল্লেখ কৰে প্ৰতিবাদকাৰী সকলে।

# ধুবুৰীত ধুবুৰী জিলা পৰিবহণ বিভাগৰ ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ বিশেষ পদক্ষেপ

**অসম বাৰ্তা, ধুবুৰী, ৩১ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্য জুৰি যোৱা ১ জানুৱাৰীৰ পৰা আৰম্ভ হৈছে ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ বিশেষ পদক্ষেপ। ধুবুৰীত ধুবুৰী জিলা পৰিবহণ বিভাগৰ পথ সুৰক্ষাক লৈ বিশেষ পদক্ষেপ। ১ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী লৈ বিভাগটোৱে হাতত লৈছে বহু কাৰ্য্যসূচী। আজি ধুবুৰীৰ জিলা পৰিবহণ বিষয়া কাৰ্য্যালয়ৰ পৰা আৰম্ভ কৰি BOC মোৰ হৈ গৌৰীপুৰলৈ এখন বাইক ৰেলি অনুষ্ঠিত হয়। উক্ত বাইক ৰেলি শুভাৰম্ভ কৰে ধুবুৰী পৰিবহণ বিষয়া দিব্যজ্যোতি কাৰ্জিয়ে। লগতে বিষয়া গৰাকীয়ে কয় যে পথত যানবাহন চলোৱাৰ ক্ষেত্ৰত নিয়ম নীতি মানি চলিব লাগে, হেলমেট, গড়িত বেল্ট লগাই ড্ৰাইভিং কৰিব লাগে। এক মহীয়া এই দীঘলীয়া অনুষ্ঠানত কুইজ প্ৰতিযোগিতা, জিলাখনৰ বিভিন্ন স্থানত সজাগতা সভা, বাটৰ নাটৰ জৰিয়তে ৰাইজৰ মাজত যানবাহন আইন সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ প্ৰয়াস চলোৱা হৈছে বুলি জানিবলৈ দিয়ে বিষয়া গৰাকীয়ে।

## আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে

অব্যাহত ৰাখিছে। বিশ্বৰ ভূ-ৰাজনৈতিক অনিশ্চয়তা আৰু অস্থিৰতাৰ মাজতো ভাৰতৰ ঘৰুৱা অৰ্থনীতি স্থিৰতা বজাই ৰখাৰ পটভূমিত এইবাৰৰ বাজেট দাখিল হ'ব। অৰ্থনৈতিক বিশেষজ্ঞসকলে আনুমানিক ৭.৪ শতাংশ বৃদ্ধিৰ হাৰৰ ভিত্তিত বাজেটৰ ৰূপৰেখা আশা কৰিছে। বিগত কেইবছৰমান ধৰি ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা মূলধনী ব্যয় এইবাৰো অব্যাহত থাকিব বুলি ধাৰণা কৰা হৈছে। বিশেষকৈ পথ, ৰে'লৱে, গৃহ নিৰ্মাণ, নগৰ উন্নয়ন আৰু লজিষ্টিকছৰ দৰে আন্তঃগাঁথনি খণ্ডত অধিক বিনিয়োগৰ সম্ভাৱনা দেখা গৈছে। বাজেটৰ প্ৰত্যাশিত মূল বিষয়সমূহৰ ভিতৰত আছে নতুন আৰু সৰলীকৃত আয়কৰ আইনৰ স্পষ্ট নিয়ম আৰু পৰিৱৰ্তনৰ বিধান, মানক কৰ্তন বৃদ্ধি, টিডিএছ শ্ৰেণীসমূহৰ যুক্তিসংগতকৰণ, শুল্ক ব্যৱস্থাৰ পৰিৱৰ্তন, কৰ ক্ষমা আঁচনি, ঋণ-জিডিপি অনুপাত হ্ৰাসৰ দীৰ্ঘম্যাদী লক্ষ্য, প্ৰতিৰক্ষা খণ্ডত ব্যয় বৃদ্ধি, এমএছএমই আৰু শুল্ক সংবেদনশীল খণ্ডৰ বাবে ৰেহাই, লিথিয়াম-কোবাল্টৰ দৰে গুৰুত্বপূৰ্ণ খনিজৰ অন্বেষণৰ বাবে ধন, অষ্টম দৰমহা আয়োগৰ বাবে বিধান আৰু ষোড়শ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্যসমূহলৈ কৰ বিতৰণ। ১৯৯৯ চনৰ পৰা বাজেটৰ সময় পুৱা ১১ বজালৈ সলনি হৈছে আৰু ২০১৭ চনৰ পৰা ফেব্ৰুৱাৰীৰ প্ৰথম দিনা দাখিলৰ পৰম্পৰা চলি আহিছে। এইবাৰো সম্পূৰ্ণ 'কাগজবিহীন' বাজেট হ'ব। বাজেটৰ মূল স্থপতি হিচাপে অৰ্থনৈতিক পৰিকল্পনা বিভাগৰ সচিব অনুৰাধা ঠাকুৰৰ বাবে এইটো প্ৰথম বাজেট। ৰাজহ সচিব অৰবিন্দ শ্ৰীবাস্তৱ, ব্যয় সচিব ৱুমলুনমাং ৱুয়ালনাম, বিত্তীয় সেৱা সম্পাদক এম নাগাৰাজু, ডিপামৰ সম্পাদক অৰুনিশ চাওলা আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বাজেট দাখিলৰ পিছত সংসদত বিতৰ্ক অনুষ্ঠিত হ'ব আৰু বিত্ত বিধেয়ক গৃহীত হোৱাৰ পিছত পৰৱৰ্তী বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক ৰোডমেপ নিৰ্ধাৰণ হ'ব।

## বহিঃৰাজ্যলৈ কৰ্মৰ সন্ধানত

চাৰিওজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃত যুৱককেইজন হ'ল— ঢকুৱাখনা নামনি বৰ্ষামুখ গাঁৱৰ একেটা পৰিয়ালৰ ডক্তৰ টাইড (১৮), ধনঞ্জয় টাইড (২৩) আৰু নিৰেন্দ্ৰ নাথ টাইড (২৩)। আন এজন যুৱক লখিমপুৰ জিলাৰ শালমৰাৰ জয়ন্ত চিন্তে। স্থানীয় লোকসকলে জনোৱা মতে, কেইমাহমানৰ আগতে এই চাৰিজন যুৱকে জীৱিকাৰ সন্ধানত বেংগালুৰুলৈ গৈছিল। তেওঁলোকে এটা শীতল পানীয় প্ৰস্তুতকাৰী কোম্পানীৰ গুদামত শ্ৰমিক হিচাপে কাম কৰি আহিছিল। শুকুৰবাৰে নিশা কাম শেষ কৰি ভাৰাঘৰৰ কোঠাত শুই পৰাৰ পিছত শনিবাৰে পুৱা কোঠাটো খোলাৰ লগে লগে চাৰিওজনকে মৃত অৱস্থাত পোৱা যায়। একেটা কোঠাত একেলগে বাস কৰি থকা চাৰিজন যুৱকৰ এনেদৰে মৃত্যু হোৱাটোৱে গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে। গাঁৱৰ লোকে কয়, "শুকুৰবাৰে তিনিমান বজাত পৰিয়ালৰ সৈতে যোগাযোগ হৈছিল। তাৰ পিছতেই এই ভয়ংকৰ খবৰ আহিল। এনেকৈ মৃত্যু হোৱাটো স্বাভাৱিক নহয়। ইয়াৰ পিছফালে কিবা ৰহস্য আছে।" মৃত যুৱককেইজন দুখীয়া পৰিয়ালৰ সন্তান হোৱা বাবে নশ্বৰ দেহ ঘৰলৈ অনাৰ খৰচ বহন কৰাটো পৰিয়ালৰ বাবে কঠিন। সেয়েহে স্থানীয় লোকে অসম চৰকাৰৰ পৰা দাবী জনাইছে যে চৰকাৰে যুৱককেইজনৰ দেহ অসমলৈ অনাৰ ব্যৱস্থা কৰক। লগতে চাৰিওটা পৰিয়ালক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰাৰো দাবী উত্থাপন কৰা হৈছে। স্থানীয় লোকে আৰু কয় যে এই ঘটনাৰ সঠিক তদন্তৰ বাবে কৰ্ণাটক আৰু অসম—দুয়োখন ৰাজ্যৰ চৰকাৰে যুটীয়াভাৱে দায়িত্ব ল'ব লাগে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ সত্যতা নিশ্চিত কৰিছে যদিও মৃত্যুৰ সঠিক কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। পোষ্টমৰ্টেমৰ প্ৰতিবেদনৰ অপেক্ষাত আছে সকলোৱে। এই ঘটনাই পুনৰবাৰ প্ৰব্ৰজিত শ্ৰমিক যুৱকৰ নিৰাপত্তা আৰু কৰ্মস্থানত সুৰক্ষাৰ প্ৰশ্ন উত্থাপন কৰিছে।

## স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাৰ

ফাৰ এটা বিশাল আৰু সুন্দৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই অনুষ্ঠানৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে বৰ অসমৰ ভেটি গঢ়োঁতা মহান শাসকগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উন্মোচন অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাই বিভিন্ন জাতি-জনগোষ্ঠীক এক সম্প্ৰীতিৰ ডোলেৰে বান্ধি এক শক্তিশালী 'বৰ অসম'ৰ ভেটি স্থাপন কৰিছিল। তেওঁৰ দূৰদৰ্শী নেতৃত্ব, অন্তৰ্ভুক্তিমূলক দৃষ্টিভংগী আৰু সু-শাসনৰ নীতিয়ে অসমৰ সামাজিক-সাংস্কৃতিক গাঁথনিক শক্তিশালী কৰিছে আৰু আজিও প্ৰেৰণাৰ উৎস হৈ আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চ্যু-কা-ফাৰ এই আদৰ্শসমূহ আজিৰ অসমৰ বাবে অতি প্ৰাসংগিক আৰু ইয়াক অনুসৰণ কৰি ৰাজ্যখনক অধিক সমৃদ্ধ আৰু সম্প্ৰীতিপূৰ্ণ কৰি গঢ়ি তুলিব পাৰি। মুখ্যমন্ত্ৰীয়ে মে-ডাম-মে-ফী উৎসৱক টাই আহোম সম্প্ৰদায়ৰ পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা জনোৱা আৰু সাংস্কৃতিক ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ এক পুৰণি আৰু পৱিত্ৰ পৰম্পৰা বুলি বৰ্ণনা কৰে। তেওঁ এই উৎসৱৰ জৰিয়তে অসমৰ শান্তি, সমৃদ্ধি আৰু সকলোৰে কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অসমৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। এই প্ৰেক্ষাপটত তেওঁ গুৱাহাটীৰ নটবমাস্থিত চ্যুকাফা ক্ষেত্ৰৰ অধিক উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে ২ কোটি টকাৰ আৰ্থিক সাহায্যৰ ঘোষণা কৰে। এই ঐতিহাসিক অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীৰ নেতা, সাংস্কৃতিক ব্যক্তিত্ব, বিশিষ্ট নাগৰিক আৰু সাধাৰণ ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানখনক অধিক মহিমামণ্ডিত কৰি তুলিছিল। সকলোৱে একেলগে স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাৰ চিৰস্থায়ী ঐতিহ্যক সন্মান জনাইছিল। এই কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যৰ ঐতিহাসিক আৰু সাংস্কৃতিক সম্পদৰ সংৰক্ষণ আৰু প্ৰচাৰৰ প্ৰতি থকা দায়বদ্ধতাক পুনৰ প্ৰতিষ্ঠা কৰিছে।

## প্ৰধানমন্ত্ৰী মোদীৰ প্ৰশংসা;

শুভেচ্ছা জ্ঞাপন কৰিছে। ইনষ্টাগ্ৰামত ক'ষ্ট গাৰ্ডে মন্ত্ৰীৰ বাৰ্তা শ্বেয়াৰ কৰি কৃতজ্ঞতা প্ৰকাশ কৰে। মন্ত্ৰী সিঙে বাহিনীক ৰাষ্ট্ৰীয় সুৰক্ষাৰ অতি গুৰুত্বপূৰ্ণ স্তম্ভ বুলি অভিহিত কৰি কয় যে, ই সাগৰীয় সীমান্ত সুৰক্ষা, অবৈধ গতিবিধি ৰোধ, দুৰ্যোগত উদ্ধাৰ আৰু সামুদ্ৰিক পৰিৱেশ ৰক্ষাত নিৰন্তৰ অৱদান আগবঢ়াই আহিছে। তেওঁ জোৱানসকলৰ নিষ্ঠা আৰু সাহসৰ শলাগ লৈ ২০২৬-২৭ৰ স্বৰ্ণ জয়ন্তী বৰ্ষত অধিক উৎকৃষ্টতাৰ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বাহিনীক সামুদ্ৰিক সুৰক্ষাৰ সতৰ্ক প্ৰহৰী বুলি প্ৰশংসা কৰি উপকূলীয় জনগোষ্ঠীৰ জীৱন-জীৱিকা ৰক্ষাৰ ভূমিকাক গুৰুত্ব দিয়ে। ১৯৭৭ চনৰ ১ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠিত এই বাহিনীয়ে পাঁচ দশকত আধুনিক সম্পদৰে ভাৰতৰ সামুদ্ৰিক স্বাৰ্থৰ শক্তিশালী ঢাল হৈ পৰিছে।

## ডেকাচাং আঞ্চলিক বজাৰ ক্লাৱৰ কমিটী গঠন

**অসম বাৰ্তা, সোণতলী, ৩১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ডেকাচাঙত ডেকাচাং আঞ্চলিক বজাৰ ক্লাৱৰ নতুন কমিটী গঠন কৰে। জানিব পৰামতে, এই সন্দৰ্ভত শুক্ৰবাৰে ইয়াৰ কাৰ্যালয় প্ৰাঙ্গনত প্ৰাক্তন সভাপতি এম মুক্তাৰ মণ্ডলৰ পৌৰহিত্বত এখন সভা অনুষ্ঠিত কৰে। সভাত প্ৰস্তাৱ আৰু সমৰ্থনমৰ্মে, এম মুক্তাৰ মণ্ডলক সভাপতি, তাজ উদ্দিনক উপ-সভাপতি, আশ্ৰৱ আলীক সাধাৰণ সম্পাদক, আব্দুছ ছালামক সহঃ সম্পাদক, আনোৱাৰ হুছেইনক ক্ৰীড়া সম্পাদক, ময়নুল হকক সাংস্কৃতিক সম্পাদক, ৰুহুল আমিনক আলোচনী সম্পাদক, শ্বাকিল আফৰোজক প্ৰচাৰ সম্পাদক, আব্দুল হাইক ধৰ্মীয় সম্পাদক, আব্দুল হামিদ আনছাৰীক ধনভঁৰালী আৰু সাহানুৰ ইছলামক কাৰ্যালয় সম্পাদক হিচাপে লৈ মুঠ ৩১ জনীয়া এখন পূৰ্ণাংগ কমিটী গঠন কৰে। উল্লেখ্য, এই সভাতে বিগত পুৰণি কমিটীখন ভঙ্গ কৰি এই নতুন কমিটীখন গঠন কৰে বুলি জানিব পৰা গৈছে।

## আজিৰে পৰা ভকত

আবিৰ্ভাৱ ক্ষেত্ৰ তথা বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প দেওবাৰৰ পৰা দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই শনিবাৰে জাৰি কৰা এক জাননীত এই কথা ঘোষণা কৰে। উল্লেখ্য যে, ২০২৫ চনৰ ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বহু প্ৰত্যাশিত প্ৰকল্পটোৰ শুভাৰম্ভ কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত দবা-নেগেৰা, শংখধ্বনি, খোল-তাল আৰু আয়তীৰ মংগল উৰুলিৰ মাজত এই ঐতিহাসিক অনুষ্ঠান সম্পন্ন হৈছিল। প্ৰায় দুইশতাধিক কোটি টকা ব্যয়ত নিৰ্মিত এই প্ৰকল্পই মহাপুৰুষৰ জীৱন-দৰ্শন, নাম-প্ৰসংগ আৰু অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ সংৰক্ষণ তথা প্ৰচাৰ-প্ৰসাৰৰ লগতে ৰাজ্যৰ সাংস্কৃতিক পৰ্যটনক নতুন দিশ দিয়াৰ লক্ষ্য ৰাখিছে। দেওবাৰৰ পৰা ভকত-বৈষ্ণৱ, পৰিয়াল আৰু সাধাৰণ দৰ্শনাৰ্থীসকলে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে এই পৱিত্ৰ ক্ষেত্ৰ দৰ্শন কৰিব পাৰিব। কৰ্তৃপক্ষই দৰ্শনাৰ্থীসকলৰ সুবিধাৰ কথা মনত ৰাখি কেইবাটাও কঠোৰ নিয়ম-কানুন জাৰি কৰিছে। সকলো ধৰণৰ বাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে আৰু কোনো খাদ্য সামগ্ৰী লৈ যোৱাৰ অনুমতি নাই। ধূমপান, মাদক দ্ৰব্য, তামোল-পান, পান-মচলা, গুটখা আদি ব্যৱহাৰ কৰিলে কঠোৰ জৰিমনাৰ বিধান ৰখা হৈছে। পৰম্পৰাগত অসমীয়া সাজ-পাৰ পৰিধান কৰি অহাসকলক প্ৰৱেশৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব। দৰ্শনাৰ্থীয়ে নিজৰ সামগ্ৰী নিজৰ দায়িত্বত ৰাখিব লাগিব আৰু সামগ্ৰী হেৰুৱালে কৰ্তৃপক্ষ দায়ী নহ'ব। নিৰ্ধাৰিত প্ৰৱেশদ্বাৰেৰে শাৰী পাতি শান্তভাৱে প্ৰৱেশ কৰিব লাগিব আৰু নিৰাপত্তাৰক্ষীৰ প্ৰতি সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰাঙ্গণত নীৰৱতা, শালীনতা আৰু শৃংখলা অটুট ৰখাটো বাধ্যতামূলক। উচ্চস্বৰে কথা-বতৰা, হুলস্থূল, অশালীন আচৰণ, থুই বা পিক পেলোৱা, ফুল-গছ-গছনি ছিঙা, প্ৰাঙ্গণৰ সম্পত্তি ক্ষতিগ্ৰস্ত কৰা, ধৰ্মীয় অনুভূতিত আঘাত হনা কোনো মন্তব্য বা আচৰণ সম্পূৰ্ণ নিষিদ্ধ। আৱৰ্জনা য'তে-ত'তে পেলোৱাৰ পৰিৱৰ্তে নিৰ্দিষ্ট ডাষ্টবিনতহে পেলাব লাগিব। নিৰ্ধাৰিত শৌচাগাৰৰ বাহিৰত কোনো অশুচি কাৰ্য কৰিব নোৱাৰি। নিয়ম ভংগ কৰিলে বিভিন্ন পৰিমাণৰ জৰিমনা নিৰ্ধাৰণ কৰা হৈছে। আৱৰ্জনা পেলোৱা, ফুল-গছ ক্ষতিগ্ৰস্ত কৰা, নিৰ্ধাৰিত শৌচাগাৰৰ বাহিৰত অশুচি কাৰ্য, ধৰ্মীয় অনুভূতিত আঘাত হনা আচৰণৰ বাবে এক হাজাৰ টকাকৈ জৰিমনা ধাৰ্য কৰা হৈছে। ধূমপান, মাদক দ্ৰব্য, তামোল-পান আদি ব্যৱহাৰ কৰিলে পাঁচ হাজাৰ টকা জৰিমনা দিব লাগিব। শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ক্ষেত্ৰৰ পৰিচালনা সমিতিৰ সকলো নিৰ্দেশ মানি চলিবলৈ আৰু নিয়ম-শৃংখলা বজাই ৰাখি শান্তিপূৰ্ণভাৱে দৰ্শন কৰিবলৈ ভকত-বৈষ্ণৱ আৰু সকলো দৰ্শনাৰ্থীক অনুৰোধ জনোৱা হৈছে। এই প্ৰকল্পৰ জৰিয়তে অসমৰ সাংস্কৃতিক ঐতিহ্যক বিশ্বৰ আগত উজ্জ্বল কৰি তোলাৰ লগতে নতুন প্ৰজন্মৰ মাজত মহাপুৰুষৰ আদৰ্শ সংৰক্ষণৰ এক ডাঙৰ পদক্ষেপ হ'ব বুলি আশা কৰা হৈছে।

## হিমন্ত বিশ্ব শৰ্মাই কেৱল

শনিবাৰে মে-ডাম-মে-ফী উদযাপনৰ সময়ত গুৱাহাটীৰ বিভিন্ন প্ৰান্তত (জয়ানগৰ, বতাহঘুলি, নটবমা, কলাক্ষেত্ৰ) অনুষ্ঠিত অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত কয়, "হিমন্ত বিশ্ব শৰ্মাই ক'ত মাটি ল'ব পাৰে, মদৰ দোকান খুলি কেনেকৈ ধাৰ মাৰিব পাৰে— সেইবোৰ লৈহে চিন্তিত। বৰ অসম, নতুন অসমৰ কথা তেওঁ নজনাটো আমাৰ বাবে একো নতুন কথা নহয়।" ইয়াৰ আগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ 'নতুন বৰ অসম' শ্ল'গানক তীব্ৰভাৱে সমালোচনা কৰি কৈছিল যে এই ধাৰণাৰ অৰ্থ অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলক সংযোজন কৰি নতুন অসম গঢ়াৰ চেষ্টা। তেওঁ কৈছিল— "স্বৰ্গদেউ চাওলুং চ্যুকাফাই ছশ বছৰ আগতে যি বৰ অসম গঢ়ি থৈ গৈছে, সেইটোৱেই আমাৰ বৰ অসম। নতুন বৰ অসম মানে বিদেশী সোমোৱাসকলক লৈ নতুন অসম গঢ়া। আমাক লাগে চ্যুকাফাই গঢ়ি থৈ যোৱা বৰ অসম, নতুন বৰ অসমৰ প্ৰয়োজন নাই।" মে-ডাম-মে-ফীৰ পৱিত্ৰ দিনা টাই আহোম সমাজৰ পূৰ্বপুৰুষ আৰু পুলিন-পুথাওসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি গৌৰৱ গগৈয়ে কয়, "আজি আমাৰ পূৰ্বপুৰুষসকলক শ্ৰদ্ধা জনোৱা আৰু প্ৰাৰ্থনা কৰাৰ দিন। ৬০০ বছৰীয়া আহোম ৰাজত্বৰ দৰে সবল, শক্তিশালী, সমৃদ্ধিশালী আৰু প্ৰগতিশীল অসম গঢ় দিয়াৰ দৰেই আধুনিক যুগতো আমি নতুন বৰ অসম গঢ় দিব পাৰোঁ। পৰম্পৰা আৰু মূল্যবোধ ধৰি ৰাখি আধুনিক পথেৰে আগবাঢ়ি যাম। উৎপাদনশীল, সমৃদ্ধিশীল আৰু প্ৰগতিশীল এখন নতুন বৰ অসম গঢ় দিয়াৰ বাবে আমি কাম কৰি যাম।" অনুষ্ঠানসমূহত গৌৰৱ গগৈৰ সৈতে প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা-কৰ্মী যেনে ঋতুপৰ্ণ কোঁৱৰ, ৰূপক দাস, উদিত ভানু দাস, ৰামান্না বৰুৱা, শান্তনু বৰা, গোবিন্দ দাস, কৃদীপ বৰ্মন, ইন্দ্ৰনীল কলিতা আদি উপস্থিত থাকে। এই বাকযুদ্ধই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত 'বৰ অসম' বনাম 'নতুন বৰ অসম'ৰ বিষয়ক ৰাজনৈতিক বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে।

## মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী

আচাৰ্য দেৱব্ৰতৰ উপস্থিতিত সুনেত্ৰা পাৱাৰে কাৰ্যভাৰ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, এন চি পিৰ নেতৃত্ব আৰু পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। সুনেত্ৰা পাৱাৰ লোকভৱনত প্ৰৱেশ কৰাৰ লগে লগে উপস্থিত বিধায়ক, কৰ্মী আৰু সমৰ্থকসকলে "অজিত দাদা অমৰ ৰাহে", "অজিত দাদা মহাৰাষ্ট্ৰৰ একমাত্ৰ নেতা", "বৌ, তুমি আগবাঢ়ি যোৱা, আমি তোমাৰ লগত আছোঁ" আদি শ্লোগান দি উচ্চস্বৰে সমৰ্থন জনায়। এই হৰ্ষধ্বনিৰ মাজতে তেওঁ শপত গ্ৰহণ কৰে। শপত গ্ৰহণৰ পূৰ্বে সুনেত্ৰা পাৱাৰক এন চি পি বিধায়িনী দলৰ নেত্ৰী হিচাপে নিৰ্বাচিত কৰা হয়। তাৰ পিছত এন চি পিৰ নেতাসকলে মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিছৰ সৈতে বৈঠকত মিলিত হৈ তেওঁৰ নিযুক্তি চূড়ান্ত কৰে। শপত গ্ৰহণ অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মন্ত্ৰী চন্দ্ৰশেখৰ বাৱানকুলে, এন চি পিৰ ৰাজ্যিক সভাপতি সুনীল তাটকাৰে, কাৰ্যকৰী সভাপতি প্ৰফুল্ল পেটেল আৰু অন্যান্য নেতাসকল উপস্থিত থাকে। শপত গ্ৰহণৰ সময়ত এন চি পিৰ নেতাসকলে "অজিত দাদা অমৰ ৰাহে" আৰু "ভাৰত মাতা কি জয়" শ্লোগান দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুনেত্ৰা পাৱাৰক এ' প্লেটফৰ্মত অভিনন্দন জ্ঞাপন কৰি লিখিছে, "মহাৰাষ্ট্ৰৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে সুনেত্ৰা পাৱাৰজীলৈ অভিনন্দন। মই নিশ্চিত যে তেওঁ ৰাজ্যবাসীৰ কল্যাণৰ বাবে অক্লান্ত পৰিশ্ৰম কৰিব আৰু প্ৰয়াত অজিতদাদা পাৱাৰৰ দৃষ্টিভংগী পূৰণ কৰিব।" এই নিযুক্তিয়ে মহাৰাষ্ট্ৰৰ ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে।

## ধৰাশায়ী নিউজীলেণ্ড !T-20

প্ৰদৰ্শনৰ জৰিয়তে ভাৰতে নিউজিলেণ্ডক ২৭২ ৰাণৰ লক্ষ্যত বান্ধি ৰাখিবলৈ সক্ষম হৈছিল। টছ জিকি প্ৰথমে বেটিং কৰা টীম ইণ্ডিয়াই নিৰ্ধাৰিত ২০ ওভাৰত নিউজিলেণ্ডক ২৭২ ৰাণৰ বিশাল লক্ষ্য আগবঢ়াই দিছিল। এই লক্ষ্য তাড়না কৰিবলৈ নামি নিউজিলেণ্ডৰ বেটাৰসকলে ভাল আৰম্ভণি কৰিলেও ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তেওঁলোকৰ ইনিংছ ভাঙি পৰে। ভাৰতৰ বলিং বিভাগে অসাধাৰণ প্ৰদৰ্শন দেখুৱাইছিল। অৰ্শদ্বীপ সিঙে ৫টা উইকেট লৈ নিউজিলেণ্ডৰ মধ্যভাগক সম্পূৰ্ণৰূপে ভাঙি পেলায়। অক্ষৰ পেটেলে ৩টা গুৰুত্বপূৰ্ণ উইকেট লাভ কৰি মেচৰ মোৰ ঘূৰাই দিয়াত সহায় কৰে। নিউজিলেণ্ডৰ আটাইকেইটা উইকেটৰ পতন ঘটি ২২৫ ৰাণতেই ইনিংছ সমাপ্ত হয়। এই জয়ৰ ফলত টীম ইণ্ডিয়াই নিউজিলেণ্ডৰ মাটিত ৪-১ ব্যৱধানত শৃংখলা দখল কৰিবলৈ সক্ষম হ'ল। অৰ্শদ্বীপ সিং আৰু অক্ষৰ পেটেলৰ দৰে যুৱ বলাৰসকলৰ উজ্জ্বল প্ৰদৰ্শনে ভাৰতীয় দলৰ বলিং বিভাগৰ গভীৰতা প্ৰকাশ কৰিলে। এই জয়ে আগন্তুক আইচিচি টুৰ্ণামেণ্টসমূহৰ বাবে টীম ইণ্ডিয়াৰ আত্মবিশ্বাসক আৰু বৃদ্ধি কৰিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। এই শৃংখলা জয়ে ভাৰতীয় ক্ৰিকেট অনুৰাগীসকলৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে আৰু দলটোৰ বাবে এক ইতিবাচক বাৰ্তা দিছে।

## বাংলাদেশী বহিষ্কাৰৰ

শৰ্মাক অসমৰ অবৈধ বাংলাদেশীসকলৰ বাবে "আটাইতকৈ উপকাৰী জীৱ" বুলি তীব্ৰ ভাষাৰে আক্ৰমণ কৰিছে। শনিবাৰে গুৱাহাটীস্থিত দলীয় কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক একেলগে সমালোচনা কৰি বিগত বছৰবোৰৰ প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ অভিযোগ উত্থাপন কৰে। জগদীশ ভূঞাই কয় যে গৃহমন্ত্ৰী অমিত শ্বাহৰ শেহতীয়া অসম ভ্ৰমণত নতুন কোনো বাৰ্তা নাছিল। তেওঁ কয়, "২০১৪, ২০১৬, ২০১৯, ২০২১ আৰু ২০২৪ চনৰ নিৰ্বাচনৰ আগতে যি কথা কৈছিল, সেই একেবোৰ কথাই পুনৰ কৈ গ'ল। বান-গৰাখহনীয়া আৰু বিদেশী সমস্যাৰ কথা কৈছে যদিও ব্ৰহ্মপুত্ৰৰ পানী বৃহৎ পুখুৰীত বোৱাই নিয়াৰ প্ৰস্তাৱ ২০২১ চনতো দিছিল, এইবাৰো দিলে। এনে অবাস্তৱ পৰিকল্পনাৰ বিজ্ঞানসন্মত ভিত্তি কি— সেয়া ক'ত?" তেওঁ লগতে কয় যে বিদেশী বহিষ্কাৰৰ বাবে তৃতীয়টো কাৰ্যকাল বিচৰাটো হাস্যকৰ। "২০১৯ চনত ধৰমতুলত কৈছিল— সীমান্ত এটা পাৰ হ'ব নোৱাৰাকৈ ছীল কৰিম। কিন্তু বাৰে বাৰে একেবোৰ প্ৰতিশ্ৰুতি দি লাজ নাপায় নেকি?" জগদীশ ভূঞাই বিধানসভাত দাখিল কৰা তথ্য উদ্ধৃত কৰি কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ আমোলত (২০২১—২০২৫ অক্টোবৰলৈকে) ৩২, ২০৭জন অবৈধ বিদেশী চিনাক্ত কৰা হৈছে যদিও বহিষ্কাৰ কৰা হৈছে মাত্ৰ ১, ৪১৬ জনকহে। ৰাজ্যপালৰ ভাষণ অনুসৰি ১.৭ লাখ ঘোষিত অবৈধ নাগৰিকৰ ভিতৰত মাত্ৰ ৪৬৭ জনকহে খেদিব পৰা হৈছে। তেওঁ কয়, "'কা'ৰ জৰিয়তে অবৈধ বাংলাদেশীক নাগৰিকত্ব দিয়াৰ বাট মুকলি কৰিছে। তথাপি আকৌ এটা কাৰ্যকাল বিচাৰিছে—এয়া লজ্জাজনক।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া মন্তব্যক লৈ জগদীশ ভূঞাই কয়, "মুখ্যমন্ত্ৰীয়ে এটা বিশেষ জনগোষ্ঠীক (মিঞা) টাৰ্গেট কৰি লৈছে। 'মিঞাক কষ্ট দিয়াটোহে মোৰ কাম', 'ৰিক্সাৱালাৰ ভাৰা পাঁচ টকা হ'লে চাৰি টকাহে দিব লাগে'—এইবোৰ বক্তব্য বেআইনী, সংবিধান বিৰোধী, উচটনিমূলক, বিদ্বেষমূলক আৰু অমানৱীয়। ই হেট স্পীচ। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব লাগে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ পৰা প্ৰশ্ন—এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে?" তেওঁ মুখ্যমন্ত্ৰীলৈ কেইবাটাও প্ৰশ্ন উত্থাপন কৰে—এনআৰচি উন্নীতকৰণ সম্পূৰ্ণ হৈছে নে?, ১৯ লাখৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে নে? , বাংলাদেশৰ সৈতে প্ৰত্যৰ্পণ চুক্তি হৈছে নে?, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হৈছে নেকি?, অসমীয়াৰ বাবে সাংবিধানিক ৰক্ষাকবচ দিয়া হৈছে নেকি? জগদীশ ভূঞাই কয় যে উচ্ছেদিত বেছিভাগ লোকক বিকল্প মাটি, ঘৰ, পট্টা দিয়া হৈছে আৰু ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰা হৈছে। "খালী হোৱা মাটি আদানি-আম্বাণীৰ দৰে পুঁজিপতিক দিয়া হৈছে। গতিকে হিমন্ত বিশ্ব শৰ্মা অসমৰ অবৈধ বাংলাদেশীৰ বাবে আটাইতকৈ উপকাৰী জীৱ।" এই তীব্ৰ সমালোচনাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিদেশী সমস্যা আৰু অসমীয়া পৰিচয়ৰ বিষয়ক ৰাজনৈতিক বিতৰ্কক আৰু উত্তপ্ত কৰি তুলিছে।

## প্ৰধানমন্ত্ৰী মোদীৰ সৈতে দ্বিতীয়

বৈদেশিক মন্ত্ৰীসকল, আৰব লীগৰ সচিব প্ৰধান আৰু অন্যান্য উচ্চপদস্থ প্ৰতিনিধিসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। দ্বিতীয় ভাৰত-আৰব বিদেশ মন্ত্ৰী বৈঠকত অংশগ্ৰহণৰ বাবে এই প্ৰতিনিধিদল নতুন দিল্লী আহিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ এক বিবৃতি অনুসৰি, বৈঠকত ভাৰত আৰু আৰব বিশ্বৰ জনসাধাৰণৰ মাজত থকা গভীৰ আৰু ঐতিহাসিক সম্পৰ্কৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই দীৰ্ঘদিনীয়া সম্পৰ্কই বছৰ বছৰ ধৰি দুয়োপক্ষৰ মাজৰ বন্ধুত্ব আৰু সহযোগিতাক শক্তিশালী কৰি ৰাখিছে। প্ৰধানমন্ত্ৰীয়ে ভাৰত-আৰব অংশীদাৰিত্বৰ ভৱিষ্যতৰ বিষয়ে নিজৰ দৃষ্টিভংগী স্পষ্ট কৰি কয় যে বাণিজ্য আৰু বিনিয়োগ, শক্তি নিৰাপত্তা, প্ৰযুক্তি, স্বাস্থ্যসেৱা, শিক্ষা আৰু অন্যান্য গুৰুত্বপূৰ্ণ ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণৰ জৰিয়তে দুয়োপক্ষৰ জনসাধাৰণৰ পাৰস্পৰিক লাভালাভ নিশ্চিত কৰিবলৈ ভাৰতে দৃঢ় প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে পেলেষ্টাইনৰ জনসাধাৰণৰ প্ৰতি ভাৰতৰ অটল সমৰ্থন পুনৰ দোহাৰে। তেওঁ গাজাত চলি থকা শান্তি প্ৰচেষ্টা আৰু শান্তি পৰিকল্পনাক আদৰণি জনাই আৰব লীগে এই অঞ্চলত শান্তি আৰু স্থিৰতা প্ৰতিষ্ঠাত পালন কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰশংসা কৰে। ইয়াৰ পূৰ্বে ওমানৰ বৈদেশিক মন্ত্ৰী বদৰ আলবুছাইদীয়ে ভাৰতৰ বৈদেশিক পৰৰাষ্ট্ৰ মন্ত্ৰী এছ জয়শংকৰৰ সৈতে বৈঠকত মিলিত হয়। জয়শংকৰে এ'ত পোষ্ট কৰি কয় যে এই আলোচনাত বাণিজ্য, গুৰুত্বপূৰ্ণ খনিজ সম্পদ আৰু আঞ্চলিক সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ লগতে কয় যে দুয়োপক্ষৰ মাজত থকা বিশ্বাস আৰু শক্তিশালী বুজাবুজিয়ে ভাৰত-ওমান কৌশলগত অংশীদাৰিত্বক আৰু গভীৰ কৰিছে। বৈদেশিক পৰৰাষ্ট্ৰ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে জনায় যে আলবুছাইদীৰ এই ভ্ৰমণে ভাৰত আৰু ওমানৰ মাজত থকা বহুমুখী সম্পৰ্কক অধিক শক্তিশালী কৰিব। ভাৰত আৰু সংযুক্ত আৰব এমিৰেটছৰ যুটীয়া অধ্যক্ষতাত শনিবাৰে নতুন দিল্লীত দ্বিতীয় ভাৰত-আৰব বিদেশ মন্ত্ৰী বৈঠক অনুষ্ঠিত হৈছে। আৰব লীগৰ সদস্য ৰাষ্ট্ৰসমূহৰ বৈদেশিক মন্ত্ৰীসকলে আৰব লীগৰ সচিব প্ৰধানৰ সৈতে এই বৈঠকত অংশগ্ৰহণ কৰিছে। এই বৈঠকসমূহে ভাৰত আৰু আৰব বিশ্বৰ মাজত থকা অংশীদাৰিত্বক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে আঞ্চলিক শান্তি আৰু স্থিৰতাৰ প্ৰচেষ্টাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## মিঞা ভোটক লৈ পাগল হৈ

বিশ্ব শৰ্মাই কংগ্ৰেছ দলৰ 'নতুন বৰ অসম" শ্ল'গানক তীব্ৰ ভাষাৰে সমালোচনা কৰে। সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছে যি 'নতুন বৰঅসম'ৰ কথা কৈছে, সেয়া মূলতঃ অবৈধ অনুপ্ৰৱেশকাৰীক আশ্ৰয় দিয়াৰ এক ৰাজনৈতিক কৌশলহে। আমি বৰ অসম বুলিলে চ্যুকাফাই গঢ়ি থৈ যোৱা বৰ অসমৰ কথাহে বুজো। অসমত এনে কোনো বৰ অসম কেতিয়াও গঢ়িব দিয়া নহ'ব বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট ভাষাৰে মন্তব্য কৰে। অবৈধ অনুপ্ৰৱেশ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে মাননিয় উচ্চতম ন্যায়ালয়ৰ শেহতীয়া ৰায়ৰ কথা উল্লেখ কৰি কয় যে আদালতৰ নিৰ্দেশ অনুসৰিয়েই অসম চৰকাৰে অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি খেদাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। 'কোনো ৰাজনৈতিক চাপ বা ভোট বেংকৰ ৰাজনীতিয়ে এই প্ৰক্ৰিয়া ৰোধ কৰিব নোৱাৰে' বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে মন্তব্য কৰে। গৌৰৱ গগৈ প্ৰসংগত সোধা এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় গৌৰৱ গগৈ মিঞাৰ ভোটক লৈ পাগল হৈ আছে। তেওঁ অসমীয়াক পাহৰি গৈছে। অসমীয়াৰ 'অস'টো কাটি এদিন সকলোকে মিঞা বনাই দিব। কোনোবাই মিঞাৰ বিৰুদ্ধে ক'লে হুলস্থূল লগাই দিয়ে। অসমীয়াৰ হৈ ক'লে কোনো টিপ্পনী নাই। তেওঁলোকে কয় হিমন্ত বিশ্ব শৰ্মাই কেৱল 'মিঞা, মিঞা' কয়। মিঞা বুলি নকৈ কি বুলি কম। মিঞাই আমাৰ মাটি দখল কৰিছে, সত্ৰ দখল কৰিছে। মিঞাই লাভ জেহাদ কৰিব, ফাৰ্টিলাইজাৰ জেহাদ কৰিব। অসমত বিজেপি দলৰ চৰকাৰ নাথাকিলে কংগ্ৰেছে মিঞাৰ হাত অসম বিক্ৰী কৰি দিব। অন্যহাতে খুমটাই সমষ্টিৰ প্ৰাৰ্থিত্ব সন্দৰ্ভত মৃণাল শইকীয়াৰ প্ৰাৰ্থিত্ব নিশ্চিত কৰি মুখ্যমন্ত্ৰীয়ে কয় খুমটাইত কোনেও প্ৰাৰ্থিত্ব বিচৰা নাই। ইয়াত প্ৰাৰ্থিত্ব বিচৰা বেলেগ মানুহ নাই। মুখ্যমন্ত্ৰীয়ে মৃণাল শইকীয়াক পুনৰ সমৰ্থন জনাবলৈ ৰাইজক আহ্বান জনায়। ইফালে দেৰগাঁও সমষ্টিৰ প্ৰাৰ্থিত্ব সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় দেৰগাঁও সমষ্টিত এইবাৰ বিজেপিয়ে খেলিব। কাৰণ যোৱাবাৰ যেতিয়া এজিপিক টিকট দিছিলোঁ তেতিয়া দেৰগাঁৱৰ বিজেপিৰ কৰ্মীসকলে মোৰ পৰা প্ৰতিশ্ৰুতি লৈছিলে যে অহাবাৰ আমাক দিব। সেই কাৰণে দেৰগাঁৱত এশ শতাংশ বিজেপিৰ হ'ব। এজিপিয়ে যদি বন্ধুত্বমূলক খেলে আমি বেয়া নাপাওঁ। এজিপিয়ে খেলিব লাগিব বুলি ভাবিলে খেলিব পাৰে। আমাৰ মিলামিছা যেনেদৰে আছে তেনেদৰে থাকিব বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰি দেৰগাঁৱত বিজেপিৰ প্ৰাৰ্থী নতুন মুখৰ হ'ব বুলি প্ৰকাশ কৰে।

## কংগ্ৰেছৰ টিকট কেন্দ্ৰীক

সমীকৰণ কিছু সলনি হৈছে। পূৰ্বৰ বট্ৰদৱা সমষ্টিৰ ১০টা পঞ্চায়ত আৰু ধিং সমষ্টিৰ ১৫ পঞ্চায়ত আৰু এখন পৌৰসভা লৈ নতুনকৈ গঠন কৰা হৈছে সমষ্টি টো। সমষ্টি টোত মুঠ ভোটাৰৰ সংখ্যা ২, ২৩, ৬৬৬ জন। ইয়াৰে পুৰুষ ভোটাৰ ১, ১৪, ৬৯৯ জন, মহিলা ভোটাৰ ১, ০৮, ৯৫০জন আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ১৩ জন। বিগত নিৰ্বাচনৰ সমূহত কংগ্ৰেছ দলৰ ভেটি সবল থকাৰ পাছতো ইটোৰ পাছত সিটো নিৰ্বাচনত কেৱল ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰে সমষ্টিটো নিজৰ হাতলৈ নিবলৈ সক্ষম হৈছিল এ আই ইউ ডি এফে। ইয়াৰ মুলতেই আছিল সমষ্টি টোত প্ৰতিটো নিৰ্বাচনত কংগ্ৰেছৰ টিকট প্ৰত্যাশীৰ ভিৰ আৰু টিকট ঘোষনাৰ পাছতে কংগ্ৰেছৰ মজিয়াত চলা চিপৰাং মাৰা ৰাজনীতি। কংগ্ৰেছৰ টিকট কেন্দ্ৰীক বিসংবাদ ৰাজনীতিৰ বাবেই একেৰাহে তিনিবাৰকৈ সমষ্টিটোত পৰাজিত হোৱা কংগ্ৰেছ দলে ২০২১ বৰ্ষত এ আই ইউ ডি এফৰে মিত্ৰতা কৰি আমিনুল ইছলামৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। কিন্তু এ আই ইউ ডি এফৰে মিত্ৰতা ভংগৰ পাছত এইবাৰ পুনৰ কংগ্ৰেছে অকলে যুঁজত অৱতীৰ্ণ হব লাগিব ধিং সমষ্টিত। এনে সন্ধিক্ষণত পুনৰ কংগ্ৰেছৰ মজিয়াত টিকট প্ৰত্যাশীয়ে একেই পৰিবেশৰ সৃষ্টি কৰিছে ধিং সমষ্টিত। অসমৰ সকলো সমষ্টিৰ টিকট প্ৰত্যাশীৰ সংখ্যা অতিক্ৰম কৰি ধিং সমষ্টিত কংগ্ৰেছৰ টিকটৰ বাবে আবেদন কৰিছে সৰ্বমুঠ ৩৩ গৰাকী দাবীদাৰে। দল টোৰ ৩৩জন টিকট আৱেদকৰ ভিতৰত আছে পূৰ্বৰ বট্ৰদৱা সমষ্টিৰ বিধায়ীকা শিবামনী বৰা, ৰিমঝিম বৰা, আনোৱাৰ হুছেইন, ৰাইহান উদ্দিনচৌধুৰী, মনুৱাৰ হুছেইন ফাৰুকী, হাইদৰ আলী, মহছিন খান, আনুৱাৰা চুলতানা, হোজাইৰ মমতাজ বেগম, ৰঙিয়াৰ আব্দুজ ছামাদ চৌধুৰী, চুৰহাব আলী, মিজানুৰ ৰহমান, বাবুল আলী, আফৰুদা বেগমকে প্ৰমোখ্য কৰি ধিং সমষ্টিৰ লগতে অসমৰ বিভিন্ন স্থানৰ প্ৰাৰ্থীত্বৰ আবেদনক লৈ মুঠ ৩৩জন টিকট প্ৰত্যাশীয়ে আৱেদন কৰি সৰ্বকালৰ ইতিহাস ভংগ কৰিছে। ইফালে পূৰ্বৰ বিধায়ক আমিনুল ইছলামৰ সমষ্টি সলনি হোৱাত ধিং সমষ্টিত এইবাৰ এ আই ইউ ডি এফৰ পৰা টিকট দাবী কৰি আৱেদন কৰিছে বট্ৰদৱা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি চাৰি বাৰ পৰাজিত হোৱা, তথা ২০২১ ত মাত্ৰ ১৬৯০টা ভোট লাভ কৰা মতিউৰ ৰহমান আৰু অধিবক্তা বদৰুদ্দুজা চৌধুৰীয়ে। এ আই ইউ ডি এফ আৰু কংগ্ৰেছৰ এই প্ৰাৰ্থী সকলে নিৰ্বাচনৰ প্ৰাক ক্ষনতহে আহি এনেদৰে প্ৰাৰ্থীত্বৰ আৱেদন কৰিছে। স্থানীয় ভোটাৰে চিনি পোৱা প্ৰাৰ্থীৰ সংখ্যা তেনেই নগণ্য। তদুপৰি প্ৰাৰ্থী সকলৰ সমষ্টিটোত নাই বিশেষ গণভিত্তি। কংগ্ৰেছৰ বহু কেইজন প্ৰাৰ্থীক ব্লক কংগ্ৰেছৰ কৰ্মীয়ে চিনিয়ে নাপাই। তথাপি সমষ্টি টোত কংগ্ৰেছৰ প্ৰাৰ্থী মুঠ পঞ্চায়তৰ সংখ্যাতকৈ অধিক। কংগ্ৰেছৰ প্ৰাৰ্থী সকলৰ মাজৰ যি কেইজন স্থানীয় প্ৰাৰ্থী আছে তেওঁলোকৰ মাজত সাপ নেউলৰ দৰে সম্পৰ্ক। বিৰোধী মিত্ৰতা নহলে বা অখিল গগৈয়ে দাবী কৰাৰ দৰে ধিং সমষ্টিটো ৰাইজৰ দলক কংগ্ৰেছে এৰি নিদিলে, এই সকলৰ ভিতৰৰ শিৱামনী বাৰাই কংগ্ৰেছৰ টিকট লাভ কৰা সম্ভাৱনা অধিক। কিন্তু বট্ৰদৱাৰ বিধায়ীকা গৰাকীক ধিং সমষ্টিত কংগ্ৰেছে প্ৰক্ষেপ কৰিলে স্থানীয় কংগ্ৰেছী টিকট দাবী দাৰ সকলৰ চিপৰাং মাৰা ৰাজনীতিয়ে শিৱামনীক ধৰাশায়ী কৰাৰ সম্ভাৱনাই অধিক। এনে সম্ভাব্য যতিল দৃশ্যপটে দেখা দিয়াৰ পাছত কংগ্ৰেছৰ নেতৃত্বই সমষ্টি টোৰ বিসংবাদ ৰোধ কৰি মিত্ৰদলৰ দখললৈ আনিব হলে ৰাইজৰ দলক সমষ্টিটো এৰি দিয়াৰ দৰে কৌশলী পদক্ষেপো লব পাৰে। যাৰ দ্বাৰা মিত্ৰজোটৰ শক্তি বৃদ্ধি হব পাৰে আৰু এ আই ইউ ডি এফৰ ৰবি মধ্য অসমত মাৰ যাব। কিন্তু সেয়া সকলো নিৰ্ভৰ কৰিব বিৰোধীৰ মিত্ৰতাৰ চৰ্ত পূৰণৰ ওপৰত। ধিং সমষ্টিৰ ক্ষেত্ৰত কংগ্ৰেছৰ নেতৃত্বই তেনে কৌশলী পদক্ষেপ লবলৈ সক্ষম নহলে বিৰোধী মিত্ৰতা ভংগৰ দিশে গতি কৰিব আৰু ধিং সমষ্টিৰ লগতে কংগ্ৰেছৰ দুৰ্গ বুলি খ্যাত প্ৰতিটো সমষ্টিতে ৰাইজৰ দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। যিয়ে সমগ্ৰ অসমত কংগ্ৰেছৰ ভোট বিভাজনে বিপৰ্যয় আনিব। ইফালে পূৰ্বৰ অভিজ্ঞতাৰ পৰা এটা কথা স্পষ্ট যে কংগ্ৰেছে সমষ্টি টোত এজনক টিকট দিয়াৰ পাছত ৩২ জনেই পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি চিপৰাং মাৰিলে সমষ্টিটোত ৩য় বা ৪ৰ্থ স্থানত থাকি সন্তুষ্ট থাকিব লাগিব কংগ্ৰেছ। তাৰ পৰিবৰ্তে ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰ আৰু এ আই ইউ ডি এফৰ মাজতহে প্ৰতিদ্বন্দ্বিতা হব। কাৰণ সমষ্টি টোত ২০২১ চনৰ পৰা থিতাপি লোৱা ৰাইজৰ দলে ২১ ৰ নিৰ্বাচনৰ পাছৰ পৰাই নিজৰ দলীয় স্থিতি মজবুত কৰি এ আই ইউ ডি এফৰ ভেটিত মুক্ষম আঘাত হানিছে। যোৱা ৫টা বছৰত ৰাইজৰ দলে সমষ্টি টোৰ প্ৰতিটো পঞ্চায়ত ৱাৰ্ড পৰ্যন্ত দলীয় তৃণমূল সাংগঠনিক কাম কাজ কৰি নিৰ্বাচনৰ বাবে সাজু হৈ আছে। বহুবাৰ অখিল গগৈয়ে সমষ্টি টোত প্ৰচাৰো চলাইছে। সম্প্ৰতি ধিং সমষ্টিত ৰাইজৰ দলে এ আই ইউ ডি এফৰ মুৰৰ কামোৰণি সৃষ্টি কৰিছে। তদুপৰি ৰাইজৰ দলৰ এইবাৰ প্ৰাৰ্থীত্বৰ দাবীদাৰো এজনেই। ২০২১ চনত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মিত্ৰতাৰ পাছতো কোনো সংগঠন নথকাকৈ হঠাত ৰাইজৰ দলৰ টিকট লৈ সংবাদ কৰ্মী মেহবুব মুক্তাৰে প্ৰত্যাহ্বান জনাইছিল কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থী আমিনুল ইছলামক। মাত্ৰ ১৫ দিনৰ প্ৰচাৰ চলাই দুটা দলৰ সমৰ্থনত প্ৰতিদ্বন্দ্বিতা কৰা আমিনুলৰ সৈতে যুঁজত নামি ৪৩ হাজাৰ ভোট পাবলৈ সক্ষম হৈছিল ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰ। সেই ৪৩ হাজাৰ ভোটাৰক মূলধন হিচাবে লৈ পৰৱৰ্তী ৫ বছৰ সংগঠন কৰি মেহবুব মুক্তাৰে এইবাৰো নিৰ্বাচন খেলিবৰ বাবে সাজু হৈছে। এনেক্ষেত্ৰত ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰ ধিং সমষ্টিত এজন বলিষ্ঠ প্ৰাৰ্থী হিচাবে চিহ্নিত হৈছে। যাৰ বাবে কংগ্ৰেছৰ সৈতে আসন বুজাবুজিত শিৱসাগৰৰ পাছতে ধিং সমষ্টিটো দাবী কৰিছে অখিল গগৈয়ে। অখিল গগৈয়ে এই দাবীৰ যুক্তিযুক্তাও নুই কৰিব নোৱাৰি। কিয়নো যোৱা ২০ বছৰে ধিং সমষ্টিটো এ আই ইউ ডি এফৰ হাততহে আছিল। এতিয়া এটা কথা স্পষ্ট যে ধিং বিধান সভা আসন খনৰ ক্ষেত্ৰত বুজাবুজিৰ ওপৰতে অসমত কংগ্ৰেছৰ ভোট বিভাজনৰ সমগ্ৰ প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰিব। সেয়ে কংগ্ৰেছ দলে ৰাইজৰ দলক ধিং সমষ্টিটো বুজাবুজিৰে এৰি দি সমৰ্থন আগবঢ়ালে ২০ বছৰৰ পাছত এ আই ইউ ডি এফৰ ৰবি মাৰ যোৱাৰ পথ প্ৰসস্ত হ'ব ধিং সমষ্টিত। যাৰ দ্বাৰা লাভান্বিত হব বিৰোধী ঐক্য। এনেক্ষেত্ৰত শেষ সময়ত কংগ্ৰেছ দলে কি সিদ্ধান্ত লয় সেয়া হ'ব লক্ষণীয়।

## দুবছৰ ধৰি নাওবৈচাৰ এমএলএ

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ ওপৰতেই মূলতঃ গুৰুত্ব আছিল। মিত্ৰতা বা জোটৰ প্ৰসংগ এই আলোচনাত উত্থাপন হোৱা নাছিল বুলি তেওঁ জানিবলৈ দিয়ে। লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ সোণৰচেকীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত যোগ দি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "শুকুৰবাৰে সন্ধিয়া গুৱাহাটীৰ ৰাজ্যিক বিজেপি কাৰ্যালয়ত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে প্ৰায় দুঘণ্টা ধৰি অসমৰ নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে আলোচনা হৈছে। নিৰ্বাচনৰ বাবে কি কি কৰিব লাগিব, কেনেকৈ আগুৱাই যাব লাগিব— এইবোৰ বিষয়তে সুন্দৰ আৰু ফলপ্ৰসূ আলোচনা হৈছে। মিত্ৰতাৰ কথা পাছে পৰি থাকিব। সেইবোৰ পাছত চিন্তা কৰিম।" অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লখিমপুৰত ৩১ হাজাৰ মহিলাক উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। তেওঁ জনায় যে এইটো ১০১ নম্বৰৰ বিতৰণ অনুষ্ঠান আছিল। "অহা এসপ্তাহৰ ভিতৰতে ৰাজ্যৰ বাকী থকা সমষ্টিসমূহতো এই আঁচনিৰ পুঁজি বিতৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্য ৰাখিছোঁ"— মুখ্যমন্ত্ৰীয়ে কয়। নাওবৈচা সমষ্টিৰ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক তীব্ৰভাৱে সমালোচনা কৰি কয়, "কংগ্ৰেছে এজনক এমএলএ পাতি লৈছে, কিন্তু সেই এমএলএ ক'ত থাকে কোনেও গম নাপায়। যদি বিধায়ক নাথাকে তেন্তে সমষ্টিৰ উন্নয়ন কেনেকৈ হ'ব? যোৱা দুবছৰ ধৰি এই এমএলএ ক'ত আছে, ৰাইজেও নাজানে।" তেওঁ লগতে যোগ কৰে যে বিজেপিয়ে নাওবৈচাত এজন যোগ্য আৰু ভাল প্ৰাৰ্থী দিব আৰু ৰাইজে সেই প্ৰাৰ্থীক ভোট দি সমষ্টিৰ উন্নয়নৰ পথ মুকলি কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে আৰু কয়, "বৰ্তমান মই মুখ্যমন্ত্ৰী হৈ আছোঁ। বিজেপিৰ একমাত্ৰ লক্ষ্য হৈছে আগন্তুক নিৰ্বাচনত দলক বিজয়ী কৰা। কোন মুখ্যমন্ত্ৰী হ'ব, কোন মন্ত্ৰী হ'ব— এইবোৰ পাছে পৰি থাকিব। প্ৰথমে দলক জয়ী কৰাটোৱেই মূল কথা।" এই মন্তব্যই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজ্যৰ ৰাজনৈতিক আলোচনাক আৰু তীব্ৰতৰ কৰি তুলিছে।

জুবিন গাৰ্গৰ শেষৰখন ছবি 'ৰৈ ৰৈ বিনালে'ৰ প্ৰদৰ্শন

# বৰক্ষেত্ৰীৰ জাগাৰাত পাঁচদিনীয়াকৈ ঐতিহ্যমণ্ডিত জাগাৰা সভা মহোৎসৱ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ঐতিহ্যমণ্ডিত জাগাৰাত ২ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সভা মহোৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যে প্ৰদীপ কুমাৰ ডেকাক সভাপতি, সতীশ ডেকাক কাৰ্যকৰী সভাপতি, ঋতুৰাজ ডেকা, সুৰেন্দ্ৰ ডেকাক উপ-সভাপতি, কনক চন্দ্ৰ ডেকা, কমলাকান্ত ডেকা, ভবেশ ডেকাক হিচাপ পৰীক্ষক, গোকুল ডেকা, সৰ্বেশ্বৰ ডেকাক যুটীয়া সম্পাদক আৰু নৱজিৎ তালুকদাৰক সহযোগী সম্পাদক হিচাপে লৈ ১২৭ সংখ্যক ঐতিহ্যমণ্ডিত জাগাৰা সভা মহোৎসৱ উদ্‌যাপন সমিতি এখনো গঠন কৰিছে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত পৰিৱেশ প্ৰস্তুতকৰণ, ৮.৩০ বজাত মুখ্য বন্তি প্ৰজ্বলন আৰু মংগলাচৰণম, ৯ বজাত ধৰ্মধ্বজা উত্তোলন, ১০ বজাত অস্থায়ী কাৰ্যালয় মুকলি, ১০.৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ১১ বজাত সভা মন্দিৰৰ দ্বাৰ উন্মোচন, ১২ বজাত পূজা অৰ্চনা আৰু হোমৰ পাছতে ভাগৱত পাঠ, ১ বজাত নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ, আবেলি ৪ বজাত ঢুলীয়া জাগৰণ, সন্ধিয়া ৫ বজাত আতচবাজী প্ৰদৰ্শন, ৫.৩০ বজাত বন্তি প্ৰজ্বলন কৰিব। দ্বিতীয় দিনা পুৱা ৮ বজাত পৰিৱেশ প্ৰস্তুতকৰণ, ১০ বজাত পূজা-অৰ্চনা আৰু হোম, ১০.৩০ বজাত ভাগৱত পাঠ, ১১ বজাত আয়তীৰ নাম-প্ৰসংগ, দুপৰীয়া ১২.৩০ বজাত নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ, দিনৰ ২ বজাত ৰাজহুৱা ভোগ বিতৰণ, আবেলি ৩ বজাত ওজাপালি পৰিৱেশন, সন্ধিয়া ৫ বজাত আতচবাজী প্ৰদৰ্শন, ৫.৩০ বজাত বন্তি প্ৰজ্জ্বলন, ৬ বজাত ড° ভূপেন হাজৰিকা আৰু লুইত কণ্ঠ, অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ গীতৰ আধাৰত আধুনিক একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তৃতীয় দিনা পুৱা ৮ বজাত পৰিৱেশ প্ৰস্তুতকৰণ, ৯.৩০ বজাত পূজা-অৰ্চনা আৰু হোম, ১০.৩০ বজাত ভাগৱত পাঠ, ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, দিনৰ ১ বজাত নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ, আবেলি ৩ বজাত আয়তীৰ নাম-প্ৰসংগ, সন্ধিয়া ৫ বজাত আতচবাজী প্ৰদৰ্শন, ৫.৩০ বজাত বন্তি প্ৰজ্বলন, ৬.৩০ বজাত পাপৰি মিনি থিয়েটাৰ, ৰামপুৰৰ দ্বাৰা পূৰ্ণাংগ নাট প্ৰদৰ্শন কৰিব। চতুৰ্থ দিনা পুৱা ৮ বজাত পৰিৱেশ প্ৰস্তুতকৰণ, ৯.৩০ বজাত পূজা-অৰ্চনা, ১০ বজাত ভাগৱত পাঠ, ১১ বজাত বিয়ানাম প্ৰতিযোগিতা, দিনৰ ১ বজাত নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ, আবেলি ৩.৩০ বজাত জিতেন বৈশ্যৰ দলৰ দ্বাৰা ভাওৰীয়া প্ৰদৰ্শন, সন্ধিয়া ৫ বজাত আতচবাজী প্ৰদৰ্শন, ৫.৩০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে। অন্তিম দিনা পুৱা ৮ বজাত পৰিৱেশ প্ৰস্তুতকৰণ, ৯.৩০ বজাত পূজা-অৰ্চনা, ১০ বজাত আয়তীৰ নাম-প্ৰসংগ, আবেলি ৩ বজাত পশ্চিম কলবাৰীৰ পূৰবী বৰ্মনৰ দলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন, নিশা ৯ বজাত প্ৰসাদ বিতৰণৰ লগতে সভাৰ সামৰণি পৰিব। এই সভাৰ মুখ্য আকৰ্ষণ হৈছে অসমৰ চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ দ্বাৰা পৰিচালিত জিলা উদ্যম সমাগম বিভাগৰ দ্বাৰা 'স্বদেশী বাণিজ্য মেলা'। আনহাতে, জাগাৰা যুৱক সংঘৰ প্ৰেক্ষাগৃহত ২, ৩ আৰু ৪ ফেব্ৰুৱাৰীত 'ৰৈ ৰৈ বিনালে' কথাছবিখনো প্ৰদৰ্শন কৰা হ'ব।

মিঞা মুছলমানসকলৰ বিৰুদ্ধে প্ৰৰোচনামূলক মন্তব্য কৰাৰ অভিযোগত দাখিল এজাহাৰ

# মানৱ অধিকাৰ কৰ্মী হৰ্ষ মাণ্ডাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এজাহাৰ দাখিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** মানৱ অধিকাৰ কৰ্মী তথা প্ৰাক্তন অসামৰিক বিষয়া হৰ্ষ মাণ্ডাৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আৰক্ষীত গোচৰ ৰুজু কৰিছে। অভিযোগটোত ২০২৬ চনৰ ২৭ জানুৱাৰীত কৰা ৰাজহুৱা বিবৃতিক অসমৰ বঙালী ভাষী মুছলমানসকলৰ বিৰুদ্ধে ঘৃণা, হাৰাশাস্তি আৰু বৈষম্যৰ প্ৰচাৰ কৰা বুলি বৰ্ণনা কৰা হৈছে। মাণ্ডাৰে ভাৰতীয় ন্যায় সংহিতা, ২০২৩ৰ ধাৰা ১৯৬, ১৯৭, ২৯৯, ৩০২ আৰু ৩৫৩ ৰ অধীনত তাৎক্ষণিকভাৱে এজাহাৰ পঞ্জীয়ন কৰিবলৈ, সঠিক তদন্ত কৰিবলৈ আৰু বিশেষ ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াৰ সময়ত এনে বিবৃতি অধিক বন্ধ কৰিবলৈ দাবী জনাইছে। অভিযোগটো দিল্লীৰ হজ খাছ আৰক্ষী চকীত পঞ্জীয়ন কৰা হৈছে। ছ'চিয়েল মিডিয়াত ক্ষোভৰ মাজত এই অভিযোগ আহিছে, য'ত মুখ্যমন্ত্ৰী শৰ্মাৰ বিৰুদ্ধে বঙালী মূলৰ মুছলমানসকলক লক্ষ্য কৰি ঘৃণামূলক বক্তব্য দিয়াৰ অভিযোগ উত্থাপিত হৈছে। তিনচুকীয়া জিলাৰ ডিগবৈত এক চৰকাৰী অনুষ্ঠানত বঙালী ভাষী মুছলমানসকলক 'মিয়া' বুলি সম্বোধন কৰা শৰ্মাই তেওঁলোকৰ হাৰাশাস্তি, সামাজিক বৈষম্য আৰু ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম আঁতৰোৱাৰ বিষয়ে কৈছিল। অভিযোগ অনুসৰি, শৰ্মাই তেওঁৰ দলৰ কৰ্মীসকলক ভোটাৰ তালিকা সংশোধনৰ সময়ত মিঞা সম্প্ৰদায়ৰ বিৰুদ্ধে অভিযোগ আৰু আপত্তি দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ কথা স্বীকাৰ কৰিছিল। তেওঁ কয় যে বিশেষ গভীৰ সংশোধনী (এছআই আৰ) প্ৰক্ৰিয়াত 'চাৰিৰ পৰা পাঁচ লাখ মিয়া ভোটাৰৰ নাম আঁতৰোৱা হ'ব। "হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি পোনপটীয়াকৈ মিয়াৰ বিৰুদ্ধে" আৰু ইয়াৰ উপৰিও তেওঁ জনসাধাৰণক মিঞাক "হাৰাশাস্তি" কৰিবলৈ আহ্বান জনায় যাতে তেওঁলোকে অসম এৰি যায়। তিনিচুকীয়া জিলাৰ ডিগবৈত সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি শৰ্মাই দাবী কৰে যে "মিয়া সম্প্ৰদায়ক কষ্ট দিয়াটো তেওঁলোকৰ দায়িত্ব।" তেওঁলোকে যাতে অসমত ভোটদান কৰিব নোৱাৰে সেয়া আমি নিশ্চিত কৰিছো। নিৰ্বাচন আয়োগে ৰাজ্যখনৰ ১২খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অসমত বিশেষ সংশোধনী (এছআৰ) গ্ৰহণ কৰিছে। শৰ্মাই কৈছিল যে এছআৰ প্ৰাৰম্ভিক আৰু এছআইআৰ আহিলে চাৰিৰ পৰা পাঁচ লাখ ভোট আঁতৰোৱা হ'ব। অভিযোগত কোৱা হৈছে যে এই মন্তব্যবোৰ সাম্প্ৰদায়িক সম্প্ৰীতি, ৰাজহুৱা শৃংখলা আৰু প্ৰভাৱিত সম্প্ৰদায়ৰ সাংবিধানিক অধিকাৰ যেনে ভোটাধিকাৰ আৰু জীৱিকাৰ প্ৰতি ভাবুকি। ই বৈষম্য আৰু বিদ্বেষক উচটনি দিছে। মাণ্ডাৰে যুক্তি দিছে যে মুখ্যমন্ত্ৰীৰ চৰকাৰী মঞ্চৰ পৰা দিয়া এই মন্তব্যবোৰে ৰাজ্যিক কৰ্তৃত্বৰ মোহৰ লগাই আৰু ইয়াৰ বাবে ৰাজ্যিক কৰ্মচাৰী আৰু কোনো ব্যক্তিক অবৈধ কাৰ্য কৰিবলৈ উৎসাহিত কৰিব পাৰে। মাণ্ডাৰে কৈছে যে এই বিবৃতিবোৰে ধৰ্মীয় অনুভূতিক আঘাত কৰা, অপৰাধমূলক ভাবুকি আৰু পদৰ অপব্যৱহাৰকে ধৰি বিচাৰযোগ্য অপৰাধ প্ৰকাশ কৰে। সেয়েহে, আইনৰ দ্বাৰা এজাহাৰ দাখিল কৰাটো বাধ্যতামূলক।

# ঢেকীয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত অসম প্ৰদেশ কুঁড়ুখ (ওৰাওঁ) সংঘৰ অষ্টাদশ ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আৰম্ভ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩১ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ভোটপাৰা ষ্টেডিয়ামত আজি জাক্‌জমকভাৱে আৰম্ভ হৈছে অসম প্ৰদেশ কুঁড়ুখ (ওৰাওঁ) সংঘৰ অষ্টাদশ ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। পুৱা পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ মাধ্যমেৰে অধিৱেশনৰ আনুষ্ঠানিক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজিৰ অধিৱেশনত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ৰামচন্দ্ৰ হনু ওৰাওঁ দেৱে সংঘৰ পতকা উত্তোলন কৰে। তেখেতক সহযোগিতা কৰে উক্ত অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ধীৰেন তিৰ্কীয়ে। সমান্তৰালভাৱে সংগঠনটোৰ কেন্দ্ৰীয় সম্পাদক সুনীল ওৰাওঁ দেৱে শ্বহীদ তৰ্পণ কৰি জাতিৰ বীৰ সন্তানসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। উক্ত কেন্দ্ৰীয় অধিৱেশনত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে বহিৰ্ৰাজ্যৰ পৰাও ওৰাওঁ সম্প্ৰদায়ৰ লোকসকল উপস্থিত থাকে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি মধ্যপ্ৰদেশৰ নিৰ্মলা প্ৰধান ওৰাওঁ, উৰিষ্যাৰ মংলা ওৰাওঁ, লগতে কেইবাখনো ৰাজ্যৰ প্ৰতিনিধি উপস্থিত থাকি গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়াই। ওৰাওঁ সমাজৰ সংস্কৃতি, ঐতিহ্য, ভাষা আৰু অধিকাৰৰ সুৰক্ষা, শিক্ষাৰ বিকাশ, সামাজিক ঐক্য আৰু ভৱিষ্যৎ কৰ্মপন্থা আদি গুৰুত্বপূৰ্ণ বিষয়ক লৈ অধিৱেশনত বিস্তৃত আলোচনা হোৱাৰ সম্ভাৱনা আছে। ভোটপাৰা ষ্টেডিয়ামত আজি এক উদুলিমুদুলি আৰু উৎসৱমুখৰ পৰিবেশ বিৰাজ কৰে। পৰম্পৰাগত সাজ-পোছাক, সংগীত আৰু আদিবাসী সংস্কৃতিৰ ৰঙীন উপস্থাপনে অধিৱেশনস্থলী আৰু অধিক আকৰ্ষণীয় কৰি তোলে। সংগঠনটোৰ নেতা-কৰ্মীসকলে এই অধিৱেশন আদিবাসী সমাজৰ ঐক্য সুদৃঢ় কৰাৰ লগতে সামাজিক আৰু সাংস্কৃতিক চেতনা অধিক শক্তিশালী কৰিব বুলি আশাবাদ ব্যক্ত কৰে। আজিৰ অনুষ্ঠানত সকলোৰে সহযোগ কৰাত সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলে অভ্যৰ্থনা সমিতিৰ কোষাধ্যক্ষ গোপীনাথ ওৰাওঁ দেৱে।

পূৰ্বে গৰু চুৰি কৰি চুলি খুৰাই শাস্তি পাইছিল ধৃত যুৱকজনে; আজি পুনৰ কাৰ্যত লিপ্ত থাকোঁতে ধৰা পেলালে গ্ৰামবাসীয়ে

# গোহাঁই গাঁৱত তামোল চুৰ কৰিবলৈ আহি হাতে-লোটে ধৰা পৰিল চোৰ

## ৰাইজৰ 'উত্তম-মাধ্যম'ৰ পাছত আৰক্ষীক গতাই দিলে ছাইফুলক

**অসম বাৰ্তা, বঙাইগাঁও, ৩১ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ গোহাঁই গাঁৱৰ উৰিয়াপাৰা অঞ্চলত আজি সন্ধিয়া এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। এঘৰ মানুহৰ বাগানত তামোল চুৰ কৰিবলৈ আহি এজন যুৱক ৰাইজৰ হাতত হাতে-লোটে ধৰা পৰাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। ধৃত যুৱকজনক উৰিয়াপাৰাৰ বাসিন্দা ছাইফুল আলী ওৰফে মনু বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, আজি সন্ধিয়া উৰিয়াপাৰাৰ বাসিন্দা শান্তি দাসৰ বাগানত থকা তামোল গছৰ পৰা চুৰ কৰি থকা অৱস্থাত স্থানীয় ৰাইজে মনুক কৰায়ত্ত কৰে। দীৰ্ঘদিন ধৰি অঞ্চলটোত চলি থকা বিভিন্ন সৰু-বৰ চুৰিকাণ্ডৰ বাবে অতিষ্ঠ হৈ থকা ৰাইজে আজি চোৰজনক হাতে-লোটে ধৰি ৰাজপথলৈ উলিয়াই আনে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এইজন ছাইফুল ওৰফে মনু এজন নামী চোৰ। ইয়াৰ পূৰ্বেও গৰু চুৰি কৰিবলৈ আহি তেওঁ ৰাইজৰ হাতত ধৰা পৰিছিল। সেই সময়ত ৰাইজে তেওঁৰ চুলি খুৰাই দি সকীয়নি দি এৰি দিছিল যদিও যুৱকজনে পুনৰ একেই পথ বাছি লোৱাত ক্ষোভিত হৈ পৰে ৰাইজ। আজি পুনৰবাৰ তামোল চুৰি কৰিবলৈ আহি ধৰা পৰাত ৰাইজে তেওঁক 'উত্তম-মাধ্যম' সোধাই আৰক্ষীক খবৰ দিয়ে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাত ৰাইজে চোৰজনক আৰক্ষীৰ হাতত গতাই দিয়ে। সঘনাই সংঘটিত এনে চুৰিকাণ্ডৰ বাবে এতিয়া গোহাঁই গাঁও অঞ্চলত তীব্ৰ নিৰাপত্তাহীনতাই বিৰাজ কৰিছে।

# নাজিৰাত প্ৰান্তে প্ৰান্তে মে-ডাম-মে-ফি উদ্‌যাপন

**অসম বাৰ্তা, নামতি, ৩১ জানুৱাৰী ঃ** টাই আহোম সম্প্ৰদায়ৰ পৰম্পৰাগত নিয়ম অনুসৰি ৩১ জানুৱাৰীত সমগ্ৰ অসমৰ লগতে নাজিৰা সমজিলাৰ প্ৰান্তে-প্ৰান্তে পালন কৰা হয় মে-ডাম-মে-ফি। নাজিৰাৰ দ'লবাৰী মৈদাম প্ৰাংগণত টাই আহোম যুৱ পৰিষদ অসম (টাইপা), পিয়লি ফুকন আঞ্চলিক সমিতি আৰু মহিলা পৰিষদৰ উদ্যোগত লগতে 'টাইপা' নাজিৰা মহকুমা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত বিগত বৰ্ষৰ দৰে এইবাৰো দশম বাৰ্ষিক মে-ডাম-মে-ফি উদ্‌যাপন কৰে। ৩০ আৰু ৩১ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা প্ৰথম দিনা পুৱাই চাফাই অভিযানেৰে আৰম্ভ কৰি পতাকা উত্তোলন কৰে টাইপা পিয়লি ফুকন আঞ্চলিক সমিতিৰ সভাপতি, উদ্‌যাপন সমিতিৰ সভাপতি আৰু টাইপা পিয়লি ফুকন আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰীয়ে। মৈডাম তৰ্পণ কৰে টাইপা পিয়লি ফুকন আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক আৰু উদ্‌যাপন সমিতিৰ সম্পাদকে। তাৰ পিছতেই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন, ৰচনা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। দ্বিতীয় দিনা পুৱাই সমাজকৰ্মী মানচাও পদ্মেশ্বৰ বুঢ়াগোহাঁইয়ে বৃক্ষ ৰোপণ তাৰ পিছতেই পিতৃ পুৰুষ চাওফা চাওলুং চ্যুকাফা প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি পূৰ্ণাংগ বানফি অনুষ্ঠান আৰম্ভ কৰি পৰম্পৰাগত ৰছী টনা, টেকেলি ভঙা খেল-ধেমালি অনুষ্ঠিত হয় আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা লাই-লুং-খাম নৃত্য প্ৰদৰ্শন কৰি মুকলি সভা অনুষ্ঠিত হয়। সন্ধিয়ালৈ মানচাও শোভম কোঁৱৰে উদ্বোধন কৰা সাংস্কৃতিক সন্ধ্যা আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীতৰ শৰাইয়ে অনুষ্ঠান সামৰণি পৰে। নাজিৰাৰ লিগিৰীপুখুৰীস্থ প্ৰথম অসম আৰক্ষী বাহিনীৰ চাউনিতো বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফি উদ্‌যাপন কৰা হয়। অনুষ্ঠানত টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁয়ে বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি ভাষণ প্ৰসংগত প্ৰথম অসম আৰক্ষী বাহিনীৰ চাউনীত টাই আহোমৰ পৰম্পৰাগত অনুষ্ঠান অনুষ্ঠিত কৰাত সহায় হোৱাৰ বাবে এটি স্থায়ী "চাওচেং" (উপাসনাস্থলী) নিৰ্মাণৰ বাবে টাই আহোম উন্নয়ন পৰিষদৰ পুঁজিৰ পৰা ১৫ লাখ টকা অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। বাহিনীৰ অধিনায়ক মুছলেহ উদ্দিন আহমেদকে ধৰি ভালেকেইজন বিষয়া অনুষ্ঠানত উপস্থিত থাকে। আনহাতে নাজিৰা নগৰৰ মাজমজিয়াস্থ আমোলাপট্টিত থকা আইদেউ মৈদাম প্ৰাংগণতো বিভিন্ন কাৰ্যসূচীৰে মে -ডাম-মে-ফি উদ্‌যাপন কৰে। স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই অনুষ্ঠানত সমাজসেৱী বন্দনা শইকীয়াকে ধৰি ভালে কেইজনে বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰে। আটাছুৰ নাজিৰা মহকুমা সমিতিয়েও নাজিৰা দিখৌ নদীৰ পাৰৰ স্বৰ্গদেউ চ্যুকাফাৰ প্ৰতিমূৰ্ত্তিত মাল্যাপণ আৰু বন্তি প্ৰজ্বলন কৰাৰ লগতে বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰে মে-ডাম-মে-ফি অনুষ্ঠান।

উপস্থিত থাকিব অসমৰ ২০টা শাখাৰ ৫০০ প্ৰতিনিধি

# আজিৰে পৰা মাৰ্ঘেৰিটাত অসম চাহ কৰ্মচাৰী সংঘৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩১ জানুৱাৰী ঃ** সেইজ সোণৰ দেশ অসম মুলুকত ২০০ বছৰ গৰকা অসমৰ চাহ উদ্যোগত নিয়োজিত হৈ থকা কৰ্মচাৰীসকলক প্ৰতিনিধিত্ব কৰা একমাত্ৰ অৰাজনৈতিক শ্ৰম সংগঠন 'অসম চাহ কৰ্মচাৰী সংঘ' ই ইতিমধ্যে সোণালী জয়ন্তী আৰু গৌৰৱোজ্বল হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। প্ৰাক স্বাধীনতা-উত্তৰ কালতে অৰ্থাৎ ১৯৪৭ চনৰ ৯ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা অসম চাহ কৰ্মচাৰী সংঘৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখনি সুদীৰ্ঘ ৪৮ বছৰৰ পাছত মাৰ্ঘেৰিটা শাখা সংঘৰ আতিথ্যত ৩১ জানুৱাৰী, ১ আৰু ২ ফেব্ৰুৱাৰী তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাৰ্ঘেৰিটা নগৰস্থিত ইণ্ডিয়া ক্লাৱ প্ৰাংগণত অনুষ্ঠিত কৰা হৈছে। এই অধিৱেশনত বিশেষভাৱে মুকলি সভাত বাৰেৰহণীয়া শোভাযাত্ৰা, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বিষয় বাছনি সভা আদি অনুষ্ঠিত হ'ব। অধিৱেশনত অসম চাহ কৰ্মচাৰী সংঘৰ ২০টা শাখাৰ ৫০০ প্ৰতিনিধি উপস্থিত থকাৰ লগতে মুকলি সভাত প্ৰায় ৫ হেজাৰ কৰ্মচাৰী উপস্থিত থাকিব। তিনিদিনীয়া অধিৱেশনৰ প্ৰথম কাৰ্যসূচী হিচাপে আজি বিয়লি ৫ বজাত প্ৰতিনিধি শিবিৰ মুকলি কৰা হয়। প্ৰতিনিধি শিবিৰ মুকলি কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগে। ইয়াৰ পাছত কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ সভা অনুষ্ঠিত হয়। এই বাতৰি লিখাৰ সময়লৈকে উক্ত সভা চলি আছে। কাইলৈ, অৰ্থাৎ ১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাত চফাই অভিযানৰ পিছতে সংঘৰ পতাকা উত্তোলন কৰিব সংঘৰ কেন্দ্ৰীয় সভাপতি মহম্মদ হাৰিচুজ জামালে। আনহাতে ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ পতাকা উত্তোলন কৰিব সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতাই। স্মৃতি তৰ্পণ কৰিব সংঘৰ মাৰ্ঘেৰিটা শাখাৰ প্ৰাক্তন সম্পাদক চুচেন শইকীয়াই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাব অসম গৌৰৱ বঁটাপ্ৰাপক মাঞ্জেলা চিংফৌয়ে। গছপুলি ৰোপণ কৰিব শিক্ষাবিদ, প্ৰবীণ সাংবাদিক জগত চাংমায়ে। ইয়াৰ পাছত সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিব বিশিষ্ট অভিনেতা অংশুমান ভূঞাই। ১১: ৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া মুকলি সভাৰ উদ্বোধন কৰিব ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) ৰ মন্ত্ৰী ৰূপেশ গোৱালাই। সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বুলি অভ্যৰ্থনা সমিতিয়ে জনাইছে। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব বিশিষ্ট চিন্তাবিদ, লেখক-প্ৰবন্ধকাৰ ময়ূৰ বৰা। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব এন.ডি. ২৪ ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুঙ বৰুৱা। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ, জ্যেষ্ঠ সাংবাদিক ড° ঋষি দাসে। সন্ধিয়ালৈ অনুষ্ঠিত হ'ব আমন্ত্ৰিত শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক সন্ধিয়া। অনুষ্ঠানৰ মুখ্য আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী দেবা গীৎজৰ গীতৰ শৰাই। অধিৱেশনৰ অন্তিম দিনা অৰ্থাৎ ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব প্ৰতিনিধি সভা। উক্ত সভাতেই আগন্তুক ত্ৰি-বৰ্ষৰ বাবে সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, কোষাধ্যক্ষ আৰু বিভিন্ন বিভাগীয় সম্পাদক পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখ্য যে, সংঘৰ বিগত ৬১ আৰু ৬২ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত সাধাৰণ সম্পাদকৰ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল য'ত বৰ্তমানৰ সাধাৰণ সম্পাদক ঋষভ কলিতাই বিপুল ভোটত জয়ী হৈছিল। অৱশ্যে এই বাৰ সময়েত হে স্পষ্ট হ'ব সাধাৰণ সম্পাদক পদৰ নিৰ্বাচন অনুষ্ঠিত হয়নে নহয়।

# মাজুলী ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ জানুৱাৰী ঃ** এছ বি আই লাইফ, মাজুলী শাখাৰ উদ্যোগত মাজুলী ভিত্তিত আজি ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ অনুষ্ঠিত হয়। মাজুলী মিলন সংঘ, কমলাবাৰীত দিনৰ ১১: ০০ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনি তিনিটা শাখাত অনুষ্ঠিত হ'য়। সেই অনুসৰি আজি প্ৰতিযোগিতাৰ অন্তত মাজুলী মিলন সংঘত আয়োজন কৰা পুৰস্কাৰ বিতৰণী সভাত সভাপতিত্ব কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই। পৰিচালক সীমান্ত বৰাই আত ধৰা সভাত বিচাৰক সকলৰ হৈ দীপু বৰা, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰতি বৰাই ভাষণ দিয়ে। সভাত স্থান লাভ কৰা প্ৰতিযোগী সকলক মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হয়। সভাত এচবিআই লাইভ উন্নয়ন পৰিচালক শংকৰ দাস, গোপাল বৰা, উন্নয়ন পৰিচালক ৰূপজ্যোতি বৰা, উত্তম হাজৰিকা, এজেন্সি পৰিচালক দেৱ শংকৰ ফুকন, শাখা পৰিচালক বিপুল হাজৰিকা এচবিআই লাইভৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আয়োজন কৰা উক্ত চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক ধন্যবাদ জ্ঞাপন কৰে। সভাত শিশু শিল্পী স্মৃতাননা শইকীয়াই জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে।

# মাৰ্ঘেৰিটাৰ ইণ্ডিয়া ক্লাবত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় অধিৱেশন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩১ জানুৱাৰী ঃ** সেউজ সোণৰ দেশ অসম মুলুকত ২০০ বছৰ গৰকা অসমৰ চাহ উদ্যোগত নিয়োজিত হৈ থকা চাহ কৰ্মচাৰী সকলক প্ৰতিনিধিত্ব কৰা একমাত্ৰ অৰাজনৈতিক শ্ৰম সংগঠনটো হৈছে 'অসম চাহ কৰ্মচাৰী সংঘ'। প্ৰাক স্বাধীনতা-উত্তৰ কালতে অৰ্থাৎ ১৯৪৭ চনৰ ৯ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা 'অসম চাহ কৰ্মচাৰী সংঘ'ই ইতিমধ্যে সোণালী জয়ন্তী আৰু গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষও অতিক্ৰম কৰিছে। চাহ উদ্যোগত নিয়োজিত কৰ্মচাৰীসকলৰ সুৰক্ষিত ভৱিষ্যত, অৰ্থনৈতিক আৰু সামাজিক ন্যায়, চাকৰিৰ নিৰাপত্তাকে প্ৰমুখ্যে কৰি সৰ্বাঙ্গীণ উন্নতিৰ হকে সংঘই জন্মলগ্নৰে পৰাই নিস্বাৰ্থ আৰু নীৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। অসম চাহ কৰ্মচাৰী সংঘৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন -২০২৬ সুদীৰ্ঘ ৪৮ বছৰ অন্তত মাঘেৰিটা শাখা সংঘৰ আতিথ্যত কাইলৈৰ পৰা ২ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া (শনিবাৰ, দেওবাৰ আৰু সোমবাৰ) বৰ্ণাঢ্য কাৰ্যসূচীৰে ইতিহাস প্ৰসিদ্ধ কেঁচা সোণ আৰু ক'লা হীৰাৰে সমৃদ্ধ মাৰ্ঘেৰিটা নগৰৰ ইণ্ডিয়া ক্লাব প্ৰাঙ্গণত অনুষ্ঠিত হব। কাৰ্যসূচী অনুসৰি, কাইলৈ অৰ্থাৎ ৩১ জানুৱাৰী, শনিবাৰে বিয়লি ৫ বজাত প্ৰতিনিধি শিবিৰ মুকলি কৰাৰ পাছত সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা। ১ ফেব্ৰুৱাৰীৰ পুৱা ৮ বজাত পৰিৱেশ নিকাকৰণৰ পিছতে সংঘৰ পতাকা উত্তোলনৰ লগতে ভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হ'ব। ৯.৪৫ বজাত বৃক্ষৰোপণৰ পিছতে এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১১.৩০ বজাত অনুষ্ঠিত হ'ব মুকলি সভা আৰু সন্ধিয়া ৭ বজাত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান অনুষ্ঠিত হব। অধিৱেশনৰ অন্তিম দিনাৰ পুৱা ১০ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হব। অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ তথা উপস্থিতি অভ্যৰ্থনা সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# গণতান্ত্ৰিক পৰিৱেশত মত বিনিময় কৰিবলৈ মুখ্যমন্ত্ৰীলৈ উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খণ্ডকাৰৰ আহ্বান

**অসম বাৰ্তা, অভয়াপুৰী, ৩১ জানুৱাৰী ঃ** অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ কংগ্ৰেছী বিধায়ক আব্দুল বাতিন খণ্ডকাৰে আজি অনুষ্ঠিত এক সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত সময়ত কৰি অহা কামৰ প্ৰসংগত নিজৰ মতামত আগবঢ়াই কয় যে ৰাজ্যৰ উন্নয়ন, ভূমি ব্যৱস্থাপনা আৰু আৰ্থিক দিশসমূহত স্বচ্ছতা আৰু জনসাধাৰণৰ আস্থা অতি গুৰুত্বপূৰ্ণ। খিলঞ্জীয়া জনগোষ্ঠীৰ ভূমি সুৰক্ষা, উন্নয়নমূলক প্ৰকল্পত বিনিয়োগ আৰু ৰাজ্যৰ আৰ্থিক ব্যৱস্থাপনাত দীৰ্ঘম্যাদী সুফল নিশ্চিত কৰা বিষয়ত ৰাইজে ইতিবাচক আলোচনা আশা কৰে। তেওঁ লগতে কয় যে এইসমূহ বিষয়ত সু-সংগঠিত নীতি আৰু স্পষ্ট দৃষ্টিভংগী থাকিলে ৰাজ্যখনে আগুৱাই যাব। সংবিধানৰ মূল্যবোধ আৰু গণতান্ত্ৰিক পৰম্পৰা মানি চলাৰ ওপৰত জোৰ দি বিধায়ক খণ্ডকাৰে কয় যে সকলো ৰাজনৈতিক নেতাই দায়িত্বশীল ভাষা আৰু আচৰণেৰে জনমত গঠন কৰা উচিত। সংবিধানৰ শপথৰ মৰ্যাদা ৰক্ষা কৰাই সুস্থ গণতন্ত্ৰৰ আধাৰ বুলি তেওঁ মন্তব্য কৰে। ইফালে, ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰসংগত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে উত্থাপন কৰা অভিযোগসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া দিয়া ঘটনাই ৰাজনৈতিক পৰিসৰত আলোচনা সৃষ্টি কৰিছেবুলিও তেওঁ উল্লেখ কৰে। বিধায়কগৰাকীয়ে লগতে কয় যে মতভিন্নতা থাকিলেও গণতান্ত্ৰিক আলোচনাৰ জৰিয়তে সমাধানৰ পথ উলিয়াবলৈ সকলো পক্ষ আগবাঢ়ি আহিব লাগিব। মূলত ৰাজ্যৰ উন্নয়ন, সংবিধানিক মূল্যবোধ আৰু জনসাধাৰণৰ আস্থা দৃঢ় কৰিবলৈ ইতিবাচক, দায়িত্বশীল আৰু গঠনমূলক ৰাজনীতি সময়ৰ দাবী কিন্তু এক বিশেষ ধৰ্মাৱলম্বী লোকক টাৰ্গেট কৰি দিয়া মন্তব্য দুখজনক বুলি বিধায়ক আব্দুল বাতিন খণ্ডকাৰে মত প্ৰকাশ কৰে।

বহিঃৰাজ্যত কৰ্মসূত্ৰে থকা অসমৰ যুৱক-যুৱতীৰ সুৰক্ষা নিশ্চিন্ত কৰক - ডাঃ ভবেন চৌধুৰী

# বেংগালুৰুত অসমৰ চাৰ্জিন যুৱকৰ ৰহস্যজনক মৃত্যুৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী 'আম আদমি পাৰ্টী'ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জানুৱাৰী ঃ** বেংগালুৰুত অসমৰ চাৰিজন যুৱকৰ আজি ৰহস্যজনক মৃত্যুৰ বাৰ্তাটো অতি দুঃখজনক আৰু উদ্বেদজনক বুলি অভিহিত কৰিছে আম আদমি পাৰ্টী অসম ৰাজ্যিক সমিতিয়ে। এক প্ৰেছ বাৰ্তাযোগে দলটোৰ অসম ৰাজ্যিক ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰীয়ে উক্ত ঘটনাত গভীৰ শোক প্ৰকাশ কৰি ঘটনাটোৰ এক উচ্চ পৰ্য্যায়ৰ দাবী কৰাৰ লগতে বহিঃৰাজ্যত কৰ্মসূত্ৰে থকা অসমৰ যুৱক-যুৱতীসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনায়। দলটোৰ অসমৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক ৰাজেশ শৰ্মায়ো মৃত যুৱকসকলৰ পৰিয়ালৰ্লৈ গভীৰ সমবেদনা জ্ঞাপন কৰি পৰিয়ালকেইটাক ন্যায় প্ৰদান কৰি উপযুক্ত ক্ষতিপূৰ্ণ প্ৰদান কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। লগতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নহ'বলৈ অসম চৰকাৰক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

# ১ ফেব্ৰুৱাৰীত থেৰবাদী বৌদ্ধ ধৰ্মাৱলম্বী বৌদ্ধ সকলে পালন কৰিব মাঘবিহু "মাই কৌ চুম ফাই"

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩১ জানুৱাৰী ঃ** লোক-সংস্কৃতি, পৰম্পৰা আৰু নিজস্বতাই এটা জাতিৰ পৰিচয় দিয়ে। নিজৰ সংস্কৃতি, লোকাচাৰৰ লগতে ধৰ্মীয় পৰম্পৰা সজীৱ কৰি ৰাখি এক সংস্কৃতিবান জাতি হিচাপে নিজকে পৰিচয় দিবলৈ সক্ষম হোৱা অসম আৰু অৰুণাচলৰ থেৰবাদী বৌদ্ধ ধৰ্মাৱলম্বী টাই আৰু চিংফৌ লোকসকলৰ অন্যতম প্ৰধান উৎসৱ "মাই কৌ চুম ফাই" বা মাঘ বিহু। মাঘী পূৰ্ণিমাৰ দিনা পালন কৰা এই উৎসৱক থাইলেণ্ড, ম্যানমাৰ, শ্ৰীলংকা আদি দেশত মঘা পূজা নামেৰে জনা যায়। মাঘী পূৰ্ণিমাৰ দিনটো বৌদ্ধ সকলৰ বাবে কেইবাটাও কাৰণত অতি মহত্ত্বপূৰ্ণ। এই পূৰ্ণিমাতেই গৌতম বুদ্ধই বুদ্ধত্ব লাভৰ পাছত একেলগে ১২৫০জন শিষ্যক ধৰ্ম শিক্ষা দিছিল আৰু এই আটাইকেইজনেই পাছত অৰহত ভিক্ষু হ'বলৈ সক্ষম হ'য় বুলি বৌদ্ধ গ্ৰন্থসমূহত পোৱা যায়। এই পূৰ্ণিমাতেই ভগৱান বুদ্ধই বৈশালীত স্বপলা চৈত্যৰ তলত বহি আজিৰ পৰা তিনিমাহৰ অন্তত বহাগী পূৰ্ণিমা তিথিত তেওঁ মহাপৰিনিৰ্বাণ ল'ম বুলি দেৱ মনুষ্য সকলৰ আগত ঘোষণা কৰিছিল। এই দিনটোতে তেওঁ ভিক্ষু সকলক উপদেশ দি কৈছিল "চৰথ ভিকখুৱে চৰিকং বহুজন হিতায় বহুজন সুখায় লোকানুম্পায় ধম্মং দেসেথ।" অৰ্থাৎ - "হে ভিক্ষুসকল, বহুজনৰ হিতৰ বাবে, বহুজনৰ সুখৰ বাবে, জীৱজগতৰ প্ৰতি অনুকম্পা প্ৰকাশৰ কাৰণে দিশে দিশে ধৰ্ম প্ৰচাৰ কৰা। "এই "মাই কৌ চুম ফাই" হৈছে টাই শব্দ। টাই ভাষাত 'মাই' মানে খৰি, 'কৌ' মানে জাপি দিয়া, 'চুম' মানে সংযোগ কৰা আৰু 'ফাই' মানে জুই। ইয়াৰ অৰ্থ কাঠ জাপি মেজি সাজি জ্বলোৱা। এই মেজি চাৰিকোণীয়া বা অষ্টকোণীয়াকৈ গুৰিৰ পৰা আগলৈ সম্পূৰ্ণ বাঁহৰ সমান ওখকৈ বনোৱা হ'য়। চাৰিকোণীয়া মেজিৰ বাবে আঠদাল দীঘল বাঁহৰ প্ৰয়োজন হয়। প্ৰতিটো কোণত গাঁত খান্দি এটা গাঁতত দুডালকৈ বাঁহ পোতা হয়। চাৰিও কোণৰ গাঁত চাৰিটা মাটিৰ চাৰিফুট মানৰ তলত সোঁমাজত লগ লগোৱা হয়, যাৰ বাবে মেজিৰ মাজভাগ দুই মূৰৰ তুলনাত ডাঙৰ হয়। মেজিত বহুদিনৰ পৰা কাটি বাকলি গুচোৱা গছৰ ডাল নাইবা গুলকৈ চাঁছি ৰখা কাঠখৰি জাপি জাপি বনোৱা হয়। মাজৰ অংশত কেঁচা আৰু শুকান বাঁহ ভৰাই দিয়া হয়। যিহেতু মেজি বহুত ওখ হ'য়, ইয়াক পোনাই ৰাখিবলৈ চাৰিও কোণত চাৰিডাল ৰচীৰে ওপৰৰ পৰা চাৰিও কোণত বন্ধা হয়। মেজি সম্পূৰ্ণ হোৱাৰ পাছত কলপটুৱা, ৰঙীন কাগজ, ফুল আদিৰে সুন্দৰকৈ সজোৱা হয়। পূৰ্ণিমাৰ আগদিনা সন্ধ্যা গাৱঁৰ সকলোৱে মেজিৰ চাৰিওকাষে চাকি-বন্তি জলাই ভিক্ষু বা ভান্তেদয়ক নিমন্ত্ৰণ জনাই আৰু দানশীল, ভাৱনাৰ কাৰ্যসূচী ৰাখে। পঞ্চশীল, অষ্টশীল গ্ৰহণ আদি ধৰ্মীয় কাৰ্য সম্পন্ন কৰাৰ লগতে সকলো প্ৰাণীসত্বাৰে কুশলৰ বাবে মৈত্ৰী ভাৱনা কৰি পুণ্য উৎসৰ্গিত কৰে। সম্পূৰ্ণ বৌদ্ধ ধৰ্মীয় ৰীতি-নীতিৰে এই কাৰ্য সম্পন্ন কৰা হয়। ধৰ্মীয় কাৰ্যৰ অন্তত নাচ-গান কৰি আনন্দ উল্লাস কৰে। ইয়াৰ উপৰিও কিছুমান ঠাইত গছ পাত আদি পিন্ধি অসুৰ (ৰাক্ষস)ৰ বেশত নৃত্য কৰে। এই উৎসৱত ফুমফাই বা আনবুম নামৰ আকাশবন্তি (hot air balloon) উৎক্ষেপণ কৰে। ৰাতিপুৱা দুকমোকালিতে ওপৰৰ পৰা এই মেজি জ্বলোৱা হয়। ৰাতিপুৱা পিঠা, সান্দহ, মিঠাই আৰু 'খাওয়া কু' বা 'খয়াকু' নামৰ এক ব্যঞ্জন সকলোৱে খাই আৰু ইঘৰে সিঘৰক বিলায়। এই 'খয়াকু' শুকান মাংস, মাছ, তিল, মাটিমাহ, চাউল, শাক পাচলি, আলু, কচু আদিৰ সংমিশ্ৰণ কৰি বনোৱা এক সুস্বাদু ব্যঞ্জন। সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰা, সংস্কৃতিৰ মহামিলনৰ ফলত বৰ অসমৰ লোক-সংস্কৃতি আজি বিশ্বত জিলিকিব ধৰিছে। আজি "মাই কৌ চুম ফাই"ৰ নামৰ বৌদ্ধ ধৰ্মীয় উৎসৱ সকলোৱে কম-বেচি পৰিমাণে জানিব পাৰিছে। আজি নতুন কিছুমান ঠাইত "মাই কৌ চুম ফাই" পালনৰ নামত কিছুমান অবৌদ্ধ ৰীতিৰে (য'ত মাদক দ্ৰব্য আদি সেৱন আৰু বিক্ৰী কৰি) পালন কৰি ইয়াৰ প্ৰকৃত মহত্বক অৱমাননা কৰা পৰিলক্ষিত হৈছে। এনে ধৰণৰ কাৰ্যই পূৰ্বপুৰুষৰ দিনৰে পৰা পৰম্পৰাগতভাৱে পালন কৰি অহা বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলক মনোকষ্ট দিয়ে। কেইবছৰমানৰ আগতে এটা নিউজ পৰ্টেলে এই মেজিৰ দিনা যুৱকসকলে গাৱঁৰ হাঁহ-কুকুৰা চুৰি কৰি ভোজ-ভাত খাই বুলি প্ৰচাৰ কৰিছিল। এই মেজিৰ দিনা কোনো ৰাজহুৱা ভোজৰ আয়োজন কৰা নহয়, মেজিৰ পাছদিনাহে ঘৰে-ঘৰে পিঠা, জলপান, মিঠাই আৰু "খাওয়া কু" নিজৰ ঘৰতে বনাই মিতিৰ-কুটুমৰ সৈতে খায় আৰু আহিব নোৱাৰাসকলক দি আহেগৈ। এইবাৰো প্ৰতি বছৰৰ দৰে কাইলৈ অৰ্থাৎ ১ ফেব্ৰুৱাৰীৰ মাঘী পূৰ্ণিমাৰ দিনা সকলো বৌদ্ধ ধৰ্মাৱলম্বী টাই আৰু চিংফৌ জনগোষ্ঠীৰ লোকসকলে নিজৰ বৌদ্ধ বিহাৰৰ কাষত এই "মাই কৌ চুম ফাই" সাজি পৰম্পৰাগতভাৱে মাঘ বিহু উদযাপন কৰিব। উল্লেখ্যযোগ্য যে, দক্ষিণ-পূব এছিয়াত বসবাস কৰা টাই বৌদ্ধ সকলৰ লগতে অৰুণাচলত বসবাস কৰা টাই খাময়াং, টাই ফাকে, টাই আইতন, টাই তুৰুং, টাই খামটি সকলৰ লগতে চিংফৌ সকলেও এই উৎসৱ পালন কৰে। এই "মাই কৌ চুম ফাই" উৎসৱক টাই বৌদ্ধসকলে তথাগত বুদ্ধৰ আয়ুস ক্ষয়ৰ দিন বুলি বিশ্বাস কৰি আহিছে।

# বিন্নাকান্দিত কংগ্ৰেছৰ আভ্যন্তৰীণ কন্দলে ২০২৬ৰ নিৰ্বাচনত পেলাব নেকি ডাঙৰ প্ৰভাৱ ?



**অসম বাৰ্তা, ডবকা, ৩১ জানুৱাৰী ঃ** হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ জনপ্ৰিয় সমাজ সেৱক তথা কংগ্ৰেছ দলৰ এজন নিষ্ঠাবান কৰ্মী সাহাব উদ্দিন মজুমদাৰৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পোৱাক লৈ দলেৰে কিছুমান ব্যক্তিয়ে সহ্য কৰিব নোৱাৰাৰ অভিযোগ উঠিছে। শুক্ৰবাৰে ডবকাত বিন্নাকান্দি ব্লক কংগ্ৰেছৰ উদ্দ্যোগত হোজাই জিলা যুৱ কংগ্ৰেছে গৌৰৱ গগৈৰ এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল এই ৰাজহুৱা সভাত সাহাব উদ্দিন মজুমদাৰক অপমান কৰা ঘটনাই বিশেষ চৰ্চা লাভ কৰিছে। তথ্য অনুসৰি কংগ্ৰেছ নেতা গৌৰৱ গগৈ ডবকাত উপস্থিত হোৱাৰ পিছত এখন ৰেলিৰ আয়োজন কৰা হৈছিল। উক্ত ৰেলিত অংশ ল'বলৈ এখন গাড়ীত ৰকিবুল হুছেইনৰ সৈতে সমষ্টিৰ কেইবাজনো কংগ্ৰেছ কৰ্মী উঠিছিল। কিন্তু সেই গাড়ীখনত সাহাব উদ্দিন মজুমদাৰক উঠিব যাওঁতে কিছু কংগ্ৰেছ কৰ্মীয়ে সাহাব উদ্দিন মজুমদাৰক বাধা প্ৰদান কৰাৰ বিডিঅ সামাজিক মাধ্যমত প্ৰচাৰ হয়। উক্ত ঘটনাত জড়িত কংগ্ৰেছ কৰ্মী কেইজন যদিও চিনাক্ত হৈছে, তথাপি দলৰ ফালৰ পৰা বা বিন্নাকান্দি ব্লক কংগ্ৰেছৰ তৰফৰ পৰা বৰ্তমানলৈকে তেওঁলোকৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হোৱা পৰিলক্ষিত হোৱা নাই। এই ঘটনাই সমষ্টিটোত ৰাজনৈতিক মহলত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এজন সমাজ সেৱক ও বিন্নাকান্দি সমষ্টিৰ ২০২৬ৰ নিৰ্বাচনৰ কংগ্ৰেছৰ টিকেটৰ প্ৰবল দাবিদাৰ সাহাব উদ্দিন মজুমদাৰৰ লগত কৰা এনে নিকৃষ্ট কামক সকলোৱে গৰিহণা দি আছে। উল্লেখ্য যে সাহাব উদ্দিন মজুমদাৰ বিন্নাকান্দি সমষ্টিত এজন সুপৰিচিত সমাজ সেৱক তথা হোজাই জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সভাপতি হোৱাৰ লগতে ২০২৬ ৰ নিৰ্বাচনত কংগ্ৰেছৰ টিকেটৰ এজন প্ৰবল দাবিদাৰ হিচাপে পৰিচিত। তেওঁৰ জনপ্ৰিয়তা বৃদ্ধি পোৱা কাৰণেই দলেৰে কিছু ব্যক্তিয়ে এই ধৰণৰ আচৰণ কৰা বুলি অভিযোগ উঠিছে। যদি এই অভিযোগ সত্য বুলি ৰাইজে বিশ্বাস কৰে তেন্তে কংগ্ৰেছ দল সমষ্টিত গুৰুতৰভাৱে ৰাজনৈতিক ক্ষতিৰ মুখামুখি হ'বলগীয়া হ'ব পাৰে। এই ঘটনাৰ পিছত দলৰ ফালৰ পৰা বা বিন্নাকান্দি ব্লক কংগ্ৰেছৰ তৰফৰ পৰা জড়িত কৰ্মীসকলৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰাটো বহু কংগ্ৰেছ সমৰ্থকেও সহজভাৱে লোৱা নাই। দলে যদি এই বিষয়ত কঠোৰ পদক্ষেপ গ্ৰহণ নকৰে তেন্তে তৃণমূল পৰ্যায়ৰ কৰ্মী সকলৰ মনোবল ভাঙি পৰাৰ আশংকা থাকিব বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে। আনহাতে বিন্নাকান্দি সমষ্টিত ইতিমধ্যে অন্য ৰাজনৈতিক দলসমূহে এই ঘটনাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ সুযোগ পাইছে বুলি ধাৰণা কৰা হৈছে। কংগ্ৰেছৰ আভ্যন্তৰীণ বিভেদে যদি ৰাইজৰ মাজত অসন্তোষ বৃদ্ধি কৰে তেন্তে তাৰ পোনপটীয়া লাভ বিৰোধী দলসমূহে ল'ব পাৰে। বিশেষকৈ সংখ্যালঘু অধ্যুষিত এই সমষ্টিত নেতৃত্ব আৰু একতাই মুখ্য ভূমিকা পালন কৰে। সামগ্ৰিক ভাৱে ক'ব গ'লে সাহাব উদ্দিন মজুমদাৰৰ সৈতে সংঘটিত এই অপমান জনক ঘটনাই কংগ্ৰেছ দলৰ বাবে এটা সতৰ্কবাণী হিচাপে পৰিগণিত হৈছে। দলীয় ঐক্য অটুট ৰাখি জনপ্ৰিয় কৰ্মীসকলক সন্মান জনাব নোৱাৰিলে ২০২৬ৰ নিৰ্বাচনত কংগ্ৰেছৰ পথ সহজ নহ'ব বুলি বহুজনে নিজৰ মত প্ৰকাশ কৰিছে। এতিয়া দলে এই ঘটনাক কেনেদৰে কি কৰে সেয়া আগন্তুক দিনত বিন্নাকান্দি সমষ্টিৰ ৰাজনৈতিক দিশ নিৰ্ধাৰণ কৰিব।

# উদুলি-মুদুলি পৰিৱেশৰ মাজেৰে বেবেজীয়াত একশৰণ ভাগৱতী সমাজৰ ৯০ সংখ্যক মহা পালনাম আৰু ধৰ্ম সভা আৰম্ভ



**অসম বাৰ্তা, বেবেজীয়া, ৩১ জানুৱাৰী ঃ** উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান একশৰণ ভাগৱতী সমাজৰ ৯০ সংখ্যক বাৰ্ষিক মহাপালনাম আৰু ধৰ্ম সভা আজিৰে পৰা আৰম্ভ হৈছে। ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি সম্পূৰ্ণ ধৰ্মীয় অনুভূতিৰে নগাওঁ জিলাৰ বেবেজীয়াৰ একশৰণ ভাগৱতী সমাজৰ পালনাম থানত অনুষ্ঠিত হোৱা অনুষ্ঠান ভাগত পুৱা ৪ বজাত জিলা নামাচাৰ্য সোমেশ্বৰ আতাৰ পৰিচালনাত প্ৰাতঃ প্ৰসংগ অনুষ্ঠিত হয়। ৮ বজাত ভকত আদৰণি উপ সমিতিৰ পৰিচালনাত ভিন্ন স্থানৰ পৰা ভকত সকলক আদৰণি জনোৱা হয়। ৯ বজাত শৰাই অৰ্চনৰ পিছতেই ধৰ্ম ধজ্জা উত্তোলন কৰে সমাজৰ নগাঁও জিলাৰ সভাপতি ভুৱনেশ্বৰ দাসে। ১১ বজাত মধ্যাহ্ন প্ৰসংগ ভাগ বুঢ়া আতা সকলৰ পৰিচালনাত অনুষ্ঠিত হয়। ১১.৩০ বজাত সতী ৰাধিকা মাতৃ সেৱা সমাজ আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ সমাৰোহ অনুষ্ঠিত হয়। বৰগীত পৰিৱেশন, সত্ৰীয়া নৃত্য, ঘোষা আদি পৰিৱেশনেৰে তৰুণ তৰুণী সকলে সকলোকে মুগ্ধ কৰি আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰাত অৰিহণা যোগাই বুলি প্ৰচাৰ সচিব ডেভিড দাসে জানিবলৈ দিয়ে। আনহাতে বিয়লি ২ বজাত মুখপত্ৰ "কল্পতৰু" উন্মোচন কৰা হয়। গাম্ভীৰ্য্য পূৰ্ণ অনুষ্ঠানটিত অংশগ্ৰহণ কৰে একশৰণ ভাগৱতী সমাজৰ উপাচাৰ্য বালিৰাম আতা, একশৰণ ভাগৱতী সমাজৰ শৰণাচাৰ্য্য মুহিধৰ আতা, প্ৰাদেশিক পালনামাচাৰ্য্য হীৰেন আতা, জিলা সভাপতি ভুৱনেশ্বৰ দাস, জিলা পালনামাচাৰ্য্য প্ৰবীণ আতা, কল্পতৰুৰ সভাপতি অনন্ত কুমাৰ বৰদলৈ, সম্পাদক প্ৰদিপ দাস, সমাজৰ কাৰ্যালয় সম্পাদক মুৰুলীধৰ দাস, তৰুণ বিদ্যাৰ্থী সমাজৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক বোধেশ্বৰ দাস, তৰুণ বিদ্যাৰ্থী সমাজৰ জিলা সভাপতি মৃদুল কুমাৰ দাস, সম্পাদক লক্ষ্যজিত দাস, সাংস্কৃতিক সম্পাদক ৰাজীৱ (সাৰংগ পানী)দাস, লক্ষ্মী প্ৰভা হাজৰিকা, তৰুণ বিদ্যাৰ্থী জিলা প্ৰচাৰ সম্পাদক ৰাজীৱ কুমাৰ দাস, চিন্তো হীৰা, তৰুণ বিদ্যাৰ্থী সমাজৰ উপদেষ্টা দীপক কুমাৰ দাস, মণ্টু(কংশ মামা)দাস আদি বৰেণ্য ভকত বৈষ্ণৱৰ উপস্থিতিত অনুষ্ঠানটি আৰু অধিক ৰসাল আৰু জিপাল হৈ পৰে। উল্লেখ্য যে গুৱাহাটী নগাঁও ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেবেজীয়াত একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক আচাৰ্য বাপ ঈশ্বৰ খ্যাত প্ৰয়াত ইলাৰাম দাস আতাই প্ৰতিষ্ঠা কৰা অতি পুৰণি "বুঢ়া নামঘৰ" পালনাম থানত প্ৰতি বছৰে মাঘী পূৰ্ণিমাত মহাপালনাম ভাগ অনুষ্ঠিত হৈ দ্বিতীয় বৈকুণ্ঠপুৰি সদৃশ পৰিবেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে।

# কটন সাহিত্যোৎসৱ ২০২৬লৈ বিচাৰক হিচাপে আমন্ত্ৰণ পঞ্চমী সৰকাৰক

**ষ্টাফ ৰিপ'টাৰ, টংলা, ৩১ জানুৱাৰী ঃ** কটন সাহিত্যোৎসৱ ২০২৬ৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা হীৰেণ ভট্টাচাৰ্য সোঁৱৰণী সদৌ অসম কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিচাৰক হিচাপে আমন্ত্ৰণ জনোৱা হয় সদৌ অসম কবি সন্মিলন যুৱৰ ৰাজ্যিক উপ-সমিতিৰ সমন্বয়ক পঞ্চমী সৰকাৰ লগতে বিচাৰক হিচাপে আমন্ত্ৰণ জনোৱা হয়। উল্লেযোগ্য যে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী, বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী, কলাইগাঁৱৰ সন্তান, অসম সাহিত্য সভাৰ আজীৱন সভ্য, কেন্দুকলাই সাহিত্য সমাজৰ সদস্যা পঞ্চমী সৰকাৰে শিক্ষা গ্ৰহণৰ সমান্তৰালভাৱে সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰখনতো জড়িত হৈ আশাব্যঞ্জক বতৰা কঢ়িয়াই আনিছে। আনহাতে কবিতা কটন সাহিত্য উৎসৱৰ কবিতা প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে কটন বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা ড° পৰিস্মিতা বৰদলৈয়ে। গৰাকীক অনুষ্ঠান প্ৰতিষ্ঠানে অভিনন্দ জ্ঞাপন কৰে।

# উত্তৰ গুৱাহাটীৰত মে-ডাম-মে-ফি পালন

**অসম বাৰ্তা, কমলপুৰ, ৩১ জানুৱাৰী ঃ** সদৌ অসম আহোম সভাৰ অন্তৰ্গত বৃহত্তৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত আৰু উত্তৰ গুৱাহাটী টাই আহোম সমাজৰ উদ্যোগত আজি উত্তৰ গুৱাহাটীৰ বিহলঙনীত দিনযোৰা কাৰ্যসূচীৰে মে-ডাম-মে-ফি পালন কৰা হয়। ৰাতিপুৱা পতাকা উত্তোলনৰ পাছতে টাই আহোম পৰম্পৰাৰে পূৰ্বপুৰুষক পূজা অৰ্চনা কৰা হয়। তাৰ পাছতে এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। তদুপৰি সভাত উপস্থিত থাকে কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। অনুষ্ঠানৰ আঁত ধৰে টাই আহোম সমাজৰ সভাপতি মনদ্বিপ গগৈয়ে।

# বটাকুছিত বিশাল হিন্দু সন্মিলন সমাপন



**অসম বাৰ্তা, ৰঙিয়া, ৩১ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এশবছৰীয়া বৰ্ণিল যাত্ৰাৰ অংশ হিচাপে বিভিন্ন কাৰ্যসূচীৰ আজি বটাকুছিৰ মধ্য পাণ্ডুৰী আঞ্চলিক দুৰ্গা মন্দিৰ সভাকক্ষত এখন বিশাল হিন্দু সন্মিলন অনুষ্ঠিত হয়। উদ্যোক্তা সমিতিৰ সংযোজক তথা সংস্কৃতিৰ পূজাৰী পঙ্কজ পল্লৱ শৰ্মাই আঁতধৰা সন্মিলনৰ আৰম্ভণিতে ভাৰত মাতালৈ পুষ্পাঞ্জলি আগবঢ়াই কামৰূপ জিলাৰ সহ সংঘ চালক ডাঃ খনিন কলিতাই। বন্তি প্ৰজ্বলন কৰে সোমদত্ত কলিতা আৰু বিমলা দেৱীয়ে। তুলসীবাৰী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য সোমদত্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সন্মিলনত বৌদ্ধিক বক্তা হিচাপে ভাষণ দিয়ে পিবি কনিহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী বিমলা দেৱী, প্ৰান্ত সংযোজক নিৰঞ্জন বৰ্মন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ একাদেমীৰ পৰিচালন সঞ্চালক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই। ইফালে আৰম্ভণিতে তুলসীবাৰী শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীয়ে সমবেত গীত পৰিৱেশন কৰে। উল্লেখযোগ্য সন্মিলনত মধ্য পাণ্ডুৰী আৰু বিছেন্নালা মণ্ডলৰ প্ৰায় ১০টা আয়তীৰ নাম দলে সমন্বয় নাম পৰিবেশন কৰে। সন্মিলনত স্থানীয় বিধায়ক ভৱেশ কলিতা আৰু ৰাজ্যিক বিজেপিৰ সম্পাদক ৰাতুল শৰ্মাই ও অংশগ্ৰহণ কৰে। সন্মিলনত দুটা মণ্ডলৰ প্ৰায় ছয় শতাধিক লোক উপস্থিত থাকে।

# বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ বিদ্যালয়ৰ দশম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ৩১ জানুৱাৰী ঃ** যোৰকালি বিলাসীপাৰা সম জিলাৰ অন্তৰ্গত লক্ষ্মীগঞ্জস্থিত বিভিন্ন ঘাত প্ৰতিঘাতৰ মাজেৰে নটা বছৰ অতিক্ৰম কৰি জনসাধাৰণৰ মাজত শিক্ষাৰ জগতত এক সুনাম অৰ্জন কৰা বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ নামৰ শিক্ষানুষ্ঠান খনৰ দশম প্ৰতিষ্ঠা দিৱস এইবেলি তিনি দিনীয়া কৈ উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। যোৱা কলি এই দশম প্ৰতিষ্ঠা দিৱসৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ পতাকা উত্তোলন, তাৰ পিছত আমাৰ প্ৰাণৰ শিল্পী হিয়াৰ আমুঠু জুবিন গাৰ্গৰ লগতে বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ বিদ্যালয় খনৰ ভূমি দাতা তথা বিদ্যালয় খনৰ স্থায়ী সভাপতি নিত্য গোপাল নাথৰ মৃত পৰিয়াল বৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। তাৰ পিছত বিদ্যালয় প্ৰাঙ্গণত স্থাপন কৰা নৱ নিৰ্মিত শিশু উদ্যান "প্ৰেৰণা নাথ উদ্যান" নামেৰে নামকৰণ কৰা উদ্যানখন মুকলি কৰে বিলাসীপাৰাৰ বিশিষ্ট সমাজ সেৱক তথা চিকিৎসক ড° কানুলাল দাস আৰু সহযোগী হিচাপে লগত থাকে উদ্যানখন নামকৰণ কৰা স্বৰ্গীয়া প্ৰেৰণা নাথৰ মাতৃ জয়শ্ৰী নাথ। এই দশম প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ গাম্ভীৰ্জপূৰ্ণ মুকলি সভাত উপস্থিত থাকে মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰা কমতাপুৰ স্বায়িত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য জীৱেশ ৰায়ৰ আকস্মিক কাৰ্যসূচী পৰিবৰ্তনৰ বাবে তেখেতৰ প্ৰতিনিধি হিচাপে জয়ন্ত নাথ, পুখুৰীপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা চাপৰ শালকোচাৰ সমাজ সেৱক সুদিপ্ত বৰ্মন ওৰফে বাপন, বিলাসীপাৰাৰ বিশিষ্ট চিকিৎসক ড° কানুলাল দাস, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিলাসীপাৰা জিলা সমিতিৰ সভাপতি গোনেশ চন্দ্ৰ নাথ বিলাসীপাৰা আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি সহিদুল ইছলাম মুন্না, বিশিষ্ট সমাজ সেৱক অশ্বিনী কুমাৰ মহন্ত, যুৱ নেথা ৰাফিউৰ জামান, সমাজ সেৱক সাফিজুৰ ৰহমান আলকাছ, বিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী, অভিভাৱক অভিভাৱিকা তথা অঞ্চলৰ গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সামৰণি অনুষ্ঠান উপলক্ষে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান, বক্তৃতা আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰদৰ্শনে অনুষ্ঠানটো অধিক আকৰ্ষণীয় কৰি তোলে। ভাষণ প্ৰসংগত বক্তা সকলে বিদ্যাসাগৰ একাডেমীয়ে শিক্ষাৰ ক্ষেত্ৰত কৰা অৱদান স্মৰণ কৰি আগন্তুক দিনতো মানৱিক আৰু গুণগত শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়খনে আৰু অধিক আগবাঢ়িযাব বুলি আশা প্ৰকাশ কৰে।

**লোকপ্ৰিয় গোপীনাথ বৰদলৈ বক্ষ চিকিৎসালয়ৰ কৰ্মচাৰী গণেশ চন্দ্ৰ ডেকাৰ আনুষ্ঠানিক অৱসৰ গ্ৰহণ**

# অৱসৰৰ দিনাই পেঞ্চনৰ ব্যৱস্থা চিকিৎসালয় কৰ্তৃপক্ষৰ

**অসম বাৰ্তা, সোণাপুৰ, ৩১ জানুৱাৰী ঃ** কামৰূপ মহানগৰ জিলাৰ সোণাপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বক্ষ চিকিৎসালয়ৰ কৰ্মচাৰী শ্ৰী গণেশ চন্দ্ৰ ডেকাই চৰকাৰী নিয়ম অনুসৰি আজি আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে। কভিড-১৯ মহামাৰীৰ কঠিন সময়ছোৱাতো অতি নিষ্ঠা আৰু দায়িত্ববোধেৰে নিজৰ কৰ্তব্য পালন কৰি অহা গণেশ চন্দ্ৰ ডেকাই চিকিৎসালয়ৰ অন্যান্য কৰ্মচাৰীৰ বাবে এক আদৰ্শ ৰূপে পৰিগণিত হৈছিল। তেখেতৰ অৱসৰী দিনটো উপলক্ষে চিকিৎসালয়ৰ কৰ্তৃপক্ষই এখন সম্বৰ্ধনা সভাৰ আয়োজন কৰে। চিকিৎসালয়ৰ অধীক্ষক ডাঃ উজ্জ্বল কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই সভাত অৱসৰী কৰ্মচাৰী গণেশ চন্দ্ৰ ডেকাক জাপি, শৰাই, ফুলাম গামোচা আৰু মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সঞ্চালকৰ বক্তব্যত ডাঃ উজ্জ্বল কুমাৰ শৰ্মাই চাকৰিৰ পৰা অৱসৰৰ পিছত পেঞ্চন সংক্ৰান্তিয় কাম-কাজৰ বাবে যাতে তেখেতে বাৰে বাৰে কাৰ্যালয়লৈ আহিব নালাগে, সেই উদ্দেশ্যে পেঞ্চনৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি প্ৰয়োজনীয় নথিপত্ৰসমূহ অৱসৰী কৰ্মচাৰীৰ হাতত অৰ্পণ কৰা হৈছে বুলি উল্লেখ কৰে। এক আবেগিক পৰিবেশৰ মাজত অনুষ্ঠিত হোৱা সভাখনত DIIMS চিকিৎসালয়ৰ স্বত্বাধিকাৰ ডাঃ সুধিন্দ্ৰ নাৰায়ণ গোস্বামীয়ে গণেশ চন্দ্ৰ ডেকাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে ভৱিষ্যতে চিকিৎসাজনিত বা অন্য যিকোনো সহায়ৰ প্ৰয়োজন হ'লে সদায় সহায়ৰ হাত আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, এই বিশেষ বিদায়ী সভাত চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ ৰিংকুমণি ভূঞা, জ্যেষ্ঠ গাণনিক শৈলেন কলিতা, মেট্ৰন খাদেজা খাটুন, ৱাৰ্ড ইনচাৰ্জ মামণি দেউৰী, ৰীণা দাস, ৰুজুৱাৰা বেগম, দীপিকা ডেকা, পূৰ্ণিমা লোধ, ডিম্পল দাসসহ চিকিৎসালয়ৰ শতাধিক বিষয়া-কৰ্মচাৰী উপস্থিত থাকি গণেশ চন্দ্ৰ ডেকাৰ অৱসৰী জীৱন সুখময় হওক বুলি আন্তৰিক শুভকামনা জনায়।

# বিজনী মহকুমা আক্ৰাছুৰ উদ্যোগত ৫১৮ তম্ মহাৰাজ নৰনাৰায়ণ আৰু ৫১৬ তম্ বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী দিৱস

**অসমবাৰ্তা, বিজনী, ৩১ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমা আক্ৰাছুৰ কাৰ্যালয়ৰ ৰজা বিজিত নাৰায়ণ দেৱ ক্ষেত্ৰত অহা ৩১ জানুৱাৰীৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৫১৮তম্ মহাৰাজ নৰনাৰায়ণ আৰু ৫১৬তম বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্মজয়ন্তী দিৱস। বিজনী মহকুমা আক্ৰাছুৰ উদ্যোগত আৰু বিজনীবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ'ব এই দিৱস। তদুপলক্ষে ৩১ জানুৱাৰীৰ পুৱা ১১ বজাত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব বিজনী মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনে। উদযাপন সমিতিৰ পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি উত্তম কোচে। চিলাৰায় সেনাৰ পতাকা উত্তোলন কৰিব আক্ৰাছুৰ কেন্দ্ৰীয় সদস্য প্ৰাণজিৎ বৰ্মনে। সাংস্কৃতিক পতাকা উত্তোলন কৰিব বিজনী মহকুমা আক্ৰাছুৰ সাংস্কৃতিক সম্পাদক ৰাজেশ বৰ্মনে। মহাৰাজ নৰনাৰায়ণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি মনোজ কুমাৰ ৰায় আৰু মাল্যাৰ্পণ কৰিব কেন্দ্ৰীয় সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে। শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব বিজনীৰ শ্বহীদ পৰিয়ালৰ সদস্য দেৱ কুমাৰ বৰ্মন আৰু মাল্যাৰ্পণ কৰিব আন এগৰাকী শ্বহীদ পৰিয়ালৰ সদস্য অজিত কুমাৰ ৰায়ে। সন্ধিয়া শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব বিজনী মহকুমা আক্ৰাছুৰ সাধাৰণ সম্পাদক মাধৱ ৰায়ে। মহাৰাজ নৰনাৰায়ণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব আক্ৰাছুৰ কেন্দ্ৰীয় উপ সভাপতি গোপাল ৰায়ে। ১ ফেব্ৰুৱাৰীৰ পুৱা ১০.৩০ বজাত বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব বিটিচিৰ প্ৰাক্তন মনোনীত পাৰিষদ প্ৰদীপ কুমাৰ বায়নে। গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব বিজনী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আদিত্য প্ৰকাশ দেউৰীয়ে। বিয়লি বিজনী মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। এই সন্দৰ্ভত বিজনী মহকুমা আক্ৰাছুৰ কাৰ্যালয়ত শুকুৰবাৰে মহকুমা আক্ৰাছুৰ সভাপতি জগন্নাথ বৰ্মনে এখন সংবাদমেল সম্বোধন কৰে।

# আজি মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰিব চিলাৰায় ভৱন আৰু কোচ ৰজা কৃষ্ণনাৰায়ণৰ প্ৰতিমূৰ্তি

**অসম বাৰ্তা, দেওমৰনৈ, ৩১ জানুৱাৰী ঃ** ১ ফেব্ৰুৱাৰীত মঙলদৈত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা হব চিলাৰায় দিৱস। মুখ্যমন্ত্ৰীৰ উপস্থিতিত মঙলদৈৰ পিপৰা দোকানত অনুষ্ঠিত হ'ব বিশাল জনসভা। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত দৰং জিলা প্ৰশাসন, কোঁচ ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনীৰ সহযোগত অনুষ্ঠিত হ'ব ৫১৬ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস । কোচ-ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰনৱ নাৰায়ণ দেৱৰ নেতৃত্বত মঙলদৈ চহৰৰ কৰিমচ'কত নতুনকৈ নিৰ্মাণ কৰা হৈছে প্ৰায় ৪ কোটি টকা ব্যয় সাপেক্ষ চিলাৰায় ভৱন আৰু মঙলদৈ চহৰৰ নিলগত পিপৰা দোকানত নিৰ্মাণ কৰা হৈছে প্ৰায় ১ কোটি টকাৰ অনুদানেৰে কোচ ৰজা কৃষ্ণ নাৰায়ণৰ প্ৰতিমূৰ্তি লগতে নিৰ্মাণ কৰা হৈছে এখন শিশু উদ্যান। আজি মুখ্যমন্ত্ৰী গৰাকীক উন্মোচনী অনুষ্ঠানলৈ আদৰিবলৈ সাজু দৰঙবাসীৰ লগতে মঙলদৈৰ জনতা।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন